# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী



# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

চতুৰ্দশ সংখ্যা ঃ ২০০০ বৰ্ষ

H.C.D.G. COLLEGE ... Assam
No..................
Date..................

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে-

শ্ৰী..........................................................লৈ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনীখন আগবঢ়ালোঁ।

- সম্পাদক

সম্পাদিকা ঃ
শ্ৰীজোনমণি সোণোৱাল হাজৰিকা

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

## চতুৰ্দশ সংখ্যা ঃ ১৯৯৯-২০০০ বৰ্ষ

## নিতাই পুখুৰী ঃ শিৱসাগৰ

## সম্পাদনা সমিতি

☐ মুখ্য সম্পাদকঃ
লোহিত কুমাৰ শইকীয়া
(অধ্যক্ষ)

☐ তত্বাৱধায়কঃ
গীতালি শইকীয়া
(প্ৰবক্তা, ইংৰাজী বিভাগ)

☐ উপদেষ্টামণ্ডলীঃ
প্ৰবক্তা দেবেশ্বৰ চাংমাই
,, সুধীৰ কুমাৰ দাস
,, ভদ্ৰাৱতী গগৈ
,, ক্ষীৰপ্ৰভা গগৈ লাহন

☐ সম্পাদিকাঃ
জোনমণি সোণোৱাল হাজৰিকা

☐ সদস্য ঃ
দিব্যপ্ৰভা গগৈ
মৃদুপৱন বুঢ়াগোহাঁই
দেবেন বৰা

☐ বেটুপাত ঃ
ৰঞ্জিত গগৈ

## সূচীপত্ৰ


শুভেচ্ছাবাণী ✍ আউনীআটীয় গোস্বামী ৫
শুভেচ্ছবাণী ✍ ড° নগেন শইকীয়া ৬
সম্পাদকীয় ৭
আলোকচিত্ৰ ৯
অধ্যক্ষৰ কলমৰপৰা ১৫

প্ৰবন্ধ

অসম কেশৰী ৰায় চৌধুৰীঃ জীৱন আৰু ব্যক্তিত্বত এভূমুকি ✍ ক্ষীৰপ্ৰভা গগৈ লাহন, প্ৰবক্তা, অসমীয়া বিভাগ ১৮
গান্ধী আৰু মাৰ্ক্স ✍ বাণীকান্ত গগৈ, প্ৰবক্তা, ৰাজনীতি বিজ্ঞান ২০
সোণোৱাল কছাৰী লোক-সংস্কৃতি ✍ জোনমণি সোণোৱাল হাজৰিকা ২২
শিক্ষাৰ ধাৰণা ✍ সূৰয বৰা ২৪
পৰিৱেশ প্ৰদূষণ আৰু আমাৰ ভৱিষ্যত ✍ দেবেন বৰা ২৬
শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ দায়িত্ব ✍ পংকজ বৰুৱা ২৮
সমাজ সংস্কাৰত ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা ✍ ধৰিত্ৰী কছাৰী ৩০
টেটোন তামূলী ঃ এটি পৰিচয় ✍ সুশীলা দেউৰী ৩১
আড্ডা সংস্কৃতি আৰু ইয়াৰ প্ৰাসংগিকতা ✍ জিতুমণি গগৈ ৩২

উপন্যাসিকা ঃ

ভুলৰ সমাধি আৰু বৈশালী ✍ দিব্য গগৈ ৩৩

গল্প ঃ

এখন নীলা আকাশৰ তলত ✍ মঃ চহিদুৰ ৰহমান ৩৬
যাত্ৰা ✍ দীপক বৰা ৩৮
ৰাজপথত এদিন ✍ মৃদুপৱন বৰগোহাঁই ৪০
ধুমুহাৰ শেষত ✍ ৰুমী গগৈ ৪২
প্ৰায়শ্চিত্ত ✍ চাৰু দত্ত ৪৩
অপৰাজেয় ✍ মুনীন্দ্ৰ বুঢ়াগোহাঁই ৪৬

বস ৰচনাঃ
- তামুলী পেহাৰ কাহিনী ✍ কুন্দল কপিল পাতৰ ৪৮
- শিশু বাল্যকালৰ সামাজিক বিকাশ ✍ নলীন দিহিঙ্গীয়া ৪৯

কবিতা ঃ ৫০

□ অতনু উমত ✍ লোহিত গগৈ □ আশাৰ ছবি ✍ হেমপ্ৰকাশ মাউত □ বৰ্ষাৰ কবিতা ✍ নৱকান্ত দত্ত □ স্মৃতি ✍ নিতুল সন্দিকৈ □ মোৰ স্বদেশ ✍ মুনীন্দ্ৰ বুঢ়াগোহাঁই □ তেজেৰে লিখা ইতিহাস ✍ অঞ্জুমণি দেউৰী □ বিষাদ ৰাগিনী ✍ ঘনশ্যাম সন্দিকৈ □ তিনিটা স্তৱক ✍ শিখামণি দত্ত □ হে হেমচন্দ্ৰ তুমি অনন্য ✍ মৃদুপৱন বুঢ়াগোহাঁই □ হৃদয়ৰ কবিতা ✍ ৰঞ্জিত ভৰালী □ এটি কবিতা ✍ মণিকা চাংমাই □ দুখ ✍ মুনীন্দ্ৰ টায়ে □ ফটা কাপোৰ পিন্ধা মানুহজন ✍ মানসপ্ৰতীম হাজৰিকা □ ৰক্তবীজ ✍ প্ৰণৱ কুমাৰ চাংমাই □ নাৰী ✍ কুন্দল কপিল পাতৰ □ কবিতা ✍ পূৰবী বড়া □ মোৰ মাতৃভূমি ✍ নমিতা বড়া □ মোৰ গাঁও ✍ বৰ্ণালী বৰুৱা □ অপ্ৰকাশ ✍ দিপালি ফুকন □ নৈৰ পাৰত এদিন ✍ হিৰনজন টায়ে □ অসমী আই ✍ সীমা দত্ত □ অসমী আই ✍ জিমি সন্দিকৈ □ অসমীয়া ✍ নলীন দিহিঙ্গীয়া □ বিকল্প শূন্য ✍ বিনীতা দত্ত

**ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন** ৫৮
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৫৮
- সহঃসাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৬০
- উপ-সভাপতিৰ প্ৰতিবেদন ৬১
- ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন ৬২
- ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন ৬২
- সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৬৩
- সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৬৪
- ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৬৫
- হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সমাজ সেৱকসকল আৰু বাৰ্ষিক প্ৰতিযোগিতাৰ ফলাফল ৬৬




# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

চতুৰ্দশ সংখ্যা ঃ ১৯৯৯-২০০০ বৰ্ষ

নিতাই পুখুৰী ঃ শিৱসাগৰ


## প্ৰত্যুষৰ শ্ৰদ্ধাৰ্ঘ

*লুইত পাৰৰ ডেকা ল'ৰা      ক'তেইবা হেৰাই গ'লা*
*মচা গ'ল সৌমাৰৰ ৰং সেউজীয়া*
*জাক জাক বিদেশীয়ে      লুটিছে অসম আজি*
*'যা, বুলি ক'বলৈ কোনো নাইকিয়া ।*

*- ড° মহাদেৱ।*

বিগত বছৰটোত আমাৰ মাজৰপৰা হেৰাই যোৱা
সাহিত্যৰ মেটমৰা সম্ভাৰেৰে বিশ্ব দৰবাৰত
'অসমীয়া'ক পৰিচয় কৰাই দিয়া, পদ্মশ্ৰী ভূষিত
কথাশিল্পী - মালিক চাৰ,

'ভাবাঘৰ'ৰ গৱাকী, 'আজিৰ মানুহ'ৰ প্ৰতিনিধি
হিতেশ ডেকা,

মানুহৰ 'ঠিকনা' বিচাৰি ফুৰা চিৰতৰুণ
লক্ষ্যধৰ চৌধুৰী,
সাহিত্য নৌকাখনিৰ কাণ্ডাৰী উপেন গোস্বামী,
বিনেশ্বৰ ব্ৰহ্ম, মোহিনী বসুমতাৰী,
মহাবিদ্যালয়ৰ ছাত্ৰ ভূপেন বড়া
হত্যা-হিংসা-বৰ্বৰতাৰ বলি হোৱা অনেকজন নিৰীহ -

ইয়াৰ লগতে জ্ঞাত অজ্ঞাত সেইসকল পুণ্যাত্মাৰ
পবিত্ৰ সোঁৱৰণত শতিকাৰ প্ৰত্যুষত এয়া হেমচন্দ্ৰ দেৱগোস্বামী
মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অঞ্জলি -

*- সম্পাদিকা*

## শ্ৰীশ্ৰীগোবিন্দঃ

*শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী*
আউনীআটীয় সত্ৰাধিকাৰ
পোঃ আউনীআটী সত্ৰ,
মাজুলী, যোৰহাট
পিনঃ ৭৮৫১০৬
ফোনঃ ৭৩৪৫০

পত্ৰাংক ঃ ২৩১
দিনাংক ঃ১৫।১০।২০০০



## শুভেচ্ছাবাণী

১৯৯৯ ২০০০ চনৰ বাবে নিতাইপুখুৰী 'হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়'ৰ তৰ্ক, সাহিত্য, আলোচনী সম্পাদিকা শ্ৰীমতী জোনমণি সোণোৱাল হাজৰিকাৰ যোগে এই মহাবিদ্যালয়ৰ চতুৰ্দ্দশ সংখ্যা আলোচনীখনি প্ৰকাশ কৰিবলৈ যো-জা কৰা জানি সন্তোষ পোৱা হৈছে । এই আলোচনীৰ মাধ্যমেৰে ন-পুৰণি লেখক-লেখিকাসকলৰ সৎ লেখনিয়ে যাতে ৰৌদ্ৰস্নাত হোৱা নৱ-প্ৰজন্মৰ সমাজখনত আদৰ্শ ৰচনা কৰিবলৈ সক্ষম হয়, এই কামনাৰে শ্ৰীশ্ৰীমহাপ্ৰভুৰ চৰণত প্ৰাৰ্থনা জনোৱা হৈছে । ইতি-

(শ্ৰীশ্ৰীআউনীআটীয় গোস্বামী)

১৫।১০।২০০০

নগেন শইকীয়া

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা প্ৰাধ্যাপক
ডিব্ৰুগড় বিশ্ববিদ্যালয়,অসম

শুভেচ্ছা-সন্দেশ

নিতাই পুখুৰীৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ চলিত বৰ্ষৰ বছৰেকীয়া আলোচনী-খনি প্ৰকাশৰ আয়োজন হৈছে বুলি জানিব পাৰি আনন্দিত হৈছোঁ। আমাৰ বিদ্যালয়-মহাবিদ্যালয়ৰ এনে মুখপত্ৰসমূহে চিন্তাশীল আৰু সৃষ্টিশীল কৰ্মৰ বাবে বৌদ্ধিক ভেঁটি নিৰ্মাণত আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। একবিংশ শতিকাৰ উপকণ্ঠত আমাৰ মানসিক আৰু বৌদ্ধিক ভেঁটি সবলত আৰু আমাৰ সমাজে একবিংশ শতিকাত উন্নত হ'ব সমৰ্থ শক্তিশালী কৰি তোলাত এনে আলোচনীসমূহৰ অৱদান হ'ব লাগিব যথোপযোগী। মই আশা কৰিছোঁ নিতাই পুখুৰীৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনীৰ যোগে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী-সকলে সেই দায়িত্ব পালন কৰিবলৈ সমৰ্থ হ'ব। মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ইতি

নগেন শইকীয়া
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা

৪ অক্টোবৰ ২০০০



# সম্পাদকীয়

সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ লৈ ভাবিছোঁ - কি লিখো !

সম্প্ৰতি দেশৰ সৰ্বত্ৰতে বিৰাজ কৰিছে এক চূড়ান্ত কলুষিত পৰিবেশ । অশান্তি আৰু অনৈক্যৰ বিপৰীতে শান্তি আৰু সম্প্ৰীতিৰ এনাজৰীৰে কিদৰে সমৃদ্ধিশালী সমাজ সংগঠনৰ হোতা হিচাপে নতুন প্ৰজন্মক জাতীয় ঐতিহ্য-পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল আৰু মানৱীয় নৈতিক মূল্যবোধ সম্পন্ন কৰি তুলিব পৰা যাব - এই প্ৰশ্নই আজি জাতীয় জীৱনৰ বাবে প্ৰধান সমস্যা হৈ পৰিছে।

বিশ্বত আজি বিজ্ঞানৰ চূড়ান্ত অগ্ৰগতি শিক্ষাৰ ব্যাপক প্ৰচাৰ-প্ৰসাৰ ঘটা সত্বেও আমাৰ জাতীয় জীৱনৰ বিশেষ উন্নতি হৈছে বুলি ক'ব নোৱাৰি । কিয়নো আমাৰ সমাজ ব্যৱস্থাত এতিয়াও অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিষবাষ্প বিয়পি আছে । আনহাতে শিক্ষাই সামগ্ৰিকভাৱে আমাক সু-স্বাস্থ্য, সু-চিন্তাৰে কৰ্মমুখী কৰি তুলিব পৰা নাই । ইও জাতীয় জীৱনৰ আন এক নেতিবাচক দিশ । মহান ঐতিহ্যৰে বিমণ্ডিত বৃহৎ অসমীয়া জাতি আজি ভাগি থানবান হৈ যোৱাৰ উপক্ৰম হৈছে । ইয়াৰ কাৰণ কি ? ইয়াৰ মূলত নিশ্চয় কিছুমান স্বাৰ্থান্বি লোকৰ কু -অভিসন্ধি। এনে পৰিস্থিতিত অসমৰ নতুন প্ৰজন্মই ব্যক্তিস্বাৰ্থ আঁতৰাই থৈ বৈজ্ঞানিক দৃষ্টিভংগীৰে জাতি গঠনৰ ইতিহাসলৈ লক্ষ্য কৰি কৰ্মমুখী আঁচনিৰে সু-বৃহৎ অসমীয়া সমাজৰ ভেঁটি পুনৰ্নিৰ্মাণৰ কামত অগ্ৰসৰ হ'ব পাৰিব লাগিব; তেতিয়াহে দেশ তথা জাতীয় জীৱনত প্ৰাণৰ স্পন্দন শাশ্বত হ'ব । অসমৰ বৌদ্ধিক মহলেও নিস্বাৰ্থভাৱে অবিহণা যোগাবলৈ আগবাঢ়ি আহিব লাগিব ।

বৃহৎ অসমীয়া সমাজৰ ভেঁটিত গৰাখহনীয়া আৰম্ভ হোৱাৰ লগে লগে আমাৰ নৈতিক জীৱনলৈও স্খলন আহি পৰিছে । ৰাগিয়াল দ্ৰব্যই আজি যুৱ সমাজক বিপথগামী কৰি তোলা পৰিলক্ষিত হৈছে । আমি আচলতে ধৰ্মীয় তথা আধ্যাত্মিক জীৱনৰপৰা পদস্খলিত হৈছোঁ । বাস্তৱিকতে আমি মহা মহা পুৰুষৰ মহামূল্যবান বাণীৰে জীৱন সুশৃংখলিত কৰি সৎপথে গতি কৰিব পৰা নাই । কোনোবা কাহানিবাই আমাৰ জাতীয় গুৰু মহাপুৰুষ শংকৰদেৱে কীৰ্তন ঘোষাত কৈছে যে-

"সুৰাপায়ী চাতুকাৰ চাণ্ডাল ।
নিষ্ঠুৰ বাক্য বোলে সৰ্বকাল ।।" (নামাপৰাধ)

আমি এনে মহামূল্যবান বাণী জীৱনত সাৰোগত কৰি নৈতিক মূল্যবোধৰ অৱক্ষয় ৰোধ কৰিব পাৰিব লাগিব । তেতিয়াহে আমি এক সাংস্কৃতিক জীৱনৰ অধিকাৰী হ'ব পাৰিম। সংস্কৃতিয়েহে দৰাচলতে এটা জাতিক বিশ্ব-দৰবাৰত প্ৰতিষ্ঠা কৰি জাতি হিচাপে চিনাকি দিব পাৰে ।

জাতি এটাই সামগ্ৰিকভাৱে উন্নতিৰ পথত আগবাঢ়ি যাবলৈ হ'লে, সেই জাতিবিশেষৰ পুৰুষ আৰু মহিলা উভয়ে সমাহাৰত শিক্ষিত হৈ উঠিব লাগিব । এই ক্ষেত্ৰত আমাৰ দেশৰ নাৰীসমাজে পুৰুষৰ সমানে সমানে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব। ধৰ্মান্ধতা আৰু কু-সংস্কাৰৰ তিমিৰ ফালি আমাৰ নাৰীসমাজে হাতত শিক্ষাৰ জোৰ লৈ আগবাঢ়ি আহিলেহে দেশে প্ৰগতিৰ পথত বাট বুলিবলৈ সক্ষম হ'ব । জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল "এগৰাকী নাৰীক শিক্ষিত কৰি তোলামানে এটা পৰিয়ালক শিক্ষা দিয়া ।" সেয়ে আহক আমি গান্ধীজীৰ বাণীকে সাৰোগত কৰি নাৰী সমাজক সু-শিক্ষাৰে শিক্ষিত কৰি তুলি ভৱিষ্যতৰ প্ৰজন্মৰ বাবে জ্ঞান-গৰিমাৰে ভৰা এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়ি তোলোঁ। শান্তি-সম্প্ৰীতি, ভাষা-সংস্কৃতিৰে ভৰা এক সমৃদ্ধিশালী জাতি হিচাপে বিশ্ব-দৰবাৰত নিজকে চিনাকি দিওঁ।

**আমাৰ শ্ৰদ্ধাঞ্জলি :**

মানুহ মৰণশীল ; সকলো মানুহৰ মৃত্যুৱে সকলোকে কন্দুৱাব নোৱাৰে । কিন্তু এনে কিছুমান ব্যক্তি আছে যাৰ মৃত্যুৱে সকলোকে কন্দুৱাই থৈ যায় । এই বছৰতে অসমী আইৰ বুকুৰপৰা কেইবাজনো সুযোগ্য সন্তানক নিয়তিয়ে হৰি নিলে । তাৰ ভিতৰত অসম বিধান সভাৰ সদস্য 'মুহিনী বসুমতাৰী', বড়ো সাহিত্য সভাৰ সভাপতি 'বিনেশ্বৰ ব্ৰহ্ম', লব্ধ প্ৰতিষ্ঠ সু-সাহিত্যিক স্বনাম ধন্য ব্যক্তি 'লক্ষ্যধৰ চৌধুৰী', জনপ্ৰিয় উপন্যাসিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি 'হিতেশ ডেকা' আৰু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ 'ভূপেন বড়া' । এই সকলৰ মৃত্যুত আমি অত্যন্ত শোকাভিভূত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ ।

**আলোচনীৰ সম্পৰ্কে :**

মহাবিদ্যালয় এখনত আলোচনী এখনৰ প্ৰয়োজনীয়তা কিমান তাক বহলাই কোৱা নিষ্প্ৰয়োজন। সাহিত্য যিহেতু সমাজৰ দাপোণ, সেয়ে মহাবিদ্যালয়ৰ আলোচনী এখনো মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ। ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু অভিজ্ঞতা নিৰ্ণিত হয় মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে । সতীৰ্থৰ নেবানেপেৰাত এনে এটি গুৰু দায়িত্বসম্পন্ন বিভাগৰ সম্পাদিকা হ'ব লগা হ'ল । সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰিবলৈ যিমান সহজ , সেই দায়িত্ব সুচাৰুৰূপে পালন কৰি চাৰিওফালৰে পৰা এখন সৰ্বাংগসুন্দৰ আলোচনী সম্পাদনা কৰি উলিওৱাটোও সিমানেই জটিল হৈ পৰে । মৌলিক প্ৰবন্ধ পাতিয়েহে আলোচনীৰ মানদণ্ড উন্নত কৰে; কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকলক লিখিতভাৱে আবেদন-নিবেদন কৰাৰ পিছতো উপযুক্ত প্ৰবন্ধ-পাতি সংগ্ৰহ কৰিবপৰা নগ'ল । সীমিত পুঁজিৰ বাবেও মনপুতঃ ভাৱে আলোচনীখন প্ৰকাশ কৰিব পৰা নগ'ল । অন্যান্য অসুবিধা বশতঃ সময়ৰ শব সময়ত মাৰিব পৰা নগ'ল । সেয়েহে আলোচনীখন নিৰ্দিষ্ট সময়তকৈ বহু পলমকৈহে পোহৰৰ মাজলৈ আহিল । ছাত্ৰ-ছাত্ৰীসকল সামান্য উপকৃত হ'লেও কষ্ট সাৰ্থক হোৱা বুলি ভাবিম ।

**কাৰ্যকালৰ এক চমু খতিয়ানঃ**

বছৰটোৰ আৰম্ভণীতে কাৰ্যক্ৰম অনুসৰি হাতত তুলি লওঁ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ চলাই নিয়াৰ দায়িত্ব । দ্বিতীয় কাৰ্যক্ৰম হিচাপে মহাবিদ্যালয়ৰ তৰফৰপৰা এটা দলে ২৩/১/২০০০ তাৰিখে নেতাজী সুভাষ চন্দ্ৰ বসু জন্ম জয়ন্তী উপলক্ষে ডিমৌ ব্লক কংগ্ৰেছৰ সৌজন্যত অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম আৰু তৃতীয় স্থান লাভ কৰে । ইয়াৰ পাছত ১২/৮/২০০০ তাৰিখে মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি প্ৰাচীৰ পত্ৰিকা 'উত্তৰণ'ৰ ক্ৰমাগত সংখ্যা উলিওৱা হয় । শেষত ৩ চেপ্তেম্বৰ, ২০০০ তাৰিখে ডিমৌ হেগুৱল ক্লাবে আয়োজন কৰা অভিৰুচি দিৱসৰ কুইজ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰসকলক যোগদান কৰিবলৈ সুবিধা দিয়া হয়।

**কৃতজ্ঞতা স্বীকাৰ :**

যিসকল বন্ধু-বান্ধৱীয়ে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকাৰ দায়িত্ব পালনেৰে ছাত্ৰ-ছাত্ৰীৰ সেৱাকাৰ্য্যত আত্মনিয়োগ কৰিবলৈ সুবিধা দিলে, যিসকলে আলোচনীৰ কাৰণে বিভিন্ন প্ৰবন্ধ-পাতি দি সহায় কৰিলে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

আলোচনীখন প্ৰকাশ কৰিবলৈ অনুমতি দিয়াৰ বাবে অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়া চাৰক কৃতজ্ঞতা জনাইছোঁ । উপদেষ্টা অধ্যাপক শ্ৰীযুত দেবেশ্বৰ চাংমাই, শ্ৰীযুত সুধীৰ কুমাৰ দাস, শ্ৰীযুতা গিতালী শইকীয়া, ক্ষীৰপ্ৰভা গগৈ লাহন আদি শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ ।

আলোচনীখনৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায়-সহযোগ আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি শ্ৰীযুত নোমল চন্দ্ৰ কোঁৱৰ চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। বিভিন্ন লিখনিসমূহত চকু ফুৰাই দিয়াৰ বাবে অধ্যাপিকা শ্ৰীযুতা ভদ্ৰাৱতী গগৈ বাইদেউ, শ্ৰীযুতা মানসী গগৈ বাইদেউ, শ্ৰীযুত দিগন্ত গগৈ চাৰ, শ্ৰীতৰুণ গগৈ চাৰ, শ্ৰীযুত অৰুণ গোহাঁই চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ ।

বিভিন্ন দিশত মোক সহায় সহযোগ কৰা বান্ধৱী - সুৰভী, ৰীণা, ধৰিত্ৰী, পূৰবী, নমিতা, মমীৰা, অজন্তাৰা, বন্ধু - একলব্য, লবকান্ত, ৰতন, দেবেন, বিটুল, ৰুবুল, মনোজ, চহিদুৰ, বিজিত, বিপ্লৱ, অমলদা, ৰাজীৱদা, উৎপলদা, বিটুদা, বিবেকদা, ভাইটী - মৃদুপৱন, যুগল, অজয়, ভণ্টী - জিমি, চাৰু, সীমা, কৰবী, সংগীতা আৰু কুঞ্জ লৈ মোৰ স্নেহভৰা ধন্যবাদ থাকিল।

আমাৰ সীমিত জ্ঞানেৰে, বুদ্ধিৰে এই সংখ্যাৰ আলোচনীখনৰ কিছু নতুনত্ব আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ, সেইখিনি কিমানদূৰ সফল হৈছে সেয়া নিৰ্ভৰ কৰিব পঢ়ুৱৈ সমাজৰ ওপৰত। তথাপিও আমাৰ অগোচৰত হাতত পৰি আলোচনীখন সুহৃদয় পাঠকবৃন্দৰ মাজলৈ ওলাই যাওঁতে যদি আমাৰ অলক্ষিতে হয়তো ভুল থাকি গৈছে তাৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়খনৰ গৌৰৱ যাতে আলোচনীৰ জৰিয়তে অক্ষুন্ন ৰাখিব পাৰে তাৰ বাবে ভৱিষ্যত কৰ্মকৰ্তাসকলৰ প্ৰতি অনুৰোধ জনাইছোঁ ।

।। জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ।।

ধন্যবাদেৰে -
শ্ৰীমতী জোনমণি সোণোৱাল হাজৰিকা
সম্পাদিকা
১৯৯৯-২০০০ বৰ্ষ






যুগৰ নতুন দিগন্তত নতুনত্বৰ লগত খোজ মিলাই
মহাবিদ্যালয়খনক চিৰ নতুন সাজেৰে সজোৱাত
সংকল্পবদ্ধ, অফুৰন্ত কৰ্মশক্তিৰ নৱ-নিযুক্ত
অধ্যক্ষ লোহিত কুমাৰ শইকীয়া



মহাবিদ্যালয়ৰ এক সম্বৰ্দ্ধনা অনুষ্ঠানত অধ্যক্ষ লোহিত কুমাৰ শইকীয়া ।



অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ভদ্ৰাৱতী গগৈয়ে অভিনন্দন জনোৱাৰ এক দৃশ্য ।



বছৰেকীয়া ক্ৰীড়া সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত ভাষণৰত অৱস্থাত অধ্যক্ষ লোহিত কুমাৰ শইকীয়া ।





মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ ।



কৃতী ছাত্ৰ সুৰুয বড়াক সম্বৰ্দ্ধনা জনাইছে শিক্ষা বিভাগৰ দীপালি গগৈয়ে । কাষত প্ৰবক্তা নোমল কোঁৱৰ



সাধাৰণ সম্পাদক চহিদুৰ ৰহমানে সুৰুয বড়াক অভিনন্দন জনাইছে ।



প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানলৈকে নিষ্ঠা সহকাৰে সেৱা আগবঢ়াই অহা মহাবিদ্যালয়ৰ ইতিহাসৰ বিভিন্ন 'জোৱাৰ-ভাটা'ৰ চাক্ষুস সাক্ষী প্ৰচাৰ বিমুখ মুখ্য সহায়ক কান্তনাথ বৰা



মহাবিদ্যালয়ৰ দৈনন্দিন প্ৰশাসনীয় দিশত নিষ্ঠাৰে সেৱা আগবঢ়াই অহা কাৰ্যালয় সহকাৰী বাওঁফালৰ পৰা - তোলন চাংমাই, তৰুণ চেতিয়া আৰু যাদৱ গগৈ ।



বয়সে হাৰ মনাব নোৱৰা 'চিৰতৰুণ' সদাহাস্যময় ৰূপত একনিষ্ঠ সেৱা আগবঢ়াই অহা মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ফুলেশ্বৰ বকৰা ।



## ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



মঃ চহিদুৰ ৰহমান
সাধাৰণ সম্পাদক



শ্ৰীপংকজ বৰা
উপ-সভাপতি



শ্ৰীবিতুল ভৰলুৱা
সহঃ সাধাৰণ সম্পাদক



শ্ৰীলোহিত বড়া
ক্ৰীড়া বিভাগৰ সম্পাদক



শ্ৰীজোনমণি সোণোৱাল হাজৰিকা
তৰ্ক, সাহিত্য, আলোচনী সম্পাদিকা



শ্ৰীবিজিত বৰা
সংগীত আৰু সাংস্কৃতিক সম্পাদক



শ্ৰীধৰিত্ৰী কছাৰী
ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা



শ্ৰীৰুবুল গগৈ
সমাজ সেৱা বিভাগৰ সম্পাদক



শ্ৰীমনোৰঞ্জন বুঢ়াগোহাঁই
ছাত্ৰ জিৰণি চ'ৰা সম্পাদক

## ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



শ্ৰীদেৱেন বড়া
সদস্য,
আলোচনী বিভাগ



শ্ৰীদিব্যপ্ৰভা গগৈ
সদস্যা
আলোচনী বিভাগ



শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই
সদস্য
আলোচনী বিভাগ



শ্ৰীপ্ৰণৱ দত্ত
খেল বিভাগ

## আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ



শ্ৰীমতী তুলমণি কোৱঁৰ
শ্ৰেষ্ঠ গায়িকা



শ্ৰীললিত বড়া
শ্ৰেষ্ঠ সমাজ সেৱক
স্নাতক ১ ম বৰ্ষ



শ্ৰীএকলব্য বৰগোহাঁই
শ্ৰেষ্ঠ সমাজসেৱক



**অধ্যক্ষৰ কলমৰপৰা**

# অৰ্থনীতিৰ মিতব্যয়ী সূঁতিয়েদি আত্মোপলব্ধিৰ ৰ'দ কাঁচলিলৈ

মহাবিদ্যালয়ৰ আলোচনীখনৰ বাবে উপদেষ্টাৰ দায়িত্বত থকা প্ৰবক্তা গীতালি শইকীয়া আৰু শিবৰঞ্জন শৰ্মাই আজি তিনিমাহমানৰ আগৰেপৰা 'চাৰ, আপুনি বহুতদিন লিখা-মেলা কৰা নাই, এইবাৰ আলোচনীখনলৈ কিবা এটা দিবই লাগিব, দিয়ক 'বুলি বহুবাৰ আওঁৰালে। প্ৰথমতে 'মইনো কি দিম, সময়ো নোপোৱা হ'লো, বাকীসকলৰপৰা গোটোৱাচোন, মই বাৰু পাছত চিন্তা কৰি চাম' এনেকৈয়ে পিছলাই থৈছিলো। কিন্তু শেষলৈকে নোৱাৰিলো। ডিচেম্বৰৰ কোনোবা এটা তাৰিখত আহি ক'লেহি --'চাৰ, মেগাজিনৰ সকলো কাম প্ৰায় হৈ গৈছে, আপোনাৰ লেখাটোৰ কাৰণেহে ৰৈ আছো, আজিৰ ভিতৰতে কিবা এটা দিয়ক'। উপায় একো নেদেখিলো। বিমুখ কৰিবলৈও বেয়া লাগিল। কলেজৰপৰা আহি সন্ধ্যা সময়ত কিবা এটা লিখো বুলি বহিলো। কিন্তু লিখিমনো কি' আগতেও ভাবি চাবলৈ নহ'ল। শেষত নিজৰ বিষয় বাবে অৰ্থনীতিৰে এটা topic বাছি ললো 'Can the study of Economics make a man economic-- ?' লেখাটো আৰম্ভ কৰিলো এইদৰেই -'Economics is a science of wealth' --The definition was given by Adam Smith, the father of Economics. It is right that for the common people, wealth stands for money, godds, land, property and such things. So immediatly after the publication of his famaus book 'An Enquiry into the nature and causes of wealth of Economics', he was vehemently eritieised by those who miserably failed to follow his thoughts and ideas. some termed it as 'the science that thought selfisness and love of money'. While to some others it was simply 'dack science', particularly it was simple 'dack science' particularly it was carlyle, Ruskin and Mathew Arnold who argued that - if Ecomomics deals only with wealth, then it would be the 'gosral of Mamman' Scinicarly it would be meaningless to make a try to learn economics excent the siers of society. But Adam Smith rever did use the tern 'wealth' in such a light meaning. It is a well known fact thet wealth can fulfill all material requisites, yet material wants can be fulfilled only through wealth.

It was Alfred Marshall, who, after a long intermission appeared in the scene and shifted the value of Economics from dark sea of criticism to a sun shine. He defined -- 'Economics is the study of mankined in the ordinary business of life, it examines that part of an indivedual and social action which is most closely conncted with the attainment and with the use of the material requisitis of well-being'. In his famous essay - 'Principles of Economics', Marshall opines that Economics is 'on one side a study of wealth and on the other and more unportant side, a part of the study of man'. Thus he quoted the same term 'wealth', but with the technic of using few new words --' a part of the study of man'. But Marshall was also sterply criticised, as Economics deals only with the economic aspects of human being, which means earning and spending of money, so it also failed to assemble unanimous acceptance. His definatain was named as 'welfare definition', thought it was not a fally welfare definition.

Besides Marshall, so many writers as well as economists have penned down their views on welfare Economics. It is right that 'welfare' as a whole can't be obtained only through money though it can hepls in achieving material welfare. Henu, Mershall was also criticised.

In the year 1932, prof. L. Robbins did publish his famous book. 'An Essay on the nature and significance of Economic Science' Here he difined -- Economics is a seience which studies human behaviour as

a relationship between ends and scarce means, having alternative uses.' Robbins cleariffed the whole picture of economics very cautiously and adequately. But he also ignored one vital point-i.c Growth. In the material world of today, Economics is enevitably dealing with 'wealth', 'welfare', 'scarcity' and 'growth'. It is right but Economics should be 'dynamic'. growth cannot be 'static'. It is but a dynamic problem which must be handled with the study & Economics.

It was in the year 1964 that famous modern economist prof. Samuelson came forward with his book 'Economics'. Here he gave cognizance of the dynamic Economic problems of the society. According to his definition ' Economics is the study of how men and society choose, with or without the use of money, to enjoy scarce productive resources which could have alternative uses to produce various commodities over time and distribute them for cousumption now and in the future among various people and groups of socicty.'

There are some similarities between the definitions made by Robbins and Samuelson, yet the definition of the latter could well be ascertained as more reliable one, as it covers almost all the necessary points. So this definition is being widely regarded as more suitable and acceptable.

Now, let me come to my point, i. c can study of economics make a man economic -? 'Yes' or 'No' whatever the answer may be to one, to me it is simply 'no', means, the study of economics can never make a man economic.

Let me penetrale into the matter with a deep look. See, I have been studying Economics scince 1965, though not at the same level. I read the family budget where I have learned 'cut your coat according to your cloth' and one should go on spending as much as he earns. etc. But it is not easy, rather impossible for middle class people to follow these theories in practical life. We always are bound by some financial limitation and social status. Of course it is very easy to advice others how to proced in one's daily life. In fact, it should be that before going to advice others, we should rectify ourselves.

It is generally said that one's expenditure haves the way for some other's income. Now, if we go through the dynamic problem ie. growth related definition given by Prof. Samuelson we should also agree that if one spends then someone would have income. Again it is also right that 'saving creats capital'. So the importance of saving is that it increases production in future. I think all should be agreed with this point, But, if saving makes one's family to remain abstained from consuming the daily needs it should never be acceptable. Being a member of today's society, we should think about and look for the future.

Now, there may arise a question what is meant by fature ? Is it that the term future covers a particular period of time ? All I could say is that the prevaiting putrid environment has even changed the very meaning of future. The easy money culture, money gauged status symbol, call of glmnour, deep rooted gun culture all have ultimetely put us in an atmosphere were there is no security of one's life and property. Love, kindness, generosity mildness all these noble qualities have been vanished from the society. Here the lession before us is that primarily we should think for the present, then you can go for the next.

হঠাতে খেয়াল হ'ল —আৰম্ভ কৰিছিলো বেলেগ এটা বিষয়েৰে, আওঁবাটে আহি ক'ৰবাতহে ওলাইছোহি। বিষয়বস্তুলৈ পুনৰ ঘূৰি যাওঁ বুলি ভাবোতেই বাহিৰত কোনোবা এজনে মাত দিলেহি —'চাৰ আছে নেকি?' 'আছো, আহক, ইয়ালৈকে সোমাই আহক' কে শেষ কৰিবলৈ নাপালোৱেই, আগন্তুক আহি মোৰ সন্মুখত দণ্ডায়মান হ'লহি। লিখাখিনি সামৰি থওঁ বুলি ভাবিছিলো, সময়েই নাপালো। কি কৰো কি নকৰো বুলি শেষত তেনেকৈয়ে থৈ দিলো।

'আপুনি চাৰ তেনেহলে লিখা-মেলাও কৰে নেকি?' ক'বৰ মন গৈছিল —ছদ্মনামতে লিখি থাকো বুলি। (কেইবাজনেও তেনেকৈয়ে কৈ গৌৰৱ বঢ়াইছে বুলি শুনিছো) কিন্তু নক'লো —'নাই হেৰা, পঢ়াৰ লগতে লিখাটোও শিকিছিলো নহয়। বানান চানান ভুল হলে লিখিব পাৰো বাক্য দুই এটা। কিন্তু লিখক মই কেতিয়াও নহয় আৰু নোৱাৰোও হ'ব।

'নাই হ'ব চাৰ, আপোনাক আমনি নকৰো, লিখক আপুনি, আন এটা কথাৰ বাবেহে আহিছিলো, সিদিনা টিকত এটা দি থৈ গৈছিলো, তাৰে পইচাকেইটা নিওঁ বুলিহে আহিছিলো। আজি নালাগে বাৰু, বেলেগ এদিন আহিম।' লৰালৰিকৈ গুছি গ'লগৈ তেওঁ' । তেওঁৰ চিনাকিটো এতিয়া বাৰু নিদিওঁ।

লিখাৰ উদ্যম শেষ। সকলো খেলি-মেলি লগাই থৈ গ'ল মানুহজনে। কিহৰ টিকেট, কিমান পইচা দিব লাগিব একো নাজানো। মোৰ মন নগলেও যি কামৰ বাবে টিকেটটো দিছে মই গ্ৰহন কৰিবই লাগিবনেকি? এই মূহুৰ্ত্তত নিজকে বাছত বহি যোৱা যাত্ৰী এজনৰ দৰেই লাগিল। যাত্ৰীৰ ইচ্ছা থাকক বা নাথাকক, ড্ৰাইভাৰে ইচ্ছামতে উদ্ধস্তৰত বজোৱা কেছেটটোৰ গীত শুনিবই লাগিব। এই ক্ষেত্ৰতো বিষয়টো ঠিক তেনেকুৱাই হৈছেগৈ। আৰ্থিক সক্ষমতা মোৰ যেনেকুৱাই নহওক, লোক চক্ষুত এজন ডাঙৰ মানুহ। গতিকে অনুৰোধ ৰক্ষা কৰিবই লাগিব, যেনেকৈয়ে নহওক, সহায় কৰিবই লাগিব। এনেকৈয়ে চলি আছো মই-আপুনি আৰু বহুতেই আৰু চলি থাকিব লাগিব জীয়াই থকা শেষ দিনটোলৈকে। কাৰণ মই খৰছ কৰিলেহে সেইজনৰ আয় হ'ব। আয় হলেহে সেইজন চলিব পাৰিব। সঁচা কথা তেৰো খৰছ কৰিব লাগিব, তেতিয়াহে তেওঁ চলিব পাৰিব। অৱশ্যে 'চলিব পাৰিব'ৰ অৰ্থ ইয়াত পৰিয়াল ভৰণ-পোষণ দিয়াৰ কথা কোৱা হোৱা নাই। আগতকৈ কিছু উন্নত ধৰণেৰে চলাৰ কথাহে কৈছো। আগতে যদি খোজ কাঢ়ি ঘুৰিছিল, মই বা মোৰদৰে কেইজনমানে এইদৰে খৰছা কৰিলে, তাৰে নিজৰ নহলেও আনৰ দুচকীয়া এখনত ইন্ধনকন ভৰাই আমাৰ আগেদিয়েই চলিব পাৰিব অৰ্থাৎ চলাব পাৰিব। এইদৰেই চলি আছে আজিৰ পৃথিৱীখন (আজিকালি ঘুৰিছে বুলি নকয় কোনেও) গতিকে আমিও চলিব লাগিব আৰু যেনেকৈয়ে যিমানখিনি পাৰো চলাই থাকিব লাগিব।) নহলে আগতে কোৱা ভৱিষ্যতৰ হিচাবটো বছৰৰ সমষ্টিত নপৰিবগৈ, এই মুহূৰ্ত্তৰ পিছৰ চেকেণ্ডটোতেই ভৱিষ্যতৰ ইতিৰেখা পৰিব পাৰে।

ভাতৃ প্ৰতীম ল'ৰাটোৰ অৰ্থাৎ উপদেষ্টাৰ নিজৰ কথাষাৰ ৰাখিয়ে সামৰণি মৰাৰ আগতেই বাৰুকৈয়ে যট লাগিল লিখনিত। উপদেষ্টাই মোক সেই বিশেষ লেখাটোৰে (ফাকিত ঘুৰিছে ভূমণ্ডল, আজিৰ বাতৰি, চেপ্তেম্বৰ '৯৭) এজন বুলি ধৰিব পাৰে, এই ভাবিয়েই আধা লিখাকৈয়ে আগবঢ়াবলৈ লৈছো।

উপায় নাই —লেখাটোত অসমীয়া, ইংৰাজী দুয়োটাই খিচিৰি হ'ল—ঠিক আমাৰ জাতিটোৰ দৰে। বাটকুৰি বাই অহা জীৱনৰ পথছোৱাত যথেষ্টখিনি পঢ়িলো, লিখিলোও বহুত —কিন্তু এতিয়া এনে ভাব হয় সঁচাকৈয়ে লিখিলো আৰু পঢ়িলোহে, কিন্তু একো শিকিবলৈ নহ'ল। অৱকাশেই নাপালো। নিজৰ ওপৰতে ধিক্কাৰ জন্মে বাৰুকৈয়ে। সেয়ে নিজৰ ল'ৰা-ছোৱালীৰ লগতে আনকো কও —ছাত্ৰ-ছাত্ৰীসকলকো কৈছো —অকল লিখা-পঢ়া কৰিলেই সকলো কৰা নহ'ব—শিকিব লাগিব। বহুত শিকিব লাগিব। মৃত্যু পৰ্য্যন্ত মানুহৰ শিকা সঁচাকৈয়ে শেষ নহয়। দাৰ্শনিক Holbrook Jackson এ কোৱাৰ দৰেই – 'The end of reading is not more books but more life' এই আপ্তবাক্যক মানিচলা উচিত। ছাত্ৰ হিচাবে আনুষ্ঠানিকভাৱে ১৮ টা বছৰ লিখি-পঢ়ি শেষ কৰিলোঁ, তথাপিও কিন্তু শেষ নহল। এতিয়ালৈকে শিকিয়ে থাকিব লগা হৈছে। শিকাৰ এই অনন্ত যাত্ৰাৰ জানো কোনোবা দিনা শেষ হ'ব পাৰে?

শেষত ছাত্ৰ-ছাত্ৰীসকলক আকৌ এবাৰ কৈছো —নিজৰ জীৱনৰ এটা সু-নিৰ্দিষ্ট লক্ষ্য থকাটো অতি প্ৰয়োজন। লক্ষ্যত উপনীত হ'বৰ কাৰণে লাগিব যত্ন। যত্ন কৰিলেই নহ'ব ইয়াৰ প্ৰক্ৰিয়া জানিব লাগিব। মনত ৰখা ভাল —লক্ষ্যত যদি সততা থাকে, প্ৰচেষ্টাত যদি নিষ্ঠতা থাকে, এনে শক্তি পৃথিৱীত নাই, যি সেইজনক কক্ষ্যচ্যুত কৰিব পাৰে। এই নিৰ্মোহ সত্য সন্মুখত ৰাখি আগবাঢ়িলে সত্য ওচৰ চাপি আহিব।

শেষত ক'বলৈ বাধ্য হৈছো – মই কৰা Economics ৰ Study এ মোক economic কৰিব নোৱাৰিলে তাৰ প্ৰমাণ এই অপ্ৰয়োজনীয় দীঘলীয়া লিখনিটোৱেই নহয় জানো?

শুভেচ্ছাৰে

**লোহিত কুমাৰ শইকীয়া**

প্ৰবন্ধ

# অসম কেশৰী ৰায়চৌধুৰীঃ জীৱন আৰু ব্যক্তিত্বত এভুমুকি

❑ অধ্যাপিকা ক্ষীৰপ্ৰভা গগৈ লাহন
অসমীয়া বিভাগ

**১.১ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু ব্যক্তিত্ব ঃ**

**জন্ম ঃ** ১৮৮৫ চনত কৃষ্ণৰাম ৰায়চৌধুৰী আৰু দৈৱকী দেৱীৰ ঔৰসত অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম হয়। তেওঁৰ পূৰ্বপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জগতানন্দ বা ৰামৰায়ৰ বংশধৰ। তেওঁৰ পূৰ্বৰ নাম অম্বিকাচৰণ হে আছিল। ঐতিহ্যসম্পন্ন পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ বাবেই (শংকৰদেৱৰ ডেকাগিৰী নামৰ আদৰ্শত) নাম ৰাখিছিল 'অম্বিকাগিৰী।'

**শৈশৱকাল আৰু বংশ পৰিচয় ঃ** অম্বিকাগিৰী ৰায়চৌধুৰীৰ শৈশৱৰ দিনবোৰ আছিল বিভিন্ন অভিজ্ঞতাৰে ভৰপূৰ। তেখেতৰ পৰিয়াল আছিল দুটি ল'ৰা আৰু দুটি ছোৱালীৰে আনন্দমুখৰ। তেখেতৰ ককাইদেউ গিৰীশ ৰায়চৌধুৰী আছিল একেধাৰে শিক্ষাবিদ, সংগীতজ্ঞ আৰু সকলো ক্ষেত্ৰতে এজন আদৰ্শলোক। এই প্ৰভাঁৱ অম্বিকাগিৰীৰ ওপৰতো পৰিছিল। তেখেতৰ মাতৃ দৈৱকী দেৱী সুন্দৰীদিয়া সত্ৰৰ জীয়াৰী গীত-মাত, বৰগীত-ভটিমা আৰু নাম-গুণত পাকৈত আছিল। মাতৃদেৱীৰ মুখৰ পৰা গীত-মাত শুনি অম্বিকাগিৰী গীত-পদৰ প্ৰতি আকৃষ্ট হৈছিল।

**শিক্ষা জীৱন ঃ** অম্বিকাগিৰীৰ পঢ়া-শুনা আৰম্ভ হৈছিল গুৱাহাটীৰ সোণাৰাম হাইস্কুলত। তেখেতে গুৱাহাটী আৰু গৌৰীপুৰ, শিৱসাগৰত কেইবছৰমান মাধ্যমিক শিক্ষা লাভ কৰাৰ পিছত আনুষ্ঠানিক শিক্ষাৰ অন্ত পৰিছিল। ইতিমধ্যে সেই সময়ত ১৯০৪-০৫ চনত বঙ্গ-ভঙ্গ আৰু বিদেশীবস্ত্ৰ বৰ্জনৰ প্ৰৱল আন্দোলন আৰম্ভ হয় আৰু স্কুলীয়া ছাত্ৰ অম্বিকাগিৰীয়ে এই আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ফলস্বৰূপে তেওঁ গুৱাহাটীৰ পৰা বৰপেটালৈ আৰু 'নজৰবন্দী' হৈ থাকিব লগা হয়। ৰায়চৌধুৰীৰ সাহিত্যিক জীৱনৰ প্ৰথম ৰচনা 'বন্দিনী ভাৰত' (১৯০৪)। তেওঁ ছাত্ৰ অৱস্থাত গুৱাহাটীত থাকোতে ব্যায়াম চৰ্চা, সংগীত অনুশীলন কৰি শাৰীৰিক সৌষ্ঠৱ আৰু সংগীত কলাত প্ৰসাৰতা লাভ কৰে।

**জীৱনৰ নানা দিশ ঃ** অম্বিকাগিৰী আছিল বিদ্ৰোহী, মুক্তিযুঁজাৰু, সাহিত্যিক, গীতিকাৰ, সাংবাদিক, সংগঠক আৰু স্বদেশপ্ৰেমী। ১৯০৫ চনত আৰম্ভ হোৱা বঙ্গ-ভঙ্গ আন্দোলনৰপৰা গান্ধীৰ নেতৃত্বত পৰিচালিত স্বাধীনতাৰ ৰণত ১৯২১ চনৰপৰা ১৯৩০ চনলৈ ৰায়চৌধুৰী আছিল এজন আগশাৰীৰ বিপ্লৱী মুক্তিযোদ্ধা।

জাতীয় স্বাৰ্থ ৰক্ষাৰ কাৰণে অম্বিকাগিৰীয়ে প্ৰাণপনে চেষ্টা কৰিছিল। তেওঁৰ লেখনীসমূহৰ মাজেদি স্বদেশৰ প্ৰতি গভীৰ ভালপোৱা প্ৰকাশিত হৈছে। অসমীয়া জাতি আৰু ভাষা ৰক্ষা কৰা, অসমৰ ভৱিষ্যতৰ বাবে সংৰক্ষণ, কাম-কাজ, বেপাৰ-বাণিজ্য, চাকৰিত মকৰল কৰা আৰু পমুৱা বঙলা প্ৰবৰ্জন নিৰোধ কৰা আদি কামত অকলশৰে থিয় দিছিল। ১৯০৪ চনত অম্বিকাগিৰীয়ে 'এনাৰ্কিষ্ট দলত' অন্তৰ্ভুক্ত হয় আৰু ৰাজৰোষত পৰি নিজৰ চহৰ বৰপেটাত প্ৰায় সাত বছৰ কাল অন্তৰীপ বন্দী হিচাপে দিন কটায়। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনত যোগ দিয়ে আৰু পুনৰ ছমাহ সশ্ৰম দণ্ডেৰে দণ্ডিত হয়। তথাপি তেওঁ নিজ দেশৰ বাবে জীৱন বিপন্ন কৰিও কাম কৰি গৈছিল।

সাংবাদিক হিচাপেও অম্বিকাগিৰী ৰায়চৌধুৰীৰ অৱদান স্বীকাৰ কৰিব লাগিব। আধুনিক সাংবাদিকতাৰ মাপ-কাঠিৰে তেওঁৰ সংবাদসেৱা বিচাৰ কৰিলে তেওঁ সাংবাদিক হিচাপে পৰিগণিত নহ'ব। কিয়নো বৰ্ত্তমান সংবাদসেৱা বৃত্তি হিচাপে গৃহীত হৈছে, আৰ্থিক সা-সুবিধা আইনৰ দ্বাৰা সুৰক্ষিত হৈছে। অম্বিকাগিৰী বা তেওঁৰ সমসাময়িক সাংবাদিকসকলে বিদেশী কৰ্তৃপক্ষৰদ্বাৰা নানাভাৱে লাঞ্ছিত হৈছিল। 'আসাম বান্ধৱ', 'চেতনা' আৰু 'ডেকা অসম' কাকতৰ লগত ৰায়চৌধুৰী ওতঃপ্ৰোতভাৱে জড়িত আছিল। ১৯১৪ চনত 'অসম বান্ধৱ' ডিব্ৰুগড়ৰপৰা প্ৰকাশ কৰে। ১৯১৯-২৬ চনলৈকে ৰায়চৌধুৰীৰ সম্পাদনাত 'চেতনা' প্ৰকাশ পায় তেওঁৰ নিজা ছপাশালৰ 'অৰুণা প্ৰেছ'ৰ পৰা। ১৯২৭ চনত বিভিন্ন সমস্যা সন্মুখীন হোৱা বাৱে 'চেতনা' প্ৰায় বন্ধ হ'ল। ১৯৩৫ চনত 'অৰুণা প্ৰেছ'ৰ পৰাই 'ডেকা অসম' প্ৰকাশ পায়। 'ডেকা অসম' নামটো মহাত্মাগান্ধীৰ 'ইয়ং ইণ্ডিয়া' (young India) নামৰ কাকতখনৰ আৰ্হিতেই দিছিল। ৰায়চৌধুৰী নিজে 'ডেকা অসম' কাকতৰ সম্পাদক, মুদ্ৰক, কম্পোজিতৰ আৰু বিলনীয়া আছিল। অসমীয়া সংবাদ জগতত ৰায়চৌধুৰী এজন নিষ্ঠাবান সংবাদসেৱী আছিল।

অম্বিকাগিৰী ৰায়চৌধুৰী সংগীতজ্ঞ ৰূপেও উল্লেখনীয় ব্যক্তি। শৈশৱৰপৰা তেওঁ দৈৱকীদেৱীৰ গীত-মাতৰ দ্বাৰা আকৃষ্ট হৈছিল। মাতৃদেৱীৰ পৰা লাভ কৰা বৰপেটাৰ সত্ৰীয়া পৰিৱেশ আৰু বঙ্গ-ভঙ্গ আন্দোলনৰ সময়ত স্বদেশী গীত গাই ফুৰা বঙালী যুৱক, মণিপুৰী নৰ্ত্তকী গায়িকাই পোৱা জাতীয়তাভাৱৰ উদ্দীপক গীতে ৰায়চৌধুৰীকো স্বদেশ প্ৰেমৰ গীত গাবলৈ আৰু ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

অসমৰ বৰপেটা, গুৱাহাটী আৰু ডিব্ৰুগড়ত ৰায় চৌধুৰীয়ে সংগীত শিক্ষাৰ কেন্দ্ৰ স্থাপন কৰিছিল। তেওঁৰ 'চেতনাৰ কণ্ঠ' নামৰ গীতৰ পুথিত পাচোটা গীতৰ স্বৰলিপি আৰু আঠত্ৰিশটা আধ্যাত্মিক ভাৱৰ গীত সন্নিবিষ্ট হৈছে। 'বেনু' নামৰ গীতৰ শৰাইত চৈধ্যটা গীত পোৱা যায়। গীতবিলাকৰ ৰচনাৰ সময় ১৯১২-২০ চন। গীত বিলাকৰ কেন্দ্ৰস্থভাৱ হৈছে ভগৱানৰ সত্য শিৱ মঙ্গলময় ৰূপ, বিশ্বসৌন্দৰ্য্যৰ মাজত একসত্তাৰ অস্তিত্ব, ছয়াঁময়া ৰূপত বিস্ময়ানন্দ আৰু গভীৰ দেশপ্ৰেম।

অম্বিকাগিৰি ৰায়চৌধুৰীৰ সাংসাৰিক জীৱন কঠোৰ সংগ্ৰাম আৰু সংঘাতেৰে ভৰা। তেওঁ ৰাজহুৱা জীৱনত যেনেদৰে কটু সমালোচনা আৰু সংঘাত প্ৰত্যাহ্বান হিচাপে ল'ব লগা হৈছিল, সাংসাৰিক জীৱনতো আৰ্থিক অনাটনে জুমুৰি দি ধৰিছিল। ৰায়চৌধুৰীৰ জীৱন আছিল সাথঁৰস্বৰূপ।



তেওঁ এনে অভাৱ অনাটন আওকান কৰি জীৱন যুদ্ধৰ ৰণথলীত পৰাজয় বৰণ কৰা বিধৰ লোক নাছিল। নিজৰ সন্তানক উচ্চ শিক্ষা দিছিল। তেওঁৰ ঘৰলৈ অহা বন্ধু-বান্ধৱ আৰু অতিথিসকলক শক্তি অনুসাৰে আতিথ্য দিছিল। সবাৰোপৰি ৰায়চৌধুৰী আছিল এজন স্পষ্টবাদী লোক।

**ৰায় চৌধুৰীৰ ব্যক্তিত্ব ঃ** এজন ব্যক্তিৰ ব্যক্তিত্ব গঢ়ি উঠে গভীৰ পৰ্যবেক্ষনত, বলিষ্ঠ চিন্তাধাৰাত আৰু প্ৰগাঢ় অভিজ্ঞতাৰ পৰিণতিস্বৰূপে। পঢ়াশলীয়া কিতাপৰ বিদ্যাই এই ব্যক্তিত্ব আনি দিব নোৱাৰে। এজন ব্যক্তিৰ অন্তৰালত লুকাই থাকে সেই প্ৰতিভা, যিয়ে এখন সমাজ আৰু এটা জাতিৰ ওপৰত প্ৰভাৱ পেলাই আগুৱাই লৈ যায়।

ৰায়চৌধুৰী আছিল ব্যক্তিত্ব সম্পন্ন লোক। বন্ধুৰ বাবে তেওঁ অপ্ৰিয়ও আছিল। তেওঁ নিজেই বাণী বিদ্যুতত কৈছে - (পৃঃ ১৭) - কিছুমানে কয় মোৰ আদৰ্শ আৰু মনটো সকলোৱে ভাল পায়; কিন্তু মই বাক্যবাণেৰে লোকক জৰ্জৰিত কৰোঁ বাবে ভাল পাইয়ো বেয়া পায়, সেইবাবে মোৰ লগত যোগাযোগ নকৰে। ইয়াৰ উত্তৰ মই কি দিম? বাক্যবাণেৰে লোকক জৰ্জৰিত কৰাটোৱেই মোৰ স্বভাৱ বা ব্যৱহাৰ নহয়। যদি স্বভাৱ বা ব্যৱহাৰ বুলি ধৰা হয়, তাৰ উত্তৰ মই এইদৰে দিম ঃ মোৰ আদৰ্শ লাভৰ বেগটো, আনসকলৰ দুৰ্বলতা সম্ভূত নিৰুৎসাহৰ শুকান শিলত খুন্দা খাই, নিৰাশ জনিত যি দাৰুণ আৰ্তৰাৱৰ কৰ্কশ শব্দ উঠে, সেইবিলাকেই যথাসৰ্বস্ব দ'লে অৰ্থাৎ - যি সকলৰ অন্তৰত কোনো আদৰ্শ নাই, মনত গণ শোষণৰ বাহিৰে, গণপোষণ, গণসেৱনৰ উমান নাই, সেইসকলে তাকেই মোৰ ব্যাকৰণ বুলি অভিহিত কৰি মোৰ ওপৰত দোষ দি নিজৰ চাৰিত্ৰিক দুৰ্বলতা কলুষ ক্লেদ ঢাকিবলৈ প্ৰয়াস কৰে।' ইয়াতেই ৰায়চৌধুৰীৰ ব্যক্তিত্ব ফুটি উঠিছে। তেখেতে উচিত কথাত অপৰিসীম সাহস দেখুওৱা আৰু বিপদত পৰাজনক নিজৰ জীৱন বিপন্ন কৰিও উদ্ধাৰ কৰা আন এটি বৈশিষ্ট।

তেখেতৰ ব্যক্তিত্বৰ ওপৰত ড০ বাঁণীকান্ত কাকতিদেৱে লিখি থৈ গৈছে এনেদৰে - (He is a multiple personality. But he is a bottom a poet and his public programme is too often poetry is fire works.) (অসম সাহিত্যসভাৰ ভাষণাৱলীৰ দ্বিতীয় ভাগৰ ১৯ পৃঃ দ্ৰষ্টব্য)

স্পষ্টবাদীতা তেওঁৰ ব্যক্তিত্বৰ আন এটি উজ্জ্বল স্বাক্ষৰ। ৰায়চৌধুৰীৰ শ্ৰেষ্ঠ ৰচনা 'তুমি' কাব্যৰ অন্তৰালত যি ভাব নিহিত আছে অকপটে স্বীকাৰ কৰিছে। তেওঁ এজনী বঙলা ছোৱালীক জীৱনৰ সৰ্বস্ব দি ভাল পোৱাৰ উপহাৰ হিচাপে বাওঁহাতৰ কেঞা আঙুলিৰ এপাব কাটি অবিচল প্ৰেমৰ নিদৰ্শন আগবঢ়াইছিল - এই কথা তেওঁ নিজেই 'তুমি' কাব্যৰ উৎসৰ কথা কওঁতে কৈছে - 'মই মোৰ জীৱনত কোনো সময়তেই কোনো ক্ষেত্ৰতেই লুক-ঢাককৈ কোনো চিন্তা আৰু কাম কৰা নাই। সাহিত্যিক, সামাজিক, ৰাজনৈতিক, ৰাজহুৱা কোনো ক্ষেত্ৰতেই লুক-ঢাককৈ চলাটো অৰ্থাৎ ৰাজহুৱা জীৱনৰ ভিতৰত এটা আৰু বাহিৰত এটা বুলি চলিবলৈ মই ভাল নেপাওঁ' - (মোৰ জীৱন ধুমুহাৰ এছাটি অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী (৭৪৯ পৃঃ)

ৰায়চৌধুৰীয়ে শৈশৱৰ দেওনা পাৰ হওঁ নহওঁ অৱস্থাতে সাহসিকতাৰ পৰিচয় দিছিল। গুৱাহাটী অভিমুখে জাহাজেৰে ৰাওনা কৰোঁতে তেওঁ ইংৰাজ ভদ্ৰলোকৰ হাতৰপৰা এগৰাকী পোহাৰীক ৰক্ষা কৰিছিল। গুৱাহাটী অভিমুখী জাহাজ যেতিয়া পলাশবাৰী ঘাট পালেগৈ তেতিয়া কেইজনীমান পোহাৰীয়ে ফলমূলৰ দোকান দিছিল। এজন ইংৰাজ ভদ্ৰলোকে অমিতা এটা কিনি তাৰ উচিত মূল্য নিদিয়াত পোহাৰীৰ সৈতে তৰ্ক যুদ্ধ হয়, ফলত চাহাবে পোহাৰীৰ কপালত জোতাৰ গোৰ সোধোৱাত কপাল ফাটি তেজ ওলায়। এই দৃশ্য অম্বিকাগিৰীয়ে চাই আছিল আৰু ততালিকে তীব্ৰ প্ৰতিবাদ জনাই চাহাবজনক ঘোচাৰে প্ৰহাৰ কৰে। পাছত চাহাবজনে পোহাৰীক উচিত মূল্য দিয়াৰ লগতে ক্ষমা খুজিব লগা হয়। এনে সাহসৰ বাবে পোহাৰীয়ে তেওঁৰ গালে-মুখে চুমা খাই আশীৰ্বাদ দিলে। একে জাহাজতে যোৱা সহযাত্ৰী স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্য আৰু হৰিবিলাস আগৰৱালাই প্ৰশংসা কৰে আৰু আশীৰ্বাদ দিয়ে। ('মোৰ জীৱন ধুমুহাৰ এছাটি,' পৃঃ ৬৪৮-৬৫০)

১৯০২-০৩ চনত গুৱাহাটীৰ ৰায়চৌধুৰীয়ে আন এটা বিপদৰ সন্মুখীন হৈছিল সেইয়া হৈছে ৰায় চৌধুৰী আৰু তেওঁৰ বন্ধুবৰ্গ বিষ্ণুৰাম মেধি, কুমুদ বৰা, পুষ্প উজীৰ, গনেশ ব্ৰহ্ম, ৰহিম বৰা সমন্বিতে স্বৰ্গীয় বিভবানন্দ চৌধুৰীৰ আখৰাত সাঁতোৰ প্ৰশিক্ষণ লৈছিল। স্বৰ্গীয় অৰ্ধেন্দু বাগ্চী, স্বৰ্গীয় কামাখ্যা বাগ্চী, গোলোক গুৱাল আদিয়ে সৰু ল'ৰা-ছোৱালী ঘাটলৈ গা-ধুৱলৈ লৈ গৈছিল। হঠাৎ গোলোক গুৱালৰ আঠ বছৰীয়া ছোৱালীজনী নদীৰ পানীত ভাঁহি গৈ জাহাজৰ তলত সোমাওঁ সোমাওঁ হওঁতেই অম্বিকাগিৰীয়ে নিজৰ জীৱন বিপন্ন কৰি উদ্ধাৰ কৰে। আন এদিন তেওঁ কোনোবা নাৱৰীয়াই বালিত পেলাই থৈ যোৱা হাইজা ৰোগী এজনৰ শুশ্ৰূষা কৰি জীৱন দান কৰিলে।

(মোৰ জীৱন ধুমুহাৰ এছাটি, পৃঃ ৬৫০-৬৫৪)

প্ৰয়োজন সাপেক্ষে মৃত্যুৰ আলিঙ্গন কৰিবলৈও অম্বিকাগিৰীয়ে আগবাঢ়ি আহিছিল। 'মৃত্যুক ভয় কৰিলে সেই সৌন্দৰ্য ফুটি নুঠে, মৃত্যুক আলিঙ্গন কৰিবলৈকে আনন্দেৰে লৈ থকা প্ৰস্তুতিৰেহে মহান জীৱনৰ অধিকাৰী হ'ব পাৰি। দেশৰ সেৱাত, জাতিৰ সেৱা, আতুৰৰ সেৱা, মানৱীয়তাৰ সেৱাত দ্বিধাশূন্য নিৰ্ভীক সাহসিকতাৰে জীৱন উৎসৰ্গা কৰাটোৱেই এই প্ৰস্তুতিৰ।' (বাণীবিদ্যুৎ, পৃঃ১২) প্ৰথমবাৰ ঘৰৰ পৰা ওলাই আহোঁতে পলাশবাৰী জাহাজঘাটত সামান্য পোহাৰী এজনীক বাবু এজনে অন্যায় কৰাৰ প্ৰতিবাদত ঘোচা বৰ্ষণ, নিজৰ জীৱন বিপন্ন কৰি ডুবিব ধৰা সৰু ছোৱালীজনীক লুইতৰ প্ৰৱল সোঁতৰপৰা ৰক্ষা কৰা, মৃত্যুমুখী হাইজা বেমাৰীক অকলে শুশ্ৰূষা কৰি আৰোগ্য কৰা - এই বিলাক উদাহৰণ ৰায়চৌধুৰীৰ মৃত্যুৰ সৈতে প্ৰত্যাহ্বান। কুৰি শতিকাৰ প্ৰথম আৰু দ্বিতীয় দশকত চুবুৰীয়া বংগদেশত বৃটিছ বিতাৰণৰ বাবে সন্ত্ৰাসবাদ গা কৰি উঠিছিল, এই সন্ত্ৰাসবাদ কাৰ্যই ৰায়চৌধুৰীকো অনুপ্ৰাণিত কৰিছিল। তেখেতে গুৱাহাটীত সন্ত্ৰাসবাদী দল গঠন কৰিছিল। গুৱাহাটীৰ ইংৰাজ প্ৰমোদ ভৱন 'ইউৰোপীয়ান ক্লাৱ' জনসাধাৰণৰ 'আড্ডা বাংলা' চ'ত মহীয়া অমাবস্যাৰ নিশা জুই লগাই ভস্মসাৎ কৰিছিল। ১৯০৬ চনত, তেওঁ গুৱাহাটীৰ পৰা ছয় মাইল আঁতৰত শ্বিলং ৰোডৰ ওপৰত এটা 'ডিনেমাইট' পুতিছিল, সেই সময়ৰ পূব বঙ্গ আৰু অসমৰ দুৱলীয়া লাট চাহাব বেনফিল্ডফুলাৰ চাহাবক হত্যা কৰাৰ বাবে।

অম্বিকাগিৰী ৰায়চৌধুৰী আছিল আজীৱন দেশসেৱক। ভাৰতে স্বাধীনতা লাভৰ সময়ত 'গ্ৰপিং' আঁচনিৰ জৰিয়তে অসমক পাকিস্থানৰ লগত সাঙুৰাৰ এটা কু-চক্ৰান্ত চলিছিল। এই বিষয়ে তেতিয়াৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈকে প্ৰমুখ্যে কৰি অসমৰ নেতাসকলে মহাত্মাগান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত হোৱাসকলৰ ভিতৰত ৰায়চৌধুৰীও অন্যতম। তেখেতৰ বলিষ্ঠ নেতৃত্বই অসমবাসীৰ প্ৰেৰণাৰ মূল আছিল। এনে আশাশুধীয়া ব্যক্তিত্বই অম্বিকাগিৰী ৰায়চৌধুৰীক অসম মাতৃৰ সু-যোগ্য সন্তানস্বৰূপে গৌৰৱবোধ নকৰাকৈ থাকিব নোৱাৰে।

❖❖

# গান্ধী আৰু মাৰ্ক্স

**(এটি সাধাৰণ আলোচনা)**

❑ বাণীকান্ত গগৈ
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান

গান্ধীজীক জাতিৰ পিতা বুলি সমগ্ৰ ভাৰততে সন্মান জনোৱা হয়। এজন মহান পুৰুষ বুলি গান্ধীৰ খ্যাতি পৃথিৱীৰ সকলো ঠাইতে বিয়পি আছে। তেওঁ এজন উদাৰপন্থী, সমাজতান্ত্ৰিক, সংস্কাৰকামী, পুনৰ উদ্ধাৰকাৰী, অহিংস বিপ্লৱী, আদি আখ্যা দিয়া হয়। কাৰ্লমাক্স আছিল এজন দাৰ্শনিক আৰু শ্ৰেষ্ঠ বুদ্ধিজীৱী। গান্ধী ভাৰতৰ মুক্তি সংগ্ৰামত লিপ্ত হোৱা এজন ৰাজনীতিক আছিল আৰু মাৰ্ক্সেও পেৰিকমিউন প্ৰতিষ্ঠাত আগ ভাগ লৈ ৰাজনীতিকৰ পৰিচয় দিছিল।

গান্ধীৰ দৰ্শন আছিল ঈশ্বৰ সৰ্বচ দৰ্শন। ঈশ্বৰৰ অবিহনে গান্ধীৰ দৰ্শনৰ কল্পনাও কৰিব নোৱাৰি। ঈশ্বৰক গান্ধীয়ে এক ৰহস্যময় অবুজ শক্তি বুলি অভিহিত কৰিছে, যি শক্তি সকলোতে ব্যাপ্ত হৈ আছে। এই শক্তিক অনুভৱহে কৰিব পাৰি। এই ঈশ্বৰেই সত্য আৰু সত্যই ঈশ্বৰ। গান্ধীয়ে অৱশ্যে ঈশ্বৰেই সত্য বুলি কোৱাতকৈ সত্যই ঈশ্বৰ বুলি কৈছিল। গান্ধীৰ ঈশ্বৰে মানুহক ধৰ্মভীৰু কৰি তোলে। অন্যহাতে, মাৰ্ক্স আছিল নিৰীশ্বৰবাদী। মাৰ্ক্সৰ জীৱনজগত সম্পৰ্কীয় দাৰ্শনিক দৃষ্টিকোণ আছিল নিঃসন্দেহে বৈজ্ঞানিক, বস্তুবাদী। সমস্ত ভাৱ জগতখন মাৰ্ক্সৰ মতে, বস্তু জগতৰ প্ৰতিফলন। মানুহৰ ৰাজনৈতিক চেতনাও মাৰ্ক্সৰমতে সামাজিক অস্তিত্বৰ ফল।

গান্ধীয়ে মাৰ্ক্সৰ বুৰঞ্জী ব্যাখ্যাক সমৰ্থন নকৰে। গান্ধীৰমতে, মানুহৰ আদৰ্শ, নৈতিকতা, মূল্যবোধ আদি মুখ্য অৰ্থনৈতিক নীতিৰদ্বাৰা নিৰূপিত নহয়। যুদ্ধৰ মূল কাৰণো কেৱল অৰ্থনীতি বুলি গান্ধীয়ে মানি ল'ব নিবিচাৰে। আৰ্থিক সমৃদ্ধি আধ্যাত্মিকশূন্যতা বুলি গান্ধীয়ে কোৱা কথাক মাৰ্ক্সবাদীসকলে কঠোৰভাৱে সমালোচনা কৰে। মাৰ্ক্সৰমতে অৰ্থনীতিয়েই হ'ল সমগ্ৰ সমাজ ব্যৱস্থাৰ মূল ভিত্তি আৰু অৰ্থনীতিয়েই হ'ল ইতিহাসৰো চালিকা শক্তি। এই মূলসৌধৰ ওপৰতে ধৰ্ম, পৰম্পৰা, সামাজিক ৰীতি-নীতি, সংস্কৃতি আদি নিৰ্ভৰ কৰে।

অহিংসা হ'ল গান্ধীবাদৰ মূলমন্ত্ৰ। অহিংসা গান্ধীৰ জীৱনৰ মূলভিত্তি, মূলনীতি আৰু মূল বিষয়বস্তু। গান্ধীৰ অহিংসাই কিন্তু আনক হিংসা নকৰাকে নুবুজায়। গান্ধীয়ে 'অহিংসা পৰম ধৰ্ম' বুলি ক'লেও সৎ উদ্দেশ্য পূৰণ কৰিবৰ কাৰণে অপৰিহাৰ্য্য কাৰণত হিংসা কাৰ্য্যৰো পোষকতা কৰিছিল। এবাৰ আশ্ৰমত ৰোগত ভুগি কষ্ট পাই থকা এটা গৰু পোৱালিক গান্ধীয়ে গুলিয়াই মাৰিছিল। গান্ধীৰমতে, কাপুৰুষালীতকৈ হিংসাই শ্ৰেষ্ঠ। হিংসা আৰু কাপুৰুষালীৰ মাজত কোনোবা এটা বিষয় বাছি ল'বলগীয়া হ'লে তেওঁ হিংসাকে বাছি ল'ব। মাৰ্ক্সেও অহিংসাক একেবাৰে উলাই কৰা নাছিল। কিন্তু 'সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰক্ষেত্ৰত সশস্ত্ৰ সংগ্ৰামক এৰাই চলাৰ সম্ভাৱনা অতিশয় ক্ষীণ' বুলি মাৰ্ক্সে কৈ গৈছে। এইটো কথা স্পষ্ট যে হিংসা আৰু অহিংসাৰ ক্ষেত্ৰত গান্ধী আৰু মাৰ্ক্সৰ মাজত ডিগ্ৰীৰ পাৰ্থক্যহে আছে। কোনো কোনো সমালোচকে গান্ধীৰ অহিংসাক সন্দেহৰ চকুৰে চোৱাও দেখা পায়। এই ক্ষেত্ৰত দক্ষিণ আফ্ৰিকাৰ বুয়ৰ যুদ্ধ আৰু জুলু বিদ্ৰোহ দমন কৰাত গান্ধীয়ে বৃটিছক সহায় কৰাৰ কথা তেওঁলোকে উনুকিয়াব খোজে। প্ৰকৃততে, গান্ধীয়ে সময়সাপেক্ষে যথেষ্ট বাস্তৱ জ্ঞান বুদ্ধিৰ পৰিচয় দিছিল।

গান্ধী শ্ৰেণী সংগ্ৰামৰ বিশ্বাসী নাছিল ; কিন্তু মাৰ্ক্স আছিল শ্ৰেণী সংগ্ৰামৰ অত্যন্ত বিশ্বাসী। টলষ্টয়ৰ মতবাদত উদ্বুদ্ধ গান্ধীয়ে শ্ৰেণী সংগ্ৰামৰ পৰিৱৰ্তে বিশ্বাস কৰিছিল শ্ৰেণী সহযোগিতাত। ১৯৩৪ চনত গান্ধীয়ে লিখিছিল - আমাৰ সমাজতন্ত্ৰ বা কমিউনিজমৰ ভিত্তি হ'ব অহিংসা আৰু মালিক-শ্ৰমিকৰ, জমিদাৰ- প্ৰজাৰ সহযোগিতা।' (From Nehru's Autobiography, P.535) গান্ধীয়ে গভীৰভাৱে বিশ্বাস কৰিছিল মানুহৰ হৃদয় পৰিবৰ্তনৰ তত্ত্বত। বহুক্ষেত্ৰত গান্ধীয়ে এই তত্ত্বৰ সহায়ত মাৰ্ক্সৰ শ্ৰেণীসংগ্ৰামৰ তত্ত্বৰ সৈতে মোকাবিলা কৰিব বিচাৰিছিল। কিন্তু প্ৰশ্ন হয়, ধনীক শ্ৰেণীয়ে জানো স্বেচ্ছাই অৰ্থ সম্পত্তি ত্যাগ কৰিব ? গান্ধীয়ে বিশ্বাস কৰিছিল যে অহিংসা পদ্ধতি প্ৰয়োগ কৰি এনে অসাধ্য কাম কৰাটো একো আচৰিত হ'বলগীয়া কথা নহয়। মৃত্যুৰ কেইবছৰমানৰ আগতে অৱশ্যে তেওঁ কৈছিল যে সম্পদ আৰু সম্পদ আশ্ৰিত ক্ষমতাৰ 'Voluntary abdication, ৰ অবিহনে 'Violent আৰু bloody revolution'নিশ্চিত (বিনয় ঘোষ, গান্ধীবাদের কালোপযোগিতা, অটোমেটিক জীৱন আৰু সমাজ, পৃঃ ৬২)। গান্ধীৰ জীৱনীকাৰ লুইফিচাৰে এই সম্পৰ্কত এটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে, 'no report of voluntary abdication by a landlord or a mill owner reached Gandhi before the day of his death.', মাৰ্ক্স আছিল



শ্ৰেণী সংগ্ৰামৰ দুৰ্ঘোৰ বিশ্বাসী। প্ৰত্যেক উৎপাদন ব্যৱস্থাত দুটা প্ৰধান বিৰোধী শ্ৰেণীৰ সৃষ্টি হয় - এটা হ'ল নিষ্পেষক আৰু আনটো হৈছে নিষ্পেষিত শ্ৰেণী। এটা হৈছে সম্পত্তিৰ অধিকাৰী আৰু আনটো হৈছে বনুৱা শ্ৰেণী। মাৰ্ক্সৰমতে, ইতিহাস হ'ল শ্ৰেণী সংঘাতৰ ইতিহাস।

গান্ধী অৰ্থনীতিবিদ নাছিল। তৎসত্বেও গান্ধীৰ অৰ্থনৈতিক নীতি আছিল স্পষ্ট। গান্ধীৰ অৰ্থনৈতিক চিন্তাধাৰা পশ্চিমীয়া অৰ্থনৈতিক চিন্তাধাৰাৰপৰা পৃথক আছিল। অহিংসাই আছিল গান্ধীৰ অৰ্থনৈতিক চিন্তাধাৰাৰ লাইখুটা। গান্ধীয়ে হিংসা আৰু ইয়াৰপৰা উদ্ভৱ হোৱা শোষণৰ বিৰোধিতা কৰিছিল। শোষণৰ ওপৰত প্ৰতিষ্ঠত হোৱাৰ বাবে গান্ধীয়ে পশ্চিমীয়া আৰ্হিৰ আধুনিক গণতান্ত্ৰিক উন্নয়ন প্ৰক্ৰিয়াৰ সমালোচনা কৰিছিল। গান্ধীয়ে ধনতান্ত্ৰিক প্ৰক্ৰিয়াত দেখিবলৈ পোৱা অৰ্থনৈতিক অসমতা দূৰ কৰিব বিচাৰিছিল। গান্ধীৰ অৰ্থনৈতিক সমতা প্ৰতিষ্ঠাৰ চিন্তাধাৰা মাৰ্ক্সীয় চিন্তাৰ সম্পূৰ্ণ বিপৰীত আছিল। মাৰ্ক্স সশস্ত্ৰ বিপ্লৱৰ যোগেদি বিত্তশালী বা পূজিপতিসকলৰ ধন, সম্পদ অধিকাৰ কৰিবলৈ পক্ষপাতি আছিল। কিন্তু গান্ধীয়ে অহিংসা উপায়েৰে ধনতন্ত্ৰক মোকাবিলা কৰিবলৈ বিচাৰিছিল। এই সন্দৰ্ভত গান্ধীয়ে ন্যাস ৰক্ষকতা আৰু অভাৱ সংকোচন নামৰ দুটা মূলনীতিৰ কথা উল্লেখ কৰিছিল। ন্যাসৰক্ষকতাৰ নীতি অনুসৰি ধনীসকলৰ ধন সম্পদ বলপ্ৰয়োগৰ দ্বাৰা দখল কৰাৰ পৰিবৰ্তে তেওঁলোকৰ জিম্মাতে থাকিব ; কিন্তু তেওঁলোকৰ ব্যক্তিগত সম্পত্তি হিচাপে নহয়, আৰু তেওঁলোকৰ কোনো উত্তৰাধিকাৰী নাথাকিব। গতিকে, দেখাত ধন সম্পত্তি বিত্তশালীলোকৰ হাতত থাকিলেও এইবোৰৰ ওপৰত সমাজ বা ৰাষ্ট্ৰৰ অধিকাৰ সাব্যস্ত হ'ব। গান্ধীয়ে স্ব নিয়োজনতো গুৰুত্ব দিছিল। টলষ্টয়ৰ সমৰ্থন কৰি গান্ধীয়ে সৰু সৰু গৃহ শিল্প পৰিচালনা কৰি আৰু সূতা কাটি জীৱিকা নিৰ্বাহৰ বাবে জনসাধাৰণলৈ আহ্বান জনাইছিল। তেওঁ যন্ত্ৰ প্ৰয়োগৰ বিৰোধিতা কৰা নাছিল - যন্ত্ৰ সভ্যতাৰহে বিৰোধিতা কৰিছিল।

মাৰ্ক্সে অৰ্থনীতিক সৰ্বহাৰাৰ দৃষ্টি কোণৰপৰা বিচাৰ কৰিছিল। তেওঁ আছিল পূঁজিবাদী অৰ্থনীতিৰ দুৰ্ঘোৰ বিৰোধী। তেওঁৰ মতে, যিকোনো পণ্যসামগ্ৰীৰে মূল্য ইয়াত নিয়োজিত হোৱা শ্ৰমৰ ফল। পূজিবাদী সমাজৰ সকলো ক্ৰুটী আতৰাবৰ বাবে ব্যক্তিগত বা বেচৰকাৰী পূঁজিৰ বা পূঁজিৰ বিনিয়োগ বন্ধ কৰি এক সমূহীয়া পূঁজি বিনিয়োগ আৰু উৎপাদন পদ্ধতি গ্ৰহণ কৰি লাগিব। মাৰ্ক্সে আঙুলিয়াই দিয়ে যে পূঁজিবাদী সমাজ ব্যৱস্থাই বৃহৎ পৰিমাণৰ উৎপাদন আৰু একচেতিয়া পূঁজিৰ সৃষ্টি কৰে। ইয়াৰ ফলত সম্পদ এমুঠিমান লোকৰ হাততে পুঞ্জীভূত হয়।

গান্ধীক কোনো কোনোৱে নৈতিক শিক্ষক আখ্যা দিব বিচাৰে। গান্ধীয়ে মানুহৰ জীৱন কিছুমান সাৰ্বজনীন নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত হয় বুলি ভাৱিছিল। সজ উপদেশৰ দ্বাৰা মানুহক নৈষ্ঠিক কৰি ল'ব পাৰিলে ভাৰতত ৰামৰাজ্য প্ৰতিষ্ঠা কৰাটো একো টান নহ'ব বুলিও তেওঁ ভাৱিছিল। মাৰ্ক্সে কিন্তু নৈতিকতাক সাৰ্বজনীন অৰ্থত গ্ৰহণ কৰাৰ পৰিবৰ্তে শ্ৰেণী নৈতিকতা অৰ্থতহে নৈতিকতাক গ্ৰহণ কৰিছিল। তেওঁৰ মতে, শ্ৰেণী বিভক্ত সমাজত নৈতিকতাও শ্ৰেণীনৈতিকতা হ'বলৈ বাধ্য। শাসকশ্ৰেণীৰ ভাৱাদৰ্শই এখন সমাজৰ এটা যুগৰ প্ৰধান ভাৱাদৰ্শ, গতিকে, এই ভাৱাদৰ্শই নৈতিকতাৰ ওপৰতো প্ৰাধান্য বিস্তাৰ কৰে।

গান্ধী আৰু মাৰ্ক্স দুয়োৱে সমাজবাদৰ কথা ক'লেও দুয়োজনৰে ভাৱৰ গভীৰ পাৰ্থক্য আছে। গান্ধীৰ কাৰণে অৰ্থনৈতিক সমতা স্থাপনৰ উপায় আছিল মৰম-চেনেহ আৰু বুজাবুজি। মাৰ্ক্সৰ সমাজবাদক বৈজ্ঞানিক সমাজবাদ বুলি অভিহিত কৰিব পাৰি ; যাক সৰ্বহাৰাৰ একনায়কত্ববাদ বুলিও আখ্যা দিব পাৰি। মাৰ্ক্সৰ মতে, পুঁজিবাদ আৰু সমান্তবাদৰ অৱসান ঘটাব নোৱাৰিলে অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা সম্ভৱ নহয়।

ৰাষ্ট্ৰ সম্পৰ্কেও গান্ধী আৰু মাৰ্ক্সৰ মাজত কিছু মিল-অমিল দেখা যায়। গান্ধীয়ে ৰাষ্ট্ৰবিহীন ৰাষ্ট্ৰৰ কথা কৈছিল। তেওঁৰ মতে, 'ৰাষ্ট্ৰই সন্মিলিত আৰু সংগঠিত ৰূপত হিংসাৰ প্ৰতিনিধিত্ব কৰে। ব্যক্তিৰ আত্মা আছে, কিন্তু ৰাষ্ট্ৰ আত্মহীন বস্তু মাথোন, যি হিংসাৰ ওপৰত ৰাষ্ট্ৰ নিৰ্ভৰশীল সেই অভ্যাস ৰাষ্ট্ৰই পৰিত্যাগ কৰিব নোৱাৰে।' গান্ধীয়ে অহিংসা নীতিৰ ভিত্তিত ৰাষ্ট্ৰ সংগঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। জনসাধাৰণৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ যেতিয়াই ন্যূণতম হ'ব, তেতিয়াই সেই ৰাষ্ট্ৰ আদৰ্শ অহিংস ৰাষ্ট্ৰ হৈ পৰিব। প্ৰত্যেক ব্যক্তিক সম্পূৰ্ণ অহিংস আচৰণ বিশিষ্ট কৰিব পাৰিলেই ৰাষ্ট্ৰবিহীন অহিংস সমাজ গঢ়ি তুলিব পৰা হ'ব। গান্ধীৰ এনে আদৰ্শ সমাজক এখন আত্মশাসিত, আত্মনিয়ন্ত্ৰিত, আত্মনিৰ্ভৰশীল গ্ৰাম্য সমাজ আখ্যা দিবও পাৰি। ৰাষ্ট্ৰবিহীন ৰাষ্ট্ৰৰ কথা কৈও গান্ধীয়ে মত পোষণ কৰিছিল যে এনে গ্ৰাম্য সমাজ পৰিচালনাৰ বাবে এটা চৰকাৰ থাকিব লাগিব। গতিকে, ৰাষ্ট্ৰৰ সম্পূৰ্ণ বিলুপ্তি তেওঁ বিচাৰিছিল বুলি ক'ব নোৱাৰি। মাৰ্ক্সৰ মতেও ৰাষ্ট্ৰ হিংসা আৰু বল প্ৰয়োগৰ ওপৰত প্ৰতিষ্ঠিত। গান্ধী আৰু মাৰ্ক্স উভয়ৰ মানত ৰাষ্ট্ৰ চিৰন্তন নহয়। মাৰ্ক্সৰমতে, সাম্যবাদী সমাজ গোটেই বিশ্বতে প্ৰতিষ্ঠা হোৱাৰ পিচত ৰাষ্ট্ৰৰ বিলুপ্তি ঘটিব।

চমুকৈ ক'বলৈ গ'লে গান্ধী আৰু মাৰ্ক্সৰ মাজত পাৰ্থক্য এনে ধৰণৰ - গান্ধীয়ে ঈশ্বৰৰ ওপৰত অটল বিশ্বাস ৰাখিছিল ; কিন্তু মাৰ্ক্সে বস্তুবাদত বিশ্বাস কৰিছিল। গান্ধীয়ে অহিংসা, সত্য, সৎ উপায়, সৰ্বোদয় শ্ৰেণীসংমিশ্ৰন আদিত বিশ্বাস কৰিছিল। আনহাতে, মাৰ্ক্সে শ্ৰেণী সংঘাত, সৰ্বহাৰাৰ একনায়কত্ববাদ, ৰাষ্ট্ৰৰ বিলুপ্তিত বিশ্বাস কৰিছিল। গান্ধীয়ে সামাজিক আৰু ৰাজনৈতিক বিকেন্দ্ৰিকৰণ, সত্যাগ্ৰহ, ন্যায় ব্যৱস্থা আদিত বিশ্বাস ৰাখিছিল। মাৰ্ক্সে উৎপাদনৰ কেন্দ্ৰীয়কৰণ ; প্ৰয়োজন হ'লে পুঁজিবাদ ধ্বংস কৰিবৰ কাৰণে হিংসা নীতিৰো পোষকতা কৰিছিল।

❖ ❖

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

# সোণোৱাল কছাৰী লোক-সংস্কৃতি

❑ জোনমণি সোণোৱাল হাজৰিকা
স্নাতক দ্বিতীয় বৰ্ষ

সৃষ্টিৰ মূল প্ৰেৰণা হৈছে - (ক) জীয়াই থকাৰ বাবে খাদ্যৰ সন্ধান , (খ) আশ্ৰয়ৰ বাবে নিৰাপদ স্থান বা ঘৰৰ প্ৰয়োজনীয়তা, (গ) আত্ম সন্তুষ্টি তথা কষ্ট লাঘৱৰ অৰ্থে আভৰণৰ প্ৰয়োগ আৰু (ঘ) এই সকলোবোৰ ৰুচিসন্মত কৰাৰ কলাত্মক প্ৰচেষ্টাৰ মননশীল চেতনাৰ উদ্ৰেক । লোক সংস্কৃতি বা লোক পৰম্পৰাৰ উৎস এই খিনিতেই ।

একে ঠাইতে একে সময়তে বিশ্বৰ সকলো মানুহৰ সৃষ্টি হোৱা নাই । কাজেই সৃষ্টিগত তথা গোষ্ঠীগত প্ৰভেদ মানুহৰ ক্ষেত্ৰত এক লক্ষণীয় দিশ । সেইবাবেই বিশ্বত সহস্ৰাধিক জাতি-গোষ্ঠী, দল-উপদল আৰু সেইদৰে ভাষা, আচাৰ-নীতি, কৃষ্টি-সংস্কৃতিৰ পাৰ্থক্যও অৱশ্যাম্ভাবী ।

সোণোৱাল কছাৰী গোষ্ঠীটোৰ উৎস নৰক ৰজা বুলি প্ৰবাদ আছে । এই জাতিৰো নিজস্ব কলা-কৃষ্টি, সংস্কৃতি আৰু আচাৰ অনুষ্ঠান আছে । এই আলোচনাত চমুকৈ এই বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে । লোক-সংস্কৃতি (Folklore) সংস্কৃতিৰ বুনিয়াদ । কোনো এটা লোক-সংস্কৃতিয়ে যেতিয়া সৰ্বজন গ্ৰাহ্য ৰূপে স্বীকৃতি লাভ কৰিব পাৰে, তেতিয়া সিয়েই হৈ পৰে সাৰ্বজনীন আৰু উমৈহতীয়া বৃহৎ সংস্কৃতি । উদাহৰণস্বৰূপে অসমীয়াৰ বিহু উৎসৱ । সোণোৱাল সকলৰ লোক সংস্কৃতি উল্লেখ কৰি এইবোৰৰ অতি চমু বিশ্লেষণ দাঙি ধৰা হ'ল ।

(১) হায়দাং গীত
(২) বাইথ পূজা
(৩) হায়দাং নৃত্য
(৪) হগ্ৰা নৃত্য
(৫) বহুৱা নৃত্য
(৬) কাতি বিহু, মাঘ বিহু, আৰু বহাগ বিহুৰ আংগিক উপকৰণৰ লোকবিশ্বাস
(৭) গায়ন বায়ন
(৮) বাঘদেউ পূজা
(৯) গজাই মনাই পূজা
(১০) লখিমী সবাহ
(১১) বেজালী (বনৌষধ আদি )
(১২) আয়ুতোলা প্ৰথা
(১৩) তুলনী বিয়া (শান্তি বিয়া )
(১৪) বনৌষধৰ অনুপানেৰে তৈয়াৰ কৰা বৰা চাউলৰ পানীয় ।

ইয়াৰ উপৰি জাগতিক অত্যাৱশ্যকীয় শিল্পজাত সামগ্ৰীৰ অনেক একক নমুনা সোণোৱালসকলৰ লোক-সংস্কৃতিৰ আহিলা হিচাপে পৰিগণিত হৈ আহিছে । এই কুটীৰ শিল্প সমূহেই জাতি বা গোষ্ঠী একোটাৰ আচল পৰিচয় । ভাষা কালক্ৰমত হেৰাই যাব পাৰে ; কিন্তু সাংস্কৃতিক একক সম্ভাৰ সমূহৰ কলাগত বৈশিষ্ট্য আৰু ঐতিহ্য নজহে - নপমে । এইবোৰ সেই জাতিৰ জাতিগত বৈশিষ্ট্যৰ পৰিচয়জ্ঞাপক উপকৰণ স্বৰূপ হৈ যুগে যুগে ৰৈ যাব । তেনে আহিলা সমূহেই কুটীৰ শিল্পৰ শ্ৰেণীভুক্ত । যথা বাচন-বৰ্ত্তন, বস্ত্ৰশিল্প, চিকাৰ কৰা সজুঁলি, অন্যান্য ঘৰুৱা কামত ব্যৱহাৰ কৰা সা-সৰঞ্জাম, কৃষিৰ সঁজুলি, ধৰ্মীয় কামত ব্যৱহাৰ কৰা গছা, ঠগা আদি ।

**(১) হায়দাং গীত** - হায়দাং গীত সোণোৱালসকলৰ প্ৰচীনতম আৰু প্ৰথম গীত । ই আনুষ্ঠানিক গীত । এই গীত বহাগ বিহুৰ চৈধ্যদিন আগতে বাইথ পূজাৰ সময়ত বাইথ মন্দিৰত বুঢ়া লোকসকলৰ দ্বাৰা পৰিৱেশন কৰা হয় । হায়দাং গীতৰ তাৎপৰ্য্য অতি গভীৰ । এই গীতৰ সৃষ্টি সম্পৰ্কে গীত বিলাক বিশ্লেষণ কৰি ঠাৱৰ কৰিবপৰা যায় যে এই হায়দাং গীত সোণোৱালসকলৰ একক ঐতিহ্য ।

**(২) বাইথ পূজা ঃ** বাইথ পূজা সোণোৱালসকলৰ জাতি পৰিচয়জ্ঞাপক লোক সংস্কৃতিক উৎসৱ । এই পূজাৰ নিৰ্দিষ্ট বিধি-বিধান আছে । সোণোৱাল কছাৰীৰ ই একক অনুষ্ঠান ।

**(৩) হায়দাং নৃত্য ঃ** ই হায়দাং গীতৰ অংশ । হায়দাং গীতৰ ছেৱে ছেৱে, বাঁহীৰ সুৰে সুৰে, খুটিতাল আৰু বাঁহৰ টকা মাৰিৰ তালে তালে তাল মিলাই এগৰাকী নৰ্টকীয়ে জেমা ঠঙালী পিন্ধি হাতত ম'ৰা চৰাইৰ পাখি লৈ চালি ধৰি নাচে । ইয়েই হায়দাং নৃত্য ।

**(৪) হগ্ৰা নৃত্য ঃ** বাইথ মন্দিৰত হায়দাং গীত গাই পূজা সমাপ্ত কৰাৰ পাছত হুঁচৰি গীত গাই সেই দিনাই আনুষ্ঠানিকভাৱে বিহু নমোৱা হয় আৰু ইয়াৰ পিছতেই হগ্ৰা নৃত্য পৰিৱেশন কৰা হয় । হগ্ৰা অৰ্থাৎ গাহৰি বাইথ পূজাৰ বলিৰ কাৰণে গাহৰি বিচাৰি অৰণ্যত গাহৰি চিকাৰ কৰা হয় । চিকাৰীয়ে কেনেকৈ হাবিত গাহৰি চিকাৰ কৰি আনি বাইথ শালত বৰবলি দিয়ে তাকে নৃত্যৰ যোগেদি দেখওৱা হয় ।

**(৫) বহুৱা নৃত্য ঃ** বহাগৰ সাত বিহুদিনা বিহুৰ প্ৰতিযোগিতাৰ শেষত বহুৱা নৃত্য হয় । এই নৃত্যত এজন লোকে কলপাত পিন্ধি ঢোল-তালৰ ছেৱে ছেৱে নাচে । এয়ে বহুৱা নৃত্য । এই বহুৱা নৃত্যৰ উদ্দেশ্য হৈছে গাঁৱৰ অপায়-অমঙ্গল আঁতৰ কৰি নিৰাপদ ভৱিষ্যত কামনা কৰা ।

**(৬) কাতি, মাঘ আৰু বহাগ বিহু ঃ** এই তিনিটা অসমীয়া জাতিৰ উমৈহতীয়া উৎসৱ । সোণোৱাল কছাৰীসকলেও এই বিহু তিনিটা নিজস্ব ৰীতি-নীতি আৰু আংগিক উপকৰণেৰে পালন কৰে । কাতি বিহুত পথাৰত ধান চোৱাটো নিয়ম । মাঘবিহুত মেজিৰ জুইত খুচুৰা পইচা দলিয়াই দি বেমাৰ আজাৰ খেদাৰ নিয়ম আছে । গৰুবোৰক কপালত ছাই সানি চিন নেহেৰাবৰ বাবে বা হেৰালে বিচাৰি পাবৰ এটা প্ৰথা প্ৰচলিত হৈ আহিছে । সেইদিনা গছ-গছনি, ঘৰ, ঢেঁকি আদি ধান খেৰেৰে বন্ধাৰ নিয়ম আছে । বহাগ বিহুত পদুলিত তুঁহ খেৰৰ জুই ধৰি, নতুন বিচনিৰ পাতনি মেলা হয় । সৰভয় আঁতৰাবৰ কাৰণে ঘৰৰ চাৰিওফালে নহৰু-বচৰ পানী চটিওৱা হয় আৰু ঘৰৰ চাৰিওকোণত এচপৰা মাটি তোলা হয় ।

**(৭) গায়ন-বায়ন ঃ** সোণোৱাল কছাৰীসকলৰ মাজত নিজস্ব পদ্ধতিত গায়ন-বায়নৰ প্ৰচলন আছে ।

**(৮) বাঘদেও পূজা ঃ** বাঘদেও পূজা সোণোৱালসকলৰ ঐতিহ্যপূৰ্ণ পাৰ্বন । এই পূজা হাবিত, নিজন স্থানত পতা হয় । এই পূজাত কুকুৰা, কণী, পিঠা-পনাৰ উপকৰণৰ দৰকাৰ হয় ।

**(৯) গজাই মনাই পূজা ঃ** গজাই মনাই পূজা সোণোৱাল কছাৰীৰ পূৰ্বপুৰুষৰ পূজা । এই পূজাৰ বৈশিষ্ট্য হৈছে গোষ্ঠীগত সোণোৱাল সকল যে অপৰাজেয় প্ৰপিতামহৰ বংশধৰ আৰু শাৰীৰিক, মানসিক তন্ত্ৰ-মন্ত্ৰ আদি দৈৱিক প্ৰভাৱৰ শ্ৰেষ্ঠতম ঐতিহ্যৰ আধাৰ এই কথা প্ৰতীয়মান হয় ।

**(১০) লখিমী সবাহ ঃ** লখিমী সবাহ আন সম্প্ৰদায়ৰ মাজতো প্ৰচলিত যদিও কছাৰীসকলে নিজা বিধি-বিধানেৰে এই পূজা পালন কৰে । মাতৃ পূজাৰেই ই এটা অংগ ।

**(১১) বেজালী (বনৌষধ আদি ) ঃ** সোণোৱাল কছাৰীৰ মাজত বেজালি আৰু বনৌষধৰ ব্যৱহাৰ আজিও আছে । তন্ত্ৰ-মন্ত্ৰৰ বহুতো ভাল ভাল হাতে লিখা পুথি কছাৰী মানুহৰ ঘৰত এতিয়াও আছে ।

**(১২) আয়ুতোলা প্ৰথা ঃ** সৰু (ডাঙৰ মানুহো) ল'ৰা-ছোৱালীয়ে কিবা কাৰণত ভয় খালে তাৰ চক্‌টো স্থায়ী হয় । তেতিয়া তাক পুনৰ আয়ু ঘূৰাই আনিবৰ কাৰণে সোণোৱাল কছাৰীৰ মাজত আয়ুতোলা নামৰ এটা প্ৰথা আছে । এই কাৰ্য্য সম্পন্ন কৰিবলৈ এখন জাকৈ, হাঁহকণী, কেচা সূতা আদি উপকৰণৰ প্ৰয়োজন হয় ।

**(১৩) তুলনী বিয়া (শান্তি বিয়া) ঃ** এই তুলনী বিয়াৰ প্ৰথা অৱশ্যে আন দুই-এক সম্প্ৰদায়ৰ মাজতো আছে । ই সোণোৱাল কছাৰীৰ মাজতো এক পৰম্পৰাগত লোক-সংস্কৃতি ৰূপে চলি আহিছে । ইয়াত ব্যৱহৃত উপকৰণ আৰু আংগিকসমূহ নিতান্তই প্ৰজননৰ প্ৰতীক । আখৈ, কলৰ ডিল, বেঙেনা, চুলি, সেন্দুৰ, মাটি চাকিৰ শলিতা, পান-তামোল আদি ইয়াৰ উপকৰণ । তিৰোতাৰ ই একক অনুষ্ঠান যদিও বৈষ্ণৱী প্ৰথা এৰাই চলিবপৰা নাই কাৰণেই বুঢ়া মেথাৰ শৰাই পতা হয় । ইয়াক বৰ্তমান ব্যাপক ভিত্তিত পাতি আৰ্থিক অপব্যয়ৰ নমুনা স্বৰূপ হৈ পৰিছে ।

**(১৪) বনৌষধৰ অনুপানেৰে তৈয়াৰী কৰা বৰা চাউলৰ পানীয় ঃ** সোণোৱাল কছাৰীসকলে মৰণাতীত কালৰেপৰাই চাউলৰ পানীয় প্ৰস্তুত কৰা প্ৰথা চলি আহিছে । উপযুক্ত পৰিমাণৰ উৎকৃষ্ট পানীয় নিয়মীয়া ব্যৱহাৰে শৰীৰ-মনৰ পুষ্টিসাধন কৰে ; অত্যধিক যিকোনো খাদ্যই অপকাৰী । পানীয় ব্যৱহাৰ ভাৰসাম্যপূৰ্ণ হ'লে মানুহৰ জীৱনীশক্তি বৃদ্ধিৰ ক্ষেত্ৰত ই মহৌষধ । আগৰ কালৰ মহীৰ্ষিসকলেও এই জাতীয় সোমৰসেৰে জীৱন সমৃদ্ধ কৰাৰ কথা সৰ্বজনবিদিত । সোণোৱালসকলৰ ভালেমান পূজা-পাৰ্বনত ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য্য । বাইথ পূজাত ই অত্যাৱশ্যকীয় উপকৰণ ।

**(১৫) সোণোৱালৰ বংশ পৰিচয় ঃ** সোণোৱাল কছাৰীৰ চৈধ্যটা বংশৰ উল্লেখ পোৱা যায় । - হগ্ৰাল (ৰজা), মদন (মন্ত্ৰী), ডিঙিয়াল (ৰাজমন্ত্ৰী), মাণিকীয়াল (ৰাজগুৰু), বৰ হাজোৱাল (হাজৰিকা), সৰু হাজোৱাল (শইকীয়া), মুক্তাল, (বৰবৰুৱা), ফৰমাল (ফুকন), এচমাল (ক্ষত্ৰিয়-সৈন্য), কুমৰাল (বড়া), ঢেকীয়াল (বাৰিক), লাঠিয়াল (গাওঁবুঢ়া), দংৰাল (কমাৰ), আৰু চেতিয়াল ( বাঢ়ৈ) ।

এইবিলাকৰ উপৰি সোণোৱাল কছাৰীৰ অন্যান্য আৰু কিছুমান লোক সংস্কৃতি গাঁও সমূহত প্ৰচলিত হৈ আছে । অনুসন্ধান কৰিলে ইয়াৰ সম্ভেদ ওলাব । আমি ইয়াক পোহৰলৈ অহাটো কামনা কৰোঁ ।

এই উৎসৱ পূজা-পাৰ্বনৰ উপৰি সুকুমাৰ কলা সম্পৰ্কীয় লোক-সংস্কৃতিৰ অনেক সম্ভাৰ সোণোৱাল কছাৰীৰ ঐতিহ্যময় সম্পদ ৰূপত চলিয়েই আছে । খাদ্যৰ ক্ষেত্ৰত যিবোৰ পদ্ধতি আছে তাৰ বহুবোৰতে সোণোৱাল কছাৰীসকলৰ একক ব্যৱহাৰ চলি আহিছে । উদাহৰণ স্বৰূপে ভাপত ৰন্ধা বৰাভাত, চুঙা চাউল, পোৰা মাছ বা অন্যান্য খাদ্য, চুঙা, চাহ ইত্যাদি । পাতত দিয়া প্ৰথাটোও সোণোৱাল লোক-সংস্কৃতিৰ অন্যতম বিশেষত্ব ।

ঘৰৰ যাৱতীয় সা-সৰঞ্জাম তৈয়াৰ কৰা কামত কলাসন্মত লোকসম্পদ মন কৰিবলগীয়া । বাঁহ-বেতৰ পল, জাকৈ, খালৈ, জাপি, সজা, দোন, তেলপেৰা বেটৈৰী, সঁফুৰা আদি অনবদ্য লোক-সংস্কৃতিক অৱদান ।

চিকাৰ কৰা মাছ ধৰা আদিৰ সঁজুলি সমূহো অনবদ্য জালৰ ব্যৱহাৰ হোৱাৰ আগতে বৰশী, ডিঙৰা, চেপা আদি ব্যৱহাৰ হৈছিল । তদুপৰি চিকাৰ কৰিবৰ কাৰণে ধনু-কাঁড়ৰ প্ৰচলন সোণোৱাল সকলৰ ঘৰত পোৱা অত্যাৱশ্যকীয় সম্ভাৰ আছিল । বাটলু ধনুৰ ব্যৱহাৰ এতিয়াও এৰাব নোৱাৰা হৈ আছে ।

বস্ত্ৰ শিল্পৰ বৈচিত্ৰময়তা এতিয়াও বিৰাজমান । এড়ি সূতাৰ উদ্ভাৱন সোণোৱালসকলৰেই বুলি বহুলোকে একমত হৈছে । অতি নিচলাজনৰ ঘৰতো এড়ি কাপোৰ থকাটোৱেই ইয়াৰ প্ৰমাণ ।

বৰ্ত্তমানে সোণোৱালসকলে আগৰ বহুতো লোক সংস্কৃতি এৰি পেলাইছে অথবা পাহৰি গৈছে । কিন্তু জাতীয় কৃষ্টি জীয়াই ৰাখিব নোৱাৰিলে জাতিও জীয়াই নাথাকিব । বৰং এইবিলাক জাকত জিলিকা কৰাবহে প্ৰয়োজন ।

❖❖

# শিক্ষাৰ ধাৰণা

❑ সূৰয বৰা
স্নাতক তৃতীয় বৰ্ষ

যি পৰিৱৰ্তনশীল সমাজত আজিৰ সত্য কাইলৈ অসত্য হ'ব পাৰে তেনে সমাজত শিক্ষাৰ ধাৰণা সময়ৰ পৰিপেক্ষিতত সলনি হোৱাটো স্বাভাৱিক কথা। সামাজিক পৰিৱৰ্তন, বিজ্ঞানৰ অভ্যুদয়, পাৰিপাৰ্শ্বিক পৰিবৰ্তন আদিয়ে শিক্ষাৰ ধাৰণা পৰিৱৰ্তন কৰে। সেয়ে শিক্ষাৰ এটা সৰ্বসন্মত সিদ্ধান্ত বা সংজ্ঞা পোৱা টান। জীৱনৰ অৰ্থ ভিন্নজনে যিদৰে ভিন্ন সুৰে দিব খোজে শিক্ষাৰ অৰ্থও সেইদৰে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে দিব খোজে। সেয়ে হ'লেও এই আটাইবিলাক সংজ্ঞাৰ মাজত এটা আন্তঃসম্পৰ্ক দেখিবলৈ পোৱা যায়। কাৰণ পৃথিৱীৰ, প্ৰত্যেক বস্তুৰ অন্তৰালতে এটা সত্য ধাৰণা লুকাই থাকে আৰু 'শিক্ষাৰ আঁৰতো মাত্ৰ এটা ধাৰণাই লুকাই আছে।' সি যি কি নহওক এই আটাইবিলাক আন্তঃসম্পৰ্কীয় সংজ্ঞাই ইয়াৰ বিশাল পৰিধিৰ কথাৰেই ইংগিত দিয়ে। সেয়েহে আমি শিক্ষানো কি - তাৰ বিষয়ে আলোচনা কৰি চাব বিচাৰো।

শিক্ষাৰ ইংৰাজী প্ৰতিশব্দ, (EDUCATION) শব্দটো লেটিন ভাষাৰ (EDUCARE) (এডুকেয়াৰ) আৰু (EDUCERE) (এডুচেৰে) এই দুটা শব্দৰপৰা উৎপত্তি বুলি জনা যায়। Educare শব্দই প্ৰতি পালন কৰা বুজায়। Educere ৰ E মানে বাহিৰ আৰু ducere মানে উলিয়াই অনা। শব্দগত অৰ্থৰ পৰা শিক্ষা মানে জন্মগত গুণসমূহৰ বিকাশ লাভ কৰাটোকে মনলৈ আহে।

মানৱ শিশুৱে জন্মৰ আগৰপৰাই মাতৃৰ বল শক্তিৰে পৰিপুষ্টি লাভ কৰে আৰু বিকাশ হ'বলৈ আৰম্ভ কৰে। ওপজাৰ পিছতেই শিশুৱে হাত-ভৰি মাৰে, আঙুলি চুহে, হঁহা-কন্দা কৰে, ভয় কৰে। এই কাৰ্য্যবোৰ শিশুৱে ক'ৰ পৰা শিকিলে - ইতৰ প্ৰাণীবোৰেও এনে কিছুমান কাৰ্য্য কৰা দেখা যায়। আচলতে এই আটাইবিলাক কাৰ্য্যৰ সামৰ্থ্য বা প্ৰবৃত্তি (Instinct) জন্মগত। এই জন্মগত গুণখিনিকেই প্ৰাণীৰ সহজাত প্ৰবৃত্তি (Innate disposition) বোলা হয়। ইতৰ প্ৰাণীৰ বাবে জীৱনৰ মূলধন (Edowment of life) ইমানেই। কিন্তু মানৱশিশুৰ বিভিন্ন শক্তি সামৰ্থ্য বিকাশৰ সম্ভাৱনা অসীম আৰু ই অন্তৰ্নিহিত হৈ থাকে। এই সম্ভাৱনাবোৰৰ বিকাশ শিশুৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক আদি সকলো দিশতে হয়। ঘৰখনৰ মানুহৰ লগত খেলা-ধূলা কৰি শাৰীৰিক দিশত, মৰম, স্নেহত পৰি মানসিক দিশত, বৰ্দ্ধন তথা বিকাশ (Growth and development) হৈ বয়স বাঢ়ি অহাৰ লগে লগে আধ্যাত্মিক দিশতো বিকাশ সাধন কৰি পৰিয়ালৰপৰা আটাইবিলাক মানৱীয় গুণ আহৰণ কৰি লয়। এনে আত্ম বিকাশৰ যোগেদিয়েই মানুহ বিশ্বমানৱ তথা সমস্ত জীৱনৰ সোঁতাত ব্ৰতী হয়। সেয়েহে মহাত্মা গান্ধীয়ে শিক্ষা সম্বন্ধে কৈছে - 'শিক্ষা বুলিলে মই শিশু আৰু পৈণত বয়সৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক আদি সৰ্বাঙ্গীণ দিশৰ সৰ্ব্বোৎকৃষ্ট গুণৰাজিৰ বিকাশ সাধনকে বুজি পাওঁ।' Education means all round drawing out of the best in child and man. Physical, mental and spiritual.

গছৰ ক্ষুদ্ৰ গুটি এটাতে বিশাল গছজোপাৰ ডাল-পাত, ফুল-ফল, আদি সকলো সম্ভাৱনা নিহিত হৈ থাকে। মাটি, সাৰ, জাৱৰ, পানী, ৰ'দ আদিৰ উপস্থিতিত পূৰ্ণতা প্ৰাপ্তি লাভ কৰে। ঠিক সেইদৰে মানৱ শিশুৰ অন্তৰতো পূৰ্ণতা লাভৰ সম্ভাৱনাবোৰ বিদ্যমান হৈ থাকে। গছৰ গুটিৰ দৰে তেওঁলোকেও বংশগতি সূত্ৰে তেওঁলোকৰ গুণসমূহ মনত পুহি ৰাখে। পৰিয়াল, সমাজ আৰু শিক্ষাই পূৰ্ণতা সম্ভূত সম্ভাৱনাখিনিৰ বিকাশ সাধনত ইন্ধন যোগায়। সেয়েহে স্বামী বিবেকানন্দই শিক্ষা সম্বন্ধে কৈছে - 'শিশুৰ পূৰ্ণতাসম্ভূত সম্ভাৱনীয়তাৰ প্ৰস্ফুটিতকৰণেই শিক্ষা।' - (Education is the manifestation of the perfection of the latent quality of a child.)

তাৰ উপৰি সদা পৰিৱৰ্তনশীল সমাজত অভিজ্ঞতাইও নতুন ৰূপত প্ৰকাশ লাভ কৰিবলগীয়া হয়। অতীতৰ গুৰুকুল শিক্ষা ব্যৱস্থাত কেৱল চাৰিবেদ অধ্যয়ন কৰি আধ্যাত্মিক গুণৰ উৎকৰ্ষৰ সাধন কৰাতে শিক্ষা ব্যৱস্থা সীমিত আছিল। কিন্তু আজিৰ পৰিৱেশত কেৱল কথা শিল্পই অভাৱ পূৰণ কৰিব নোৱাৰাত হস্ত শিল্পই শিক্ষাত প্ৰাধান্য লাভ কৰিলে। ফলস্বৰূপে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাই বৰ্তমান শিক্ষা ব্যৱস্থাত সম্পূৰ্ণ প্ৰভাৱ বিস্তাৰ



কৰিবলগা হ'ল। পুৰণি অভিজ্ঞতাই আজিৰ জটিল সমাজত খোজ মিলাব নোৱাৰাব বাবে মানৱ সমাজে অভিজ্ঞতাক পুনৰ গঠন কৰি জীৱন নিৰ্দ্ধাৰণৰ বাট মুকলি কৰিব লগা হ'ল। তাৰ উপৰি পৰিৱৰ্তনশীল পৰিৱেশত নতুন অভিজ্ঞতা আহৰণ নকৰিলেও নহয়। তাৰে কিছুমান সুখদায়ক আৰু আন কিছুমান দুখদায়ক। অধিক সুখ লাভৰ বাবে পৰিৱেশক অভিজ্ঞতাৰ ভিত্তিত নিয়ন্ত্ৰণ কৰিবৰ বাবে চেষ্টা চলোৱা হয়। ফলত পৰিৱেশ আৰু অভিজ্ঞতা উভয়ে নতুন ৰূপ লয়। সেয়ে আমেৰিকান দাৰ্শনিক তথা শিক্ষাবিদ জন ডিউইয়ে শিক্ষা সম্বন্ধে কৈছে - 'অভিজ্ঞতাৰ অবিৰত পুনৰ সংগঠনৰ মাজেদি জীৱন নিৰ্বাহ কৰাই শিক্ষা - (Education is the contiuning re-organising and re-construction of experience) ইয়াৰ লগতে অন্য ভাগে ক'বলৈ গ'লে ক'ব পাৰি - 'পৰিৱৰ্তনশীল সমাজত সমাযোজন কৰিবপৰা ক্ষমতাই শিক্ষা।' (Education is a power of adjustment is everchanging society.) এই ক্ষেত্ৰত ক'ব পাৰি যে - এজন লোক নিৰক্ষৰ হ'লেও অশিক্ষিত হ'ব নোৱাৰে।

কোনো এটা বিষয়বস্তুৰ পুথিগত জ্ঞান আয়ত্ত কৰি আনুষ্ঠানিক শিক্ষাত সুফল অৰ্জন কৰিলেই শিক্ষিত হ'ব নোৱাৰে। মানুহৰ জীৱন কৰ্মময়। গতিকে আহৰণ কৰা শিক্ষাক তেতিয়াহে শিক্ষাৰ গণ্ডীত ধৰা হ'ব, যেতিয়া তাক বাস্তৱত প্ৰয়োগ কৰিব পাৰিব। জ্ঞান আহৰণ কৰাৰ পিছত বোধ কৰিব (comprehention) পাৰিব লাগিব, বোধৰ পিছত প্ৰয়োগ (application), প্ৰয়োগৰ পিছত বিশ্লেষণ (Analysis), বিশ্লেষণৰ পিছত সংশ্লেষণ (synthesis) কোনো এটা কাম বা বস্তু ভাঙি পুনৰ সংগঠন কৰাটো। শেষত সংশ্লেষণৰ পিছত উপযুক্ত মূল্যায়ন (Evaluation) কৰিব পাৰিলেহে শিক্ষাৰূপে স্বীকৃত হয়। সেয়েহে আলফ্ৰেড হোৱাইটহেডে শিক্ষা সম্বন্ধে কৈছে - 'জ্ঞানৰ প্ৰয়োগ কৌশল আয়ত্ত কৰাই শিক্ষা' (Education mean the acquisition of the application techniques) তাকে কৰিব পাৰিলে শিক্ষাপ্ৰাপ্ত লোকৰ আচৰণ বিধিও সংশোধিত হয়। মহৎ লোকৰ নিজৰ শিক্ষা আৰু জীৱন যাপন প্ৰণালীৰ মাজত কোনো পাৰ্থক্য বিচাৰি পোৱা নাযায়।

উপৰোক্ত আলোচনাৰ অন্তত শিক্ষা সম্বন্ধে আমি ধাৰণা কৰিব পাৰো যে -মানৱ জীৱনত সুখ শান্তি লাভ কৰিবলৈ আৱশ্যকীয় শক্তিসমূহৰ বিকাশ সাধন কৰি প্ৰয়োগ কৰিব পৰাটোৱেই শিক্ষা। এই বিষয়ত প্ৰধানকৈ শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক (Intellectual) - এই কেইটা দিশ সোমাই থাকে। এই গুণবোৰৰ উপযুক্ত বিকাশৰ ফলত নিৰক্ষৰ লোকেও শিক্ষিত অনুভৱ কৰি জীৱন-যাপনৰ শিক্ষা লাভ কৰিব পাৰে। সেই হেতু শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ জৰিয়তে ব্যক্তিত্ব (persionality) গঠনৰ যি প্ৰচেষ্টা সিয়েই শিক্ষা। সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশত ল'ৰা-ছোৱালী ডাঙৰ-দীঘল হয়। ইয়াত ল'ৰা-ছোৱালী জন্মগত সামৰ্থ্যৰ বিচাৰ, আৰু পৰিবেশ নিয়ন্ত্ৰণ কৰণৰ প্ৰচেষ্টাত হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত নতুন নতুন অভিজ্ঞতাৰ সৃষ্টি হয়। সেয়েহে অভিজ্ঞতাৰ নতুন ৰূপায়ণকো শিক্ষা বোলা হয়।

মানুহে শিক্ষা লাভ কৰে বাস্তৱ জীৱনৰ বাবে। পুথিগত জ্ঞানক বাস্তৱত, প্ৰয়োগ কৰিব পৰা বা জনাটোৱেই শিক্ষা। ইয়াৰ বাবে লাগে জ্ঞানৰ প্ৰয়োগ কৌশল আৰু ইয়াৰ মাজেদি হয় আচৰণৰ সংশোধন। সেয়েহে ব্যৱহাৰিক দৃষ্টিত আচৰণৰ সংশোধনৰ মাজেদি জীৱন নিৰ্বাহ কৰাই হ'ল শিক্ষাৰ স্বৰূপ।

শিক্ষাৰ ধাৰণা বিভিন্নজনৰ বিভিন্ন ধৰণে পোৱা যায়। এই আটাইবিলাক ধাৰণা পৰস্পৰৰ বিৰোধী নহয়। বৰং পৰিপূৰকহে। সেয়েহে এই ধাৰণা বা সংজ্ঞাবোৰে ইয়াৰ অতি ব্যাপক পৰিসৰহে ইংগিত দিয়ে। গতিকে বহল অৰ্থত শিক্ষা জীৱন ব্যাপী হয় আৰু জীৱনকেই শিক্ষা বুলি কোৱা হয়। ❖❖

> *শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা ; কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ।*
> *- এৰিষ্টট'ল*

# পৰিৱেশ প্ৰদূষণ আৰু আমাৰ ভৱিষ্যৎ

❑ দেবেন বড়া
স্নাতক ১ম বৰ্ষ

বৰ্তমান যুগৰ বহুচৰ্চিত এটা বিষয় হৈছে প্ৰদূষণ। পৰিৱেশৰ বিভিন্ন স্তৰত সৃষ্টি হোৱা প্ৰদূষণে আজি সমগ্ৰ বিশ্বকে শংকিত কৰি তুলিছে। প্ৰদূষণে সম্প্ৰতি মানুহ, জীৱ-জন্তু আৰু তৰু-তৃণৰ অস্তিত্ব বিপন্ন কৰি তুলিছে। দুখৰ কথা এয়ে যে আমাৰ চাৰিওফালে পৰিৱেশ প্ৰদূষিত হোৱাৰ পাছতো আমি পৰিৱেশ সংৰক্ষণ আৰু উন্নত কৰাৰ বিপৰীতে অধিক প্ৰদূষিত কৰাতহে আগ-ভাগ লৈছো।

'প্ৰদূষণ' সম্পৰ্কে আলোচনা কৰাৰ আগতে আমি জানিব লাগিব 'পৰিৱেশ' মানেনো কি? জীৱ-জন্তু, মানুহ, গছ-গছনি, তৰু-তৃণ পৃথিৱীখন সৃষ্টি হোৱাৰ সময়তে নিশ্চয় পৃথিৱীত নাছিল। লাহে লাহে জীৱ সৃষ্টিৰ বাবে পৃথিৱীত প্ৰয়োজনীয় উপাদান আৰু অৱস্থাৰ সৃষ্টি হ'ল। এই উপাদানসমূহ বৰ্তি থাকিবপৰা উপযুক্ত অৱস্থাটোৱেই হ'ল পৰিৱেশ।

যান্ত্ৰিক সভ্যতাৰ সম্প্ৰসাৰণৰ লগে লগে পৃথিৱীৰ উপৰিভাগৰ মাটি, পানী আৰু বায়ু প্ৰদূষিত হৈছে। প্ৰদূষণে আমাৰ পাৰিপাৰ্শ্বিকতাৰ পৰিবৰ্তন আনিছে। অধে-মধে প্ৰয়োগ কৰা কীটনাশক ঔষধ, অধেমধে গছ-গছনি ধ্বংস কৰা, জীৱ-জন্তু হত্যা কৰা কাৰ্য্যই প্ৰাকৃতিক ভাৰসাম্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। কল-কাৰখানা ধোঁৱা, গাড়ী-মটৰৰ ধোঁৱা, ইঞ্জিনৰ বিকট শব্দই পৰিৱেশ প্ৰদূষিত কৰি তুলিছে। পৃথিৱীৰ উত্তাপ দিনে দিনে বৃদ্ধি পাইছে।

শস্য পথাৰত ব্যৱহাৰ কৰা ৰাসায়ণিক সাৰ, কীটনাশক দ্ৰব্য আদি পানীত উটি গৈ খাল, বিল, পুখুৰী, নদী আদিত পৰেগৈ। ফলস্বৰূপে, মাছ, কাছ, সাপ, বেং আদি জলচৰ প্ৰাণীৰ বংশ বৃদ্ধি কমি আহিবলৈ লৈছে। বহুতো জলজ উদ্ভিদ পৃথিৱীৰ পৰা নিশ্চিহ্ন হৈ গৈছে। মানৱজাতি আজি ইমানেই লুভীয়া আৰু নিৰ্মম হৈ উঠিছে যে মাছ ধৰিবলৈ নদীত বিষাক্ত দৰৱ ব্যৱহাৰ কৰিছে। এই বিষাক্ত দৰৱে পৰিৱেশৰ বিস্তৰ ক্ষতি সাধন কৰিছে। পৰিৱেশ সম্পৰ্কে সজাগতাৰ অভাৱত মানুহ জীৱ-জন্তু মৰাশ নৈতে পেলাব লাগিছে। ফলস্বৰূপে নানা ৰোগৰ বীজাণু বিয়পি পৰি মানুহৰ অকাল মৃত্যু মাতি আনিছে। আজি গংগা নদীত হোৱা প্ৰদূষণৰ কথা কোনে নাজানে? গুৱাহাটী মহানগৰীৰ আৱৰ্জনাই ভৰলু নদীৰ পানীক দুষিত কৰাৰ কথা সৰ্বজন বিদিত।

এইকথা এতিয়া সকলোৱে স্বীকাৰ কৰিছে যে অত্যধিক গছ কটাৰ বাবেই মাটিৰ প্ৰদূষণ দিনক দিনে বৃদ্ধি পাইছে। গছৰ ডাল-পাত মাটিত পৰাৰ পাছত মাটিত থকা বেক্টেৰিয়া সমূহে সেই ডাল-পাত পচাই হিউমাচ সৃষ্টি কৰে। এই হিউমাচেই উদ্ভিদৰ খাদ্য, গছ-বন কমি অহাৰ লগে লগে এই হিউমাচৰ পৰিমাণো কমিছে। ফলস্বৰূপে মাটি হৈ পৰিছে অসাৰুৱা, অনুৰ্বৰ। তদুপৰি, প্লাষ্টিক, পলিথিনকে আদি কৰি মাটিত মিলি যাব নোৱাৰা পেলনীয়া দ্ৰব্য, আইনাৰ টুকুৰা, মাৰ্বল, ৰঙ, টিন, ৰবৰ আদিয়েও মাটি প্ৰদূষণত অৰিহণা যোগাইছে। মাটি প্ৰদূষণৰ অন্যতম প্ৰধান কাৰণ হ'ল কীটনাশক ঔষধসমূহ। ম'হ, ডাঁহ মাৰিবৰ বাবে ছটিওৱা ডি ডি টি আদি ঔষধ সমূহ আমাৰ শৰীৰৰ বাবে মাৰাত্মকবুলি প্ৰমাণিত হৈছে। ক্লৰিণ যুক্ত এনেধৰণৰ ঔষধসমূহে বায়ু, পানী, মাটি প্ৰদূষিত কৰি তুলিছে।

কলকাৰখানাৰ শব্দ, গাড়ী মটৰৰ শব্দৰ লগতে এইবিলাকৰ পৰা ওলোৱা ধোঁৱাই শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে, বায়ুমণ্ডল দূষিত কৰিছে। বতাহত মিহলি হোৱা ধূলিকণা, চালফাৰ ডাই অক্সাইড, সীহ, কাৰ্বন, মনক্সাইডে অত্যধিক বায়ু প্ৰদূষিত কৰিছে। ক্ল'ৰিণ গেছৰ বাবে বায়ু মণ্ডললৈ সূৰ্য্যৰ আলট্ৰা ভায়োলেট ৰশ্মি সোমাব নোৱাৰাকৈ বাধা দি থকা অ'জন স্তৰটো ভাগিবলৈ আৰম্ভ কৰিছে। এই কল-কাৰখানা, গাড়ী- মটৰ সমূহৰ বিকট আৱাও, ৰেল, জাহাজ আদিৰ উকি, বাছৰ হৰ্ণ,. উচ্চস্তৰত বাজি থকা কেছেটৰ শব্দই শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে। ফট্‌কা, ব'ম আদিৰ কাণতালমৰা শব্দই আমাৰ স্নায়ুতন্ত্ৰ আৰু ৰক্তবাহী নলীকাৰ ওপৰত প্ৰৱল চাপ দিয়ে। বিজ্ঞানীসকলে মত দিছে যে ৪০ ৰপৰা ৭০ ডেচিবেল তীব্ৰতাযুক্ত শব্দই আমাৰ কোনো অপকাৰ নকৰে। ৭০ ডেচিবেল অতিক্ৰম কৰিলে ই আমাক অস্বস্তি দিয়ে। ১০০ ৰ পৰা ১২০ ডেচিবেল পালে আমি কাণত যন্ত্ৰণা অনুভৱ কৰোঁ। এই পৰিমাণ ১৪০ৰ ওপৰ পালে আমাৰ শাৰীৰিক আৰু মানসিক ক্ষতি হয়।

এই ভয়াবহ পৰিৱেশ প্ৰদূষণৰ হাৰ কমাবলৈ বিভিন্ন সংস্থা, চৰকাৰ, স্বেচ্ছাসেৱী সংগঠনে আহ্বান জনোৱা স্বত্বেও জনসাধাৰণ কিন্তু মুঠেই সজাগ হোৱা নাই। পাশ্চাত্য দেশ সমূহত পেলনীয়া জাবৰ-জোঁথৰ পুনৰ ব্যৱহাৰ কৰি এক নতুন দিশৰ সূচনা কৰিছে। বিজ্ঞান সন্মতভাৱে ব্যৱহাৰ কৰি এই জাবৰ-জোথৰৰপৰা হ'ব পৰা প্ৰদূষণ ৰোধ কৰিব পাৰি। ইয়াৰ ভিতৰত (১) পচন সাৰ তৈয়াৰ কৰা; (২) দাহ কৰি শক্তি উৎপাদন কৰা (৩) ইন্ধন দ্ৰব্যলৈ ৰূপান্তৰিত কৰা আদিয়েই প্ৰধান। পলিথিন মোনাৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে যদিও মানুহৰ সজাগতাৰ অভাৱত এইবিলাকে অহৰহ মাটি প্ৰদূষিত কৰিয়েই আছে। পলিথিন বেগৰ পৰিবৰ্তে কাগজৰ ঠোঙা ব্যৱহাৰ কৰাই জ্ঞানীৰ কাম। তদুপৰি, কীটনাশক দ্ৰব্যৰ ব্যৱহাৰো আমি ইচ্ছা কৰিলেই কমাব পাৰো। বিভিন্ন বিজ্ঞান সম্মত পন্থা অৱলম্বন কৰি আমি শব্দ প্ৰদূষণ ৰোধ কৰিব পাৰো।

১৯৭২ চনত পাৰিপাৰ্শ্বিকতাৰ ওপৰত আয়োজিত 'United Nations stockholm conference য়ে পৰিৱেশ সংৰক্ষণৰ বাবে কিছু সজাগতা আনিছিল। বিশ্ব স্বাস্থ্য সংস্থা, ৰাষ্ট্ৰ সংঘইও এই বিষয়ত মনোনিবেশ কৰিছে। প্ৰতি বছৰৰ ৫ জুন তাৰিখে পৰিৱেশ সচেতনতা দিৱস পাতি জনসাধাৰণক সজাগ কৰিবলৈ চেষ্টা কৰা হৈছে। আমি প্ৰত্যেকেই পৰিৱেশ সংৰক্ষণত গুৰুত্ব নিদিলে পৃথিৱীৰ মানুহ, জীৱ-জন্তু, গছ-গছনি অচিৰেই ধ্বংসৰ গৰাহত পৰাটো নিশ্চিত। ❖❖

*"মোৰ বাবে মানুহক চেৰাই কোনো কল্পনা নাই। মোৰ বাবে সকলো বস্তু আৰু ভাৱৰ স্ৰষ্টা হৈছে মানুহ; কেৱল মানুহ। . . . মানুহক মই প্ৰণাম কৰোঁ, কাৰণ মানুহৰ সৃষ্টি, মুক্তি আৰু কল্পনাক বাদ দি মই এই পৃথিৱীৰ একো চাব নোৱাৰোঁ।"*

**– মেক্সিম গৰ্কী**

*"আধুনিক জীৱনৰ লক্ষ্য হ'ল দ্ৰুততা। এই জীৱনত আদৰ্শ আৰু আবেগবোৰ পাহাৰৰ দৰে দ'ম বান্ধি গাড়ীত নিবৰ সময় নাই।"*

**– লুচি টেনামাউণ্ট**

# শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ দায়িত্ব




□ পংকজ বৰুৱা
স্নাতক, তৃতীয় বাৰ্ষিক

*(শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ দায়িত্ব সাম্প্ৰতিক কালত এক বিবেচ্য বিষয়। ব্যক্তিত্বহীন এজন ব্যক্তিক জীৱনৰ বাবে কৰ্তব্যহীন জড় বুলি অভিহিত কৰিব পাৰি। সেয়েহে এটা শিশুক জীৱনত ভাল ব্যক্তিত্বৰ অধিকাৰীৰূপে স্বীকৃত কৰিবলৈ এটা সুস্থ পৰিৱেশ আৰু এজন সুস্থ ব্যক্তিত্বসম্পন্ন শিক্ষকৰ প্ৰয়োজন। সেয়েহে শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ দায়িত্ব সম্বন্ধে যৎসামান্য আভাস দিয়াৰ প্ৰয়াস কৰিছোঁ।)*

প্ৰথমে আমি যদি ব্যক্তিত্বক বিচাৰ কৰোঁ তেন্তে দেখিম যে ইয়াৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Personality' যিটো লেটিন ভাষাৰ persona ৰপৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হ'ল 'ভাৱৰীয়া মুখা' । প্ৰচিন গ্ৰীকসকলে এই মুখাৰ জৰিয়তে যেনেদৰে দৰ্শকক বিমোহিত কৰিছিল, তেনেদৰে ব্যক্তিত্বয়ো ব্যক্তিক আনৰ চকুত চিনাকি কৰি দিয়ে। গতিকে আমি ক'ব পাৰো যে ব্যক্তিৰ ক্ৰিয়া আচৰণৰ মাজেদি ব্যক্তিত্ব প্ৰকাশ পায়। ব্যক্তিত্ব হ'ল দেহ-মানসিক ক্ষমতাসমূহৰ পৰিৱেশৰ লগত যোগাযোগ আৰু আদান-প্ৰদানৰ ফলত সামূহিক আৰু সু-সমন্বিতভাৱে বিকশিত ৰূপত গঢ়ি উঠা এটা জটিল অভিব্যক্তি। গতিকে ব্যক্তিত্ব হ'ল এক অমূৰ্ত্ত ধাৰণা, ইয়াৰ সহজ সংজ্ঞা দিবপৰা নাযায় । তথাপিতো মনোবিদ Wood Worth আৰু Marquis ৰ সংজ্ঞাটোকে গ্ৰহণযোগ্য যেন অনুমান কৰি তাক দাঙি ধৰিব পাৰি।

'ব্যক্তিত্ব হ'ল এজন ব্যক্তিৰ আচৰণৰ সৰ্বমুঠ গুণৰাশি, যি তেওঁৰ বৈশিষ্টপূৰ্ণ অভ্যস্ত চিন্তা আৰু প্ৰকাশ, মনোবৃত্তি, আগ্ৰহ, ক্ৰিয়া পদ্ধতি আৰু নিজ জীৱনদৰ্শনত প্ৰকাশ লাভ কৰে।' (Personality is the total quality of an individuals behaviour as it is related in his characteristic habit of thought and expression his attitudes interests his manners of acting and his own philosophy of life.) সেয়েহে আমি ক'ব পাৰোঁ ব্যক্তিৰ ব্যক্তিত্ব জন্মগত আৰু পৰিৱেশৰ পৰা লাভ কৰা কিছুমান গুণৰ সমষ্টি । যাৰ সহায়ত এজন ব্যক্তিক সেই গুণবোৰৰ কেন্দ্ৰ কৰি নামকৰণ কৰিবপৰা যায়।

শিশুৰ বয়সৰ লগে লগে তাৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক আদি গুণবোৰ বিকাশ হ'বলৈ ধৰে। পুথিগত জ্ঞান নাথাকিলেই এজন ব্যক্তিক ব্যক্তিত্বহীন বুলি ক'ব নোৱাৰি। তথাপিতো আমি সকলোৰে এটা কথা স্বীকাৰ কৰিব লাগিব যে শিশুৰ সুস্থ ব্যক্তিত্বৰ আশা কৰিবলৈ হ'লে আমি বিদ্যালয়ৰ কাষ চাপিবই লাগিব। এটা শিশু সাধাৰণতে ৫-৬ বছৰত বিদ্যালয়ত ভৰ্তি হয় আৰু তাৰ পিচৰপৰাই শিক্ষকৰ তত্বাৱধানত শিশুৰ জন্মজ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক আদি গুণবোৰৰ দ্ৰুত বিকাশ হ'বলৈ ধৰে ।

তেন্তে শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ প্ৰথম আৰু প্ৰধান দায়িত্ব হ'ল শিশুৰ জন্মগত গুণবোৰ (শাৰীৰিক, মানসিক, আবেগিক, সামাজিক)ক এক সুস্থ পৰিৱেশত উপযুক্তভাৱে বিকশাই তোলা । স্নায়বিক দ্ৰুততা, গতিশক্তি, অংগ সঞ্চালন ক্ষমতা, ক্ৰিয়া পদ্ধতি আদি শিশুৰ দৈহিক উপাদান । এই দিশসমূহৰ বিকাশতহে এজন ব্যক্তিৰ শাৰীৰিক দিশ উন্নত হয়। গতিকে শিক্ষকে শিক্ষানুষ্ঠানত নানা ক্ৰিয়া পদ্ধতিৰ মাজেৰে শিশুৰ শাৰীৰিক বিকাশৰ উপাদানবোৰ বিকাশ হোৱাত গুৰুত্ব দিব লাগে। বুদ্ধি, চিন্তা, যুক্তি, বিচাৰশক্তি, স্মৃতি, মনোযোগ আদি ব্যক্তিৰ মানসিক দিশৰ লগত জড়িত আৰু এইবোৰে ব্যক্তিৰ ক্ৰিয়া আচৰণৰ মানদণ্ড নিৰ্দ্ধাৰণ কৰে । গতিকে শিক্ষকে



শিশুৰ এনে দিশৰ প্ৰতি লক্ষ্য ৰাখি মানসিক দিশটো উন্নত হোৱাৰ লগতে ভৱিষ্যতে জীৱনধাৰণৰ মানদণ্ড উন্নত হোৱাত গুৰুত্ব দিব লাগে । এইখিনিতে শিশুৰ উদ্ভাৱন ক্ষমতা, সমস্যা, সমাধানৰ ক্ষমতা, সুস্থ সমাযোজন ক্ষমতা আদি ব্যক্তিত্ব গঠনকাৰী দিশসমূহ দৃষ্টিগোচৰ নোহোৱাকৈ থাকিব নালাগে। ভয়, ক্ৰোধ, ঘৃণা, শ্ৰদ্ধা, ঈৰ্ষা, প্ৰেম, আনন্দ আদি উপাদানসমূহ আবেগৰ লগত জড়িত । এই আবেগ ব্যক্তিজীৱনৰ লগত ওতঃপ্ৰোত সম্বন্ধ । সেয়েহে শিক্ষকে শিক্ষাৰ্থীক সকৰেপৰা আবেগিক দিশৰ উৎকৃষ্ট বিকাশ ঘটাই আবেগ নিয়ন্ত্ৰণৰ মাজেৰে আত্মসংযমী হোৱাৰ শিক্ষা দিব লাগে । মানুহ সামাজিক জীৱ । সমাজৰ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। সেইবাবে নেতৃত্ব, বন্ধুত্ব, সহযোগিতা আদিৰ মাধ্যমেৰে শিক্ষাৰ্থীৰ মনত এক সামাজিক মনোভাৱ গঢ় দি তোলাটো বৰ্তমান শিক্ষকৰ একমাত্ৰ কৰ্তব্য। এনে সামাজিক মনোভাৱে শিক্ষাৰ্থীৰ মনত এক আন্তঃজাতিক মনোভাৱ গঢ়ি উঠাত সহায় কৰে । শিশুক এক সত্য, শুদ্ধ, ন্যায় পথেৰে আগবাঢ়ি বৰ্তমান সময়ত এক বিশ্বভাতৃত্বৰ মনোভাৱ গঢ়ি তোলাটো বৰ্তমান শিক্ষক তথা শিক্ষানুষ্ঠানৰ অন্যতম দায়িত্ব।

শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ অন্য এক অতি প্ৰয়োজনীয় কাম হ'ল শিক্ষাৰ্থীক উপযুক্ত কৰাৰ আগতে শিক্ষক নিজে উপযুক্ত হোৱা । 'জ্বলি থকা এটি বন্তিৰপৰাহে অন্য এক প্ৰদীপ প্ৰজ্বলিত হ'ব পাৰে।' শিশুসকল যিহেতু অনুকৰণশীল, সেয়েহে শিক্ষকজন শিক্ষাৰ্থীৰ বাবে অনুকৰণীয় পাত্ৰ হ'ব লাগিব। শিক্ষকৰ কথা-বাৰ্তা, নম্ৰতা, সাধুতা, ভদ্ৰতা, পৰিস্কাৰ-পৰিচ্ছন্নতা, স্কুলৰ নিয়মাৱলী মানি চলা, আত্মসংযমী আদি শিক্ষকৰ গুণবোৰ শিক্ষাৰ্থীৰ বাবে অনুকৰণীয় হ'ব লাগে। শিক্ষকৰ এই গুণবোৰে শিক্ষাৰ্থীক বহু পৰিমাণে প্ৰভাৱান্বিত কৰে। সেইবাবে শিক্ষকে এনে গুণবোৰ শিক্ষাৰ্থীক অনুশীলন কৰোৱাই অভ্যাসত পৰিণত কৰাব লাগে। সৎ ব্যক্তিত্ব এক সৎ অভ্যাসৰ ফল বুলিব পাৰি। সেইবাবে সৎ ব্যক্তিত্বৰ গুণবোৰ শিশুৰ অভ্যাসত পৰিণত কৰাটো শিক্ষকৰ এক প্ৰধান দায়িত্ব। শিশুৰ ব্যক্তিত্ব গঠনৰ বেলিকা শিক্ষকৰ অন্য এক দায়িত্ব হ'ল শিশুৰ স্বাস্থ্যৰ প্ৰতি দৃষ্টি ৰখা । গতিকে সুস্থ মন অৰ্থাৎ সুস্থ ব্যক্তিত্ব গঠন কৰিবলৈ হ'লে শিশুৰ শাৰীৰিক, মানসিক সুস্থতাৰ প্ৰতি লক্ষ্য ৰখাটো শিক্ষকৰ একান্ত কৰ্তব্য ।

শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকৰ ভূমিকা বিচাৰ কৰি চালে আমি শিক্ষকসকলক এখন দেশৰ ভাগ্য নিৰ্মাতা বুলিব লাগিব। কাৰণ দেশৰ সুস্থ নাগৰিক তথা মানৱ সম্পদ সৃষ্টি হয় শিক্ষকৰ জৰিয়তেহে । এনে সুস্থ নাগৰিক তথা মানৱ সম্পদেহে দেশ এখনক উন্নতিৰ জখলাত আগুৱাই নিব পাৰে। আনহাতে বৰ্তমানৰ শিশুসকলক ভৱিষ্যতে সুস্থ নাগৰিক তথা মানৱসম্পদ ৰূপে যদি গঢ়ি তুলিবলৈ হয় তেন্তে তাত শিক্ষকৰ দায়িত্ব কিমান হ'ব পাৰে তাক বিশেষ নক'লেও অনুমান কৰিব পাৰি।

এইখিনিতে এটা কথা নক'লে হয়তো ভুল হ'ব যে শিশুৰ সুস্থ ব্যক্তিত্ব গঠনত অকল শিক্ষকেহে সহায় কৰে এনে নহয়। পৰিয়াল, সমাজৰ অন্যান্য অনুষ্ঠান আদিয়ে এই ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পেলাই। অৱশ্যে শিশুৰ ব্যক্তিত্ব গঠনত দুটা দিশহে আমাৰ বিশেষভাৱে দৃষ্টিগোচৰ হয়, যেনে (১) শিক্ষণৰ ভৌতিক অৱস্থা (Material Condition of Teaching) (২) শিক্ষকৰ ব্যক্তিত্ব (Teacher's Personality) এই দুটা উপাদানৰ উচিত পৰিমাণত মিশ্ৰিত হ'লেহে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব গঠন সন্তোষজনক হয়। যিহেতু 'অনুপযুক্ত ভৌতিক অৱস্থাত কাম কৰা উপযুক্ত শিক্ষকজন হাতিয়াৰ নথকা এজন সুদক্ষ মিস্ত্ৰিৰ দৰে। আনহাতে উপযুক্ত ভৌতিক অৱস্থাত কাম কৰা অনুপযুক্ত শিক্ষকজন ভাল হাতিয়াৰ থকা সামান্য যোগালিৰ দৰে।' গতিকে নিৰ্মাণ কাৰ্য্য ভাল হ'বলৈ হ'লে আমাক উপযুক্ত মিস্ত্ৰি (উপযুক্ত শিক্ষক) আৰু উপযুক্ত হাতিয়াৰ (উপযুক্ত পৰিৱেশ) লাগিব।

শেষত ক'ব পাৰি, শিশুৰ ব্যক্তিত্ব গঠনত শিক্ষকজন হ'ল এক অতুলনীয় উপাদান । শিশুৰ ব্যক্তিত্ব গঠনৰ শাৰীৰিক, মানসিক, আবেগিক, সামাজিক, আধ্যাত্মিক আদি দিশসমূহৰ যথোপযুক্ত বিকাশ সাধন কৰাত শিক্ষকৰ দৰে সহজলভ্য আন এজন প্ৰতিভাশালী ব্যক্তি সহজে আশা কৰিব নোৱাৰি ।□

*প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে । তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য । সত্য আৱিষ্কাৰৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু ।*

*- জগদীশ চন্দ্ৰ বসু*

# সমাজ সংস্কাৰত ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা

❑ ধৰিত্ৰী কছাৰী
স্নাতক, তৃতীয় বাৰ্ষিক

ছাত্ৰৰ প্ৰধান ব্ৰত হৈছে অধ্যয়ন। অধ্যয়নত ব্ৰতী হৈ সমাজৰ কল্যাণ সাধনত ছাত্ৰই মহৎ বৰঙণি যোগোৱাৰ থল আছে। ছাত্ৰসকলেই হৈছে দেশৰ ধৰণীস্বৰূপ আৰু সমাজৰ এটা বৃহৎ অংশ। প্ৰতিজন ছাত্ৰ সমাজৰে একো একোজন সদস্য, ভৱিষ্যতৰ নাগৰিক, জাতিৰ ভৱিষ্যত কৰ্ণধাৰ। সেয়েহে ছাত্ৰসকলে সমাজ বাদ দি থাকিব নোৱাৰে আৰু সমাজেও ছাত্ৰসমাজক বাদ দি সুকীয়া এখন সমাজৰ কল্পনা কৰিব নোৱাৰে। ইয়াৰ উপৰি সমাজৰ প্ৰতিজন ব্যক্তিয়েই আজিৰ জগতত সমাজ বাদ দি থাকিব নোৱাৰে। সমাজ বন্ধনৰপৰা মুক্ত হৈ, মুক্ত আকাশৰ তলত, মুক্ত পৰিৱেশত, মুক্ত জীৱন-যাপন কৰিও আলেকজেণ্ডাৰ চেলকাৰ্কেও শান্তি পোৱা নাছিল। সেয়েহে নিঃসঙ্গ জীৱনৰ ব্যথাৰ জ্বালাত সমাজ লাভৰ তীব্ৰ আকাঙ্খাত তেওঁ চিঞৰি উঠিছিল -

" Society, friendship and love.
Divinely bestwed upon man;
Oh ! had I the wings of a dove
How soon would I taste you again !"

বাঁহৰ কোমল এচাৰি এডাল যেনেদৰে ইচ্ছা অনুসৰি ইফাল-সিফাল কৰিব পাৰি ঠিক সেইদৰে ছাত্ৰ-ছাত্ৰীসকলো যিকোনো দিশেৰে গতি কৰিব পাৰে। সেই কাৰণে সৰু অৱস্থাৰপৰাই ছাত্ৰ-ছাত্ৰীসকলক ভালপথে পৰিচালনা কৰাটো অভিভাৱক তথা শিক্ষকসকলৰ প্ৰধান কৰ্তব্য।

ছাত্ৰ-ছাত্ৰীসকল বংশৰ, জাতিৰ, দেশৰ ভৱিষ্যত আশাৰ প্ৰদীপ। সমাজে, জাতিয়ে দেশে কামনা কৰে প্ৰতিজন ছাত্ৰই প্ৰকৃত শিক্ষা লাভ কৰি একো একোটি জ্ঞানৰ ভাণ্ডাৰ হওক; উৎসাহ, উদ্যম, কৰ্ম প্ৰেৰণাৰ মহীয়ান উৎস হওক। তেওঁলোকৰ পৰাই হাজাৰ হাজাৰ প্ৰজ্ঞাৰ, মনীষাৰ সৃষ্টি হওক। সমাজৰ সেই আশা, সেই স্বপ্ন বাস্তৱত ৰূপায়িত কৰি ছাত্ৰসমাজ হ'ব লাগিব জাতিৰ সেৱক, সাধক, কৰ্ণধাৰ। পুৰণি কালৰপৰাই আমাৰ সমাজখনত কু-সংস্কাৰ, অন্ধবিশ্বাসে গা কৰি উঠিছে। আমাৰ সমাজখনত যাতে এনে কু-সংস্কাৰ অন্ধবিশ্বাসে গা কৰি উঠিব নোৱাৰে তাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল সতৰ্ক হ'ব লাগে। মহৎ লোকৰ জীৱনী অধ্যয়ন, প্ৰগতিশীল সাহিত্য তথা সমাজ শাস্ত্ৰৰ গভীৰ অধ্যয়ন আৰু অনুশীলনৰ জৰিয়তে সমাজৰ ব্যভিচাৰ, ভণ্ডামি আদিৰ বিৰুদ্ধে সৎ যুক্তিৰে প্ৰতিবাদ কৰি অন্ধবিশ্বাস, ধৰ্মীয় সংকীৰ্ণতা, কু-সংস্কাৰৰ প্ৰচীৰ ভাঙিবলৈ ছাত্ৰ সমাজ আগবাঢ়ি আহিব লাগিব।

সমাজৰ ধৰ্মীয় আৰু সামাজিক দিশতো নানা সমস্যা আহি পৰিছে । এই সমস্যাবোৰে যাতে আমাৰ সুন্দৰ সমাজখনক নষ্ট কৰিব নোৱাৰে তাৰ প্ৰতি ছাত্ৰসমাজে অগ্ৰণীয় ভূমিকা ল'ব লাগে । এই ক্ষেত্ৰত অভিভাৱকসকলে ছাত্ৰ সমাজক এৰি নিদি সমাজৰ কামত আগবাঢ়ি যাবলৈ দিহা-পৰামৰ্শ দিব লাগে। অভিভাৱকসকলে চকু ৰখা উচিত যাতে ছাত্ৰসমাজ নেতৃত্বৰ স্বপ্নত বলিয়া নহৈ আন্তৰিকতাৰে তেওঁলোকৰ নিজ নিজ ভাৱাদৰ্শ সাৰোগত কৰি নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন হয়।

সামাজিক শিক্ষাৰ প্ৰভাৱতো আমাৰ সমাজত নানা সমস্যাৰ সৃষ্টি হৈছে। অৱশ্যে আজিকালি গাঁৱে-গাঁৱে প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ জৰিয়তে কিছু সমস্যা সমাধান হোৱা দেখা গৈছে। দেখা গৈছে যে আজিকালি ছাত্ৰসমাজে প্ৰতি খোজে খোজে কিছুমান নকৰিবলগীয়া কামো কৰিবলৈ আগবাঢ়ি আহিছে। ফলত সমাজত নানা বেমেজালিৰ সৃষ্টি হ'বলৈ ধৰিছে। সমাজত যাতে এনে পৰিস্থিতিয়ে দেখা দিব নোৱাৰে তাৰবাবে ছাত্ৰশক্তিয়ে সুচিন্তাৰে, সুপৰিকল্পিতভাৱে শিক্ষিত ব্যক্তিৰ পৰামৰ্শ লৈ সমাজৰ উন্নতি সাধনত আগবাঢ়ি যাব লাগে।

গতিকে ছাত্ৰসমাজে অধ্যয়নৰ দ্বাৰা নিজকে গুণী, জ্ঞানী, সেৱী, কৰ্মী কৰি গঢ়ি তুলি নিজে পূৰ্ণ বিকশিত হৈ নিজৰ প্ৰতিভাৰ জেউতিৰে সমাজক প্ৰতিভাত কৰি তুলিব লাগে।

শেষত এটা কথাই উল্লেখ কৰিব বিচাৰিছোঁ যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অবাবত সময় নষ্ট নকৰি দেশখনক ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাকৈ সংস্কাৰমুখী কৰি তুলিবলৈ চেষ্টা কৰাটো নিতান্তই প্ৰয়োজনীয় । ❑



# টেটোন তামুলী ঃ এটি পৰিচয়

❑ সুশীলা দেউৰী

পদ্মনাথ গোহাঞি বৰুৱাৰ 'টেটোন তামুলী (১৯০৮) লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'লিটিকাই', 'নিকৰপতি চিকৰপতি' আদি ধেমেলীয়া নাট সমূহৰ পাছতে এখন লেখত ল'বলগীয়া ধেমেলীয়া নাটক । আমাৰ সমাজৰ পূৰ্ব পৰিচিত এটি কাহিনীকে গোহাঞিবৰুৱাদেৱে নিজস্ব কৌশলেৰে এক নিটোল ৰূপত প্ৰকাশ কৰিছে । নাট্যকাৰে নাটকখনৰ 'পাতনিত' নিজেই এনেদৰে লিখিছে ঃ 'টেটোন তামুলীৰ বিষয়ে অসমীয়া ৰাইজে আগৰেপৰা ভালকৈ জানে । এই বিষয়ে এফেৰিমান বঢ়াই ক'বলৈ গ'লেও অতিৰঞ্জিত হোৱাৰহে ভয় । গতিকে, ৰাইজৰ মূল বস্তুও কোনো লৰচৰ নঘটাই, তাক নাট্য মন্দিৰত উলিয়াব পৰাকৈ সজোৱা হ'ল মাথোন । কিন্তু, লিখকৰ কাল্পনিক সাজপাৰে যে মূল চিত্ৰৰ আচল জেউতিত অলপ হীন-ডেঢ়ি ঘটাইছে সেইটো তেওঁ স্বীকাৰ কৰে ।'

'টেটোন তামুলী' আচলতে সম্পূৰ্ণ গাঁৱলীয়া পটভূমিত লিখিত এখন সাৰ্থক প্ৰহসন (Farce) এনে নাটকত কিছুমান অদ্ভুত পৰিস্থিতি বা অৱস্থাৰ অৱতাৰণা কৰি দৰ্শকক হাঁহিৰ খোৰাক যোগোৱা হয় । M.H. Abrams য়ে কৈছে, 'Farce is a type of comedy designed to provoke the audiencè to simple, hearty laughter' এনে নাটকত স্বাভাৱিক অৱস্থাৰ লগত পৰিস্থিতি বা অৱস্থাৰ সাধাৰণতে সম্পৰ্ক নাথাকে । নাটকীয় চৰিত্ৰবোৰকো স্বাভাৱিকভাৱে উপস্থাপিত কৰা নহয় । ধেমেলীয়া নাটকৰ মূল উপজীব্য হৈছে অস্বাভাৱিকতা, চাঞ্চল্য আৰু খাপচৰা পৰিস্থিতি ।

'টেটোন তামুলী'ৰ মূল চৰিত্ৰ টেটোন । নাটকৰ আৰম্ভণিতে মাছলৈ যোৱা বায়েকলৈ টেটোন বাট চাই থাকোতেই ভিনিহিয়েক আহি ওলাইহি । চঁপা গছ নিবলৈ অহা ভিনিহিয়েকক বুদ্ধিৰে খেদি পঠিওৱা ('এ, ভিনিহি, চঁপা গছৰ আশাটি এৰিলেই ভাল । আমাৰ দাঁত খৰিকা কৰিবলৈ বুলি সেই গছ জোপা বোপায়ে কাটিবলৈ মোক কালিয়েই কৈ থৈছে ।') টেটোনক বাপেকে ঘৰৰপৰা ওলাই যাবলৈ কয় । 'তুমি জী-জোঁৱাই লৈয়েই থাকা' বুলি 'আপোনমনেৰে' টেটোন ঘৰৰপৰা ওলাই যায় । গৈ গৈ টেটোনে দুটা চোৰক লগ পায় । চোৰৰ বোকোচাত উঠি সি এঘৰ চহকী গৃহস্থৰ ঘৰত চুৰ কৰিবলৈ যায় । দুই চোৰ বাহিৰত ৰৈ টেটোনক ভিতৰলৈ সুমুৱাই দিয়ে । ভোকত কলমতিয়াই থকা টেটোনে খোৱা বস্তু বিচাৰি থাকোতেই এটা ভগা ঢোলত হাত পৰেগৈ, সান্দহৰ কলহ বুলি চাওঁতেই টেটোনৰ মনত পৰিল - 'লগৰীয়াই বজাই চাবলৈ কৈছিল নহয় ।' ঢোলৰ মাত শুনি শোৱাৰ পৰা উঠি গৃহস্থই টেটোনক ধৰি পেলায় । কঁকালত বান্ধি দি লৈ গৈ থাকোতে এজন হালোৱাৰ অনুৰোধত গৃহস্থজনে টেটোনক বলধ এটা ধৰি আনিবলৈ পঠায় । হালোৱাৰ কথা বুজি টেটোন গৈ এডাল টোকোনেৰে গৰুটো 'ৰাখি থৈ' আহে । গৰুটো মৰাৰ অপৰাধত হালোৱাইও টেটোনৰ কঁকালত ৰছী লগায় । বাটত যাওঁতে তেওঁলোকে এজনী পোহাৰীক কল বেছি থকা দেখিলে । কল খোজোতে পোহাৰীয়ে টেটোনক ক'লে - 'পইচাটো পেলাবি, কল আষি লবি, বুকুত গোৰ মাৰি গুচি যাবি । টেটোনেতো কথামতেই কাম কৰে । গতিকে পোহাৰীয়েও ৰজাৰ ওচৰত গোচৰ দিবলৈ টেটোনৰ কঁকালত জৰী লগালে । তিনিজন গোচৰীয়া বিচাৰত হাৰিল । টেটোনে কথাৰ চাতুৰীৰে এশ, এহাজাৰ আৰু এক লাখ টকা লাভ কৰি শেষত ন্যায় সোধা ফুকনৰ জীয়েক চম্পাক বিয়া কৰাবলৈও সক্ষম হ'ল । অৱশেষত টেটোনৰ অকাট্য যুক্তি শুনি সন্তুষ্ট হৈ ৰজাই তেওঁক 'তামুলী' খিতাপ দিলে । ধুমধামেৰে তামুলী আৰু চম্পাৰ বিয়া হৈ গ'ল । চমুকৈ 'টেটোন তামুলী' নাটকৰ কাহিনী এয়েই । নিভাঁজ হাস্যৰস, গাৱলীয়া জীৱনৰ নিখুঁত পৰিৱেশ সুন্দৰভাৱে প্ৰদৰ্শন কৰাত নাট্যকাৰ সফল হৈছে । দৃশ্যবোৰত কথিত গদ্য সংলাপৰ ব্যৱহাৰৰ লগতে কাব্যিক প্ৰভাৱে ৰূপত ৰহণ চৰাইছে ঃ

'পোহাৰীঃ বোলে, ক'ৰপৰা আহিলি ক'ত দিলি ভৰি,
চোতালখন ফাটি গ'ল ছাঁট ছাঁট কৰি ।'

সবল আৰু নিৰ্বোধ চহা চৰিত্ৰৰ সমাবেশ আৰু কথা-বতৰাই আমাক হাঁহিৰ খোৰাক যোগাইছে । ঘটনাৰ অস্বাভাৱিকতা এই নাটকত জল জল পট পটকৈ ওলাই পৰিছে । এই নাটকৰ জৰিয়তে বিশুদ্ধ হাস্যৰসৰ যোগান ধৰি নাট্যকাৰ গোহাঞিবৰুৱাদেৱে অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীলৈ এক উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ গৈছে । ❖❖

# আড্ডা সংস্কৃতি আৰু ইয়াৰ প্ৰাসঙ্গিকতা

❑ জিতুমণি গগৈ
উচ্চতৰ ২য় বৰ্ষ

আড্ডা বুলিলে প্ৰথমতে আমাৰ মাজত প্ৰশ্ন হ'ব আড্ডা প্ৰকৃততে কি, ক'ৰপৰা আৰু কেনেকৈ সৃষ্টি হয় ? সহজ অৰ্থত মনে মিলা বন্ধু অথবা কোনো অগ্ৰজ, অনুজ সকলৰ লগত দিনটোৰ যি কোনো আজৰি সময়ত বিভিন্ন বিষয়ৰ কথাৰ মহলা মৰা কাৰ্য্যকেই সাধাৰণতে আড্ডা বুলি কোৱা হয় । এই শব্দটো অসমীয়া ভাষালৈ আমদানি হৈ কৰা হৈছে । ইংৰাজীত ইয়াক (GOSSIP) বোলা হয় ।

ঠাই, পৰিৱেশ আৰু ব্যক্তি বিশেষে এই আড্ডাবোৰৰ চেহেৰা বেলেগ বেলেগ হয় । এটা সুস্থ আড্ডাই আড্ডা অংশ গ্ৰহণকাৰীসকলক এটা সুস্থ চিন্তাৰ প্ৰতি অনুপ্ৰেৰণা যোগায় । আড্ডাত প্ৰধানকৈ আলোচনা কৰা বিষয়সমূহ ভিন্ন ধৰণৰ হ'ব পাৰে । যেনে ঃ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, বিপ্লৱীক, ব্যক্তিগত, সাহিত্য, ক্ৰীড়া, ভ্ৰমণৰ, অতীত ৰোমন্থন, পৰচৰ্চা বা দুখলগাকৈ বজৰুৱা আলোচনা ইত্যাদি ।

যুৱকসকলে মনৰ ৰুচিৰ বাবে আড্ডা চৰিত্ৰ কিছুক্ষেত্ৰত বেয়া ফালে যোৱা দেখিবলৈ পোৱা যায় । বৰ্তমান সময়ত প্ৰায়বোৰ আড্ডা বিনোদনৰ মাধ্যম হিচাপে পৰিগণিত হৈছে । স্বাভাৱিকতে আড্ডাৰ প্ৰতি সৰ্বসাধাৰণ কিছু মানুহৰ এটা দুৰ্বলতা আৰু কিছুমানে ইয়াক সু দৃষ্টিৰে চাবলৈ কুণ্ঠাবোধ কৰে । অৱশ্যে ইয়াৰ কাৰণ নোহোৱাও নহয় । আজি কালি আড্ডা বুলিলেই হাতত জ্বলন্ত চিগাৰেট, মুখত অশ্লীল ভাষা আৰু বিষয়বস্তু হৈছে অমুকৰ লগত অমুকৰ প্ৰেম, কোনজনী ছোৱালী কি ড্ৰেচত ভাল লাগে ইত্যাদি । এনে বিষয়বস্তু আলোচনাৰ ওপৰত কোনো অভিভাৱকে ভাল মন্তব্য নিদিয়াটো স্বাভাৱিক । আড্ডাৰ যোগেদি যুৱ সমাজে সমাজ পাতেও, ভাঙেও ।

মহাবিদ্যালয়তো একো একোটা আড্ডা সংস্কৃতি গঢ় লৈ উঠা দেখা যায় । ছাত্ৰ-ছাত্ৰীসকলে অফ পিৰিয়দ আদিত কমন ৰুম, কলেজৰ কৰিডৰত, ফিল্ডত, গছৰ তলত পাচ-ছয়জন লগলাগি কোনো বিষয়ৰ ওপৰত আলোকপাত কৰে । এটা সুস্থ আড্ডাই ছাত্ৰ-ছাত্ৰী আৰু ডেকা চামক এক নতুন সৃষ্টি অনুপ্ৰেৰণা যোগায় । ছাত্ৰ-ছাত্ৰী সকলে যদি এনে জিৰণি সময়ত কোনো লেখক, নেতা বা সামাজিক পৰিস্থিতিৰ ওপৰত আড্ডা দিয়ে অৰ্থাৎ আলোচনা কৰে তেন্তে নিজৰ উপৰি দহৰ উপকাৰ হ'ব ।

বৰ্তমান দিনত এচাম স্বাৰ্থপৰ লোকৰ তাগিদাত আমাৰ সমাজত চোৰৰ আড্ডা, জুৱাৰীৰ আড্ডা, মদৰ আড্ডা, বজৰুৱা আড্ডা আদিয়ে এই সুন্দৰ সমাজ ব্যৱস্থাক পঙ্গু কৰিছে । আজিকালি আড্ডাত সাহিত্য সংস্কৃতি বিষয়বস্তু হোৱা উদাহৰণ খুবেই বিৰল । মুঠতে আড্ডাত সৃষ্টি নামৰ অত্যাৱশ্যকীয় বস্তুটো স্থান দিবলৈ হ'লে গুৰুত্বপূৰ্ণ হ'ল অংশ গ্ৰহণকাৰী কেইজন । কোলাহল পূৰ্ণ জীৱনৰ সৈতে সহবাস কৰোতে কৰোতে বহুতে জীৱনৰ আত্মীয়তা অনুভৱ পাহৰিয়ে গৈছে । এনে অনুভূতি হোৱা আড্ডাবোৰে জীৱনৰ সৰহ সময় তৰল আলোচনাৰে অপব্যয় কৰে ।

যিসকল লোকে জীৱনটোক এক সুন্দৰ আৰাধনা হিচাপে ৰূপ দিব বিচাৰে সেইসকলে যেন আড্ডাক জীৱনৰ এক অন্যতম কলা হিচাপে ধৰে । আড্ডাই বিৱেক, মন নিৰ্মল কৰাৰ লগতে সুস্থ সমাজৰ ভেটি গঢ়িব পাৰে । এনেকৈয়ে আমাৰ সমাজত আড্ডাৰ জৰিয়তে বহু মহৎ সংগঠন, অনুষ্ঠান জন্ম হৈছে ।

পৃথিৱীৰ বহুতো মহৎ লেখকে জীৱনৰ আদি পাঠ ৰচনা কৰিছিল এই আড্ডা কৰ্মশালাতে । মহান দাৰ্শনিক ছক্ৰেটিছো এজন আড্ডাবাজ আছিল । তেওঁ বহুতো কথাৰ সমল এই আড্ডাতেই পাইছিল । আমাৰ শ্ৰদ্ধেয় লেখক হোমেন বৰগোহাঞি দেৱৰ বহুতো ৰচনাৰ সমল আড্ডাৰ অভিজ্ঞতাৰ ভেটিত । তেওঁ 'আধুনিকা' নামৰ কবিতাটি তাচৰ আড্ডাতেই ৰচনা কৰিছিল ।

অলপতে এজন ছাত্ৰ বন্ধুক এটা লাইব্ৰেৰীত লগ পালো । তেওঁ হোমেন বৰগোহাঞিৰ দেৱৰ ব্যক্তিত্বৰ ওপৰত কিতাপ বিচাৰি আছিল । যিজন ল'ৰাই নিজৰ পাঠ্যপুথিৰ বাদে অন্য কিতাপ চুই পোৱা নাই তেনে এজন ল'ৰাই বৰগোহাঞি দেৱৰ ৰচনাৱলী সংগ্ৰহ কৰাত আচৰিত হ'লো আৰু তাৰ কাৰণ জানিব বিচৰাত জানিব পাৰিলো যে তেওঁলোকৰ আজি হৈ যোৱা আড্ডাৰ বিষয়বস্তু আছিল হোমেন বৰগোহাঞি ।

আড্ডাৰ উচ্ছৃংখলতাৰ দিশটোৰ বাবেই আজি অভিভাৱক সকলে আড্ডা সংস্কৃতিক সহজ ভাৱে মানি ল'ব নোৱাৰে । আড্ডা তেতিয়াহে সামাজিক ব্যাধি হয়, যেতিয়া ই সামূহিক হিতৰ বিপৰীতে যায় ।

মোৰ বোধেৰে কেইজনমান চেঙেলীয়া ডেকাৰ উদ্ভণ্ডালিয়ে আড্ডা নহয় ; ইয়াৰ যে এটা সুস্থ ৰূপ আছে এই কথা অভিভাৱকসকলে উপলব্ধি কৰিব পৰাকৈ আড্ডাবোৰ পৰিচালিত কৰিব পাৰিলেহে তেওঁলোকে আড্ডা সংস্কৃতিক সহজ ভাৱে ল'ব পাৰিব । আড্ডা যেতিয়া থাকিবই তেন্তে ইয়াৰ মিলনক্ষেত্ৰ হওক সুস্থ মনৰ ।

❖❖



উপন্যাসিকা

# ভুলৰ সমাধি আৰু বৈশালী

❑ দিব্য গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

(১)

"বৈশালী তুমি বেয়া নোপোৱা যদি তোমাক কথা এটা সোধো বুলি ভাবিছোঁ ।' সহকৰ্মী মানসীৰ অবাঞ্চিত মন্তব্যত বৈশালী ক্ষণিকৰ বাবে হ'লেও বিস্মিত হৈ পৰিছিল । বৈশালীয়ে গম্ভীৰ হৈ কৈছিল - 'সুধিব পাৰা ।'

মানসীয়ে লক্ষ্য কৰিছে, যি সময়ত মানুহ চঞ্চল হয়, অকাৰণতে খিলখিলাই হাঁহে সেই সময়ত বৈশালী বেচ উদাসীন আৰু আনমনা হৈ থাকে । স্বভাৱজাত চঞ্চলামিৰ বিপৰীতে বৈশালীয়ে যেন অদ্ভুত ধৰণৰ এক গাম্ভীৰ্য্যতা বজাই ৰাখে ।

'বৈশালী আজি কিছুদিনৰপৰা তোমাৰ কিছুমান পৰিবৰ্তন দেখি মোৰ ভাব হৈছে তুমি যেন গভীৰ দুখত নিমজ্জিত হৈ আছা । তোমাৰ এই পৰিবৰ্তনে মোক চিন্তিত কৰি তুলিছে । তোমাৰ বন্ধু হিচাপে সহকৰ্মী হিচাপে তোমাৰ প্ৰতি মোৰ জানো কোনো দায়িত্ব থাকিব নোৱাৰে ? তুমি কথাবোৰ মোৰপৰা কিয় আঁৰ কৰি ৰাখিছা ? তোমাৰ কি হৈছে মোক খুলি কোৱা । বৈশালী, তুমি মোক বিশ্বাসত ল'ব পাৰা ।'

তুমি মিছায়ে চিন্তা কৰিছা মানসী, মোৰ একো হোৱা নাই ।'

'সকলো সময়তে নিজকে এখন মুখাৰে ঢাকি ৰখাৰ যত্ন নকৰিবা বৈশালী । মই জানো তুমি নিজৰ ব্যক্তিগত কথাৰে লোকক ব্যতিব্যস্ত কৰিব নোখোজা । কিন্তু বন্ধুত্বৰ খাতিৰত মোকতো জনাব পাৰা । হৈছে কি তোমাৰ, যাৰ বাবে তুমি মনে মনে নিজক শেষ কৰি দিব পাৰা ।'

(২)

সেউজীয়া গাৱঁৰ সেউজী পৰিৱেশত বৈশালীৰ শৈশৱ অতিবাহিত হৈছিল । দুখীয়া মাক-দেউতাকৰ একমাত্ৰ সন্তান ভিতৰুৱা গাৱঁৰ জৰাজীৰ্ণ স্কুললৈ গৈছিল হাতত এখন ঢাৰি লৈ । এশ্ৰেণী এশ্ৰেণীকৈ উত্তীৰ্ণ হৈ বৈশালী চতুৰ্থ শ্ৰেণী পাইছিলগৈ । তেনে সময়তে বৈশালীৰ দেউতাক এদিন ঘৰৰপৰা নোহোৱা হ'ল । বহুত বিচাৰ খোচাৰ কৰিও বৈশালীৰ দেউতাকৰ কোনো সুং-সূত্ৰ নোলাল । বৈশালীৰ দেউতাকৰ বন্ধু বিজন খুড়াই স্থানীয় থানাত এখন এজাহাৰো দিলে । কথাটো নানাজনে নানাভাৱে ব্যাখ্যা দিলে । কিছুমানে ক'লে 'নদীত উটি গ'ল' । কোনোৱে ক'লে 'বৈশালীৰ মাক দুঃচৰিত্ৰা । গতিকে মনৰ দুখতে বাপেক ঘৰৰপৰা নোহোৱা হ'ল ।' কোনোৱে ক'লে - 'গাৱঁৰ কাৰোবাৰ লগত মাটিবাৰী সম্পৰ্কীয় কাঁজিয়া আছিল। হয়তো মাৰি-মেলি পুতি থ'লে ।' বৈশালীৰ মাকৰ জীৱনলৈ অমানিশা নামি আহিল । অকণমানি বৈশালীক সাৱটি ধৰি মাক দময়ন্তী দিক্‌হাৰা হৈ পৰিল । বিজন খুড়াই দময়ন্তী আৰু বৈশালীৰ দায়িত্ব ল'ব খুজিছিল । কিন্তু তেতিয়াও শিৰত ডাঙৰকৈ সেন্দূৰ লৈ থকা দময়ন্তীয়ে বিজন খুড়াৰ প্ৰস্তাৱ দৃঢ়তাৰে প্ৰত্যাখ্যান কৰিছিল ।

(৩)

"মানসী মই যেন নিজৰ ওচৰতে হাৰি গ'লোঁ । ধৈৰ্য্য, সাহস আৰু দৃঢ়তা সকলোবোৰ আজি শিথিল হৈ পৰিছে ।'

'মই জানিছোঁ বৈশালী, তুমি মোৰপৰা নিজক লুকুৱাই থ'ব খুজিলেও তুমি যে তীব্ৰ মানসিক অন্তদ্বৰ্ন্দ্বত ভাগি পৰিছা সেয়া তোমাৰ মুখ দেখিলেই বুজা গৈছে । কিন্তু তুমিয়েইতো এদিন কৈছিলা ঃ প্ৰেমৰ ওপৰত থকা অগাধ বিশ্বাস, জ্ঞানৰ প্ৰতি থকা অপৰিসীম তৃষ্ণা আৰু নিপীড়িত মানৱৰ প্ৰতি থকা প্ৰৱল সমবেদনাৰে আমি শূন্য জীৱনবোৰ সুন্দৰ কৰি তুলিব পাৰোঁ ।'

"কিয় জানো মই ইমান দুৰ্বল হৈ পৰিছো ! মাৰ মুখখন দেখিলেই মোৰ শৃংখলিত মনটোক বিশৃংখল চিন্তাৰে আগুৰি ধৰে ।'

সমুখত দুকাপ গৰম চাহ লৈ দুইজনী বাটৰ কাষৰ হোটেল এখনত সোমাই পৰিল । হোটেলখনত অন্য গ্ৰাহক নাই । দুয়ো প্ৰাণখুলি কথা পাতিব পাৰিব । তাৰ পিছত বৈশালীয়ে মানসীক কৈ গৈছিল, মাকে কোৱা নিজা কিছুমান তিক্ত অভিজ্ঞতা, তাই অমৰক লগ পোৱাৰ কথা, অমৰক ভাল পোৱাৰ কথা । জীৱনটো এখন উকা কাপোৰ, সুখে-দুখে তাত ফুলৰ চানেকী তুলি যায় । বৈশালীৰ জীৱনটো এটাৰ পাছত আনটো ধুমুহাই তোলপাৰ লগাব লাগিছে । তাইৰ শৈক্ষিক জীৱনৰ সফলতাই ক্ষণিকৰ বাবে সুখ আনিলেও অমৰৰ অবুজ আৰু অনমনীয় ব্যৱহাৰে তাইক আজি মুক কৰি পেলাইছে ।

"সৰুৰে পৰাই দুখৰ মাজতে ডাঙৰ হৈ মাৰ চকুৰ চকুলো

দেখি দেখি হাঁহিবলৈ পাহৰিছো মানসী ।'

মানসীয়ে বৈশালীক সান্ত্বনা দিয়াৰ ভাষা বিচাৰি পোৱা নাছিল । তথাপি তাই কৈছিল,

"তথাপি তুমি জানো ধৈৰ্য্য হেৰুৱাই পেলোৱা উচিত হ'ব । 'We should not let our spirit be killed.'

ধীৰে ধীৰে এজাক মৃদু বতাহ বলিছিল । মনৰ মাজত অতদিন থুপখাই থকা কথাবোৰ ক'বলৈ পাই বৈশালীৰ বহুত পাতল লাগিছিল । বৈশালী আৰু মানসী চাহৰ পইচা দি বাটলৈ ওলাই আহিল। আবেলিৰ বেলিটো পশ্চিমফালে গৈ বাঁহনিখনৰ সিপাৰে লুকাই পৰিব খুজিছে । বাঁহনিডৰাৰ ফাঁকে ফাঁকে সিঁচি দিছিল তেজৰঙা এসোপা ৰং ।

(৪)

মা ধনীৰ ঘৰৰ জীয়ৰী। ঘৰৰ অমতত এদিন প্ৰেমত পৰি (মায়ে বাৰু ভুল কৰিছিলনেকি ?) দেউতাৰ লগত পলাই আহিছিল । ঘৰখনে মাক ত্যাগ কৰিছিল । হেম বৰুৱাৰ 'মমতাৰ চিঠি'-কবিতাটো ধুনীয়াকৈ আবৃত্তি কৰা মাও এদিন 'মমতা' হৈ পৰিল । নিয়তীয়ে মাৰফালে চাই ক্ৰুৰ হাঁহি মাৰিছিল । দেউতাই মাক অকলশৰীয়া কৰিলে । মানসীক মানুহ কৰিবলৈ মায়ে গাৱঁৰে সমবায় ভিত্তিত গঢ়ি উঠা তাঁতশালৰ কেন্দ্ৰটোত নিয়মিত তাঁত ব'বলৈ আৰম্ভ কৰিছিল । সেই সময়খিনিতে মায়ে মানুহৰ লালসা, স্বাৰ্থপৰতা আৰু নিষ্ঠুৰতাৰ লগত চিনাকী হৈছিল । ৰাতি ৰাতি মায়ে কান্দিছিল । আৰু মই ! মাৰ কান্দোন চাই চাই মনটোক আৰু সুদৃঢ় কৰিছিলোঁ । নিয়মিত পঢ়া-শুনা কৰিছিলোঁ; আৰু এদিন সুখ্যাতিৰে স্থানীয় কলেজখনৰপৰা বি, এ, পাছ কৰিলোঁ । মোৰ সাফল্যৰ খবৰ বহুদিনৰ মূৰত খিলঙত থকা বিজন খুড়ালৈ পঠালোঁ । আৰু বিজন খুড়াৰ চেষ্টাতে এয়া মই স্কুলত চাকৰি কৰি আছোঁ । মায়ে তেওঁৰ সমস্ত শক্তিৰে মোক মানুহ কৰি তুলিলে আৰু অৱশেষত মই এয়া কি কৰিলোঁ । মইও এপাহ তলসৰা ফুলনেকি ? জীৱনটোৱেতো এপাহ ফুল। তাৰ সৌন্দৰ্য্য আৰু সুৰভি ক্ষন্তেকীয়া । তথাপি, তথাপি জীয়াই থকা দিনকেইটাততো এপাহ ফুলে আনন্দত হালি-জালি গান গাই; নাচে, সুৰভি বিলায় । মই এপাহ তেন্তে মৰহি যোৱা ফুল ।

(৫)

"মাৰ জীৱনলৈ প্ৰেমৰ বলিয়া বানে অশান্তি আৰু আন্ধাৰ নমাই আনিছিল । মোৰ জীৱনতো নভবা-নিচিন্তাকৈ মই একেটাই ভুল কৰিলোঁ মানসী । মাৰ ভুলে মোক একো শিক্ষা দিব নোৱাৰিলে ।'

'কিন্তু প্ৰেম মানেইতো ভুল নহয় বৈশালী । প্ৰেমে মানুহক মহান হে কৰে ।'

তুমি মানৱ প্ৰেমৰ কথা কৈছা মানসী । মোক অন্ধ কৰিছিল ব্যক্তি প্ৰেমে । ঘটনাৰ পাকচক্ৰত এদিন অমৰ দত্তৰ লগত চিনাকী হ'লোঁ । লাহে লাহে অমৰে মিঠা কথাৰে, ভুৱা আদৰ্শৰ প্ৰলোভনেৰে মোক প্ৰলোভিত কৰিবলৈ আৰম্ভ কৰিলে। যেতিয়া তাৰ আচল স্বভাৱ গম পাইছিলোঁ, তেতিয়া মই বহুত চেষ্টা কৰিলোঁ অমৰৰ চৰিত্ৰ সলাবলৈ । কিন্তু তেওঁৰ আঁকোৰগোজ আৰু অবুজন স্বভাৱক মই ভাল পথ দেখুৱাবলৈ অপাৰগ হ'লোঁ । অমৰ আছিল মাক-দেউতাকৰ একমাত্ৰ spoiled child.'

'মই বিশ্বাস কৰোঁ বৈশালী, প্ৰেমৰ এনে এক প্ৰবল শক্তি আছে যিয়ে অমানুহকো মানুহ কৰিব পাৰে ; কলুষ-কালিমাৰে ভৰা মানুহকো মহান কৰি তুলিব পাৰে । তুমি তোমাৰ ওপৰত বিশ্বাস ৰাখা বৈশালী ।'

'মই আপ্ৰাণ চেষ্টা কৰিলো অমৰক সৎ বাটলৈ আনিবলৈ। মোৰ কথা মতেই তেওঁ কিছুমান সামাজিক কামতো আত্মনিয়োগ কৰিছিল । এবাৰ বানপানী অধ্যুষিত এলেকাত সাহায্য দিবলৈ এটা দলো গঠন কৰিছিল । তাৰ পাছৰে পৰাই অমৰৰ মূৰত অন্য ধৰণৰ চিন্তা কিছুমানে ঠাই পাইছিল । এদিন নিশা প্ৰায় আঁঠমান বজাত অমৰ আমাৰ ঘৰলৈ আহিছিল । মোক স্তম্ভিত কৰি অমৰে উগ্ৰপন্থী সংগঠন এটাত যোগ দিয়াৰ প্ৰস্তাৱ দিছিল । মই অমৰক বহুত বুজালোঁ । কান্দিলোও বহুত। অনুনয় বিনয় কৰিলোঁ । সি নামানিলে । মই তাক ধৰি ৰাখিব নোৱাৰিলোঁ ।'

'তুমি আগতে মানুহক ভাল পাবলৈ শিকা অমৰ, তাৰ পাছত দেশৰ কথা ভাবিবা । তুমি নিষ্ঠুৰ পথটোক কিয় আদৰিবলৈ গৈছা ?' মোৰ কোনো যুক্তিয়েই অমৰক তলাব নোৱাৰিলে । ইমানদিনে মায়ে নজনাকৈ থকা কথাবোৰ মাক সেইদিনাহে জনাইছিলোঁ । বোধহয়, মাৰপৰা কথা লুকুৱাটোৱেই মোৰ পাপ হ'ল । যিজনী মায়ে মোৰ কথা ভাবিয়েই বিজন খুড়াৰ দৰে মানুহৰো বিয়াৰ প্ৰস্তাৱ নাকচ কৰিলে, তেওঁৰ পৰাই মই কথা লুকাইছিলোঁ ।' বৈশালীৰ দুচকুৱে অহৰহ পানী ব'বলৈ ধৰিলে । বহুত দিন বান্ধি ৰখা দুখবোৰ যেন ভেটা ভাগি বৈ আহিল । মানসী এতিয়া কেৱল নীৰৱ দৰ্শক । সান্ত্বনা দিবলৈ তাই কোনো ভাষা বিচাৰি নাপালে । তাই অনুভৱ কৰিলে তাইৰ চকুযোৰো সেমেকি আহিছে ।

(৬)

'ভুল মোৰনে তোমাৰ, অমৰ ? আচলতে তোমালোক ভীৰু । তোমালোকে নিজৰ মুখামুখি হ'বলৈ ভয় কৰিছা । তোমালোকে পৰিস্থিতিৰ লগত সাহসেৰে মোকামিলা কৰিবলৈ নোৱাৰিহে পলায়নবাদৰ আশ্ৰয় লৈছা । অসমৰ চাহ উদ্যোগ, অসমৰ তৈল সম্পদৰ ওপৰত চলি অহা শোষণক তোমালোকে



সংঘবদ্ধ ভাৱে নিৰ্মূল কৰা; মৃত্যুৰ লগত খেলা নকৰিবা অমৰ; আমাৰ জীৱনবোৰ ফুলৰ দৰে ক্ষণস্থায়ী যদিও অমূল্য । আহা, এই খাবলৈ নোপোৱা বুবুক্ষু মানুহবোৰৰ কাষত থিয় দিয়া, তেওঁলোকে যাতে এসাজ পেট পুৰাই খাবলৈ পায়; ৰাস্তাৰ কাষত শুই থকা নিশকতীয়া শিশুবোৰৰ কাষত থিয় দিয়া; সিহঁতে যাতে এখন উমাল হৃদয়ৰ স্পৰ্শ পায়; অঘৰী মানুহবোৰক থাকিবলৈ অকণমান আশ্ৰয় দিয়া, সিহঁতে যেন নিৰাপদে এঘুমটি মাৰিবলৈ পায় ।

অমৰ যাওঁতে মোক এটা নতুন জীৱন আৰম্ভ কৰিবলৈ কৈ গৈছিল । মানুহৰ হৃদয় জানো বাঁহ-কাঠেৰে তৈয়াৰী এক হাথিয়াৰ যে মন গ'লেই তাক সলাই ল'ব পাৰি !

দেউতা কেনি গ'ল কোনো উৱাদিহ নোলাল । অমৰে যোৱাৰ বাটটোৰ সন্ধেদ দি গ'ল । দেউতা হেৰাই গ'ল । অমৰো হেৰাই গ'ল । বুকুত জীয়া জুঁই লৈ জীয়াই থাকিলোঁ মই আৰু মা । মাৰ চকুলৈ চালোঁ । একেথৰে মোৰ চকুলৈ , মোৰ মুখলৈ চাই আছে । মাৰ মুখত যেন বিষাদৰ কলীয়া ডাৱৰ নাই। মোক অকলশৰে ডাঙৰ কৰা মাৰ মুখত দেখিছিলোঁ দৃঢ়তা । মায়ে আহি এখন হাতেৰে মোৰ মূৰত হাত ফুৰাই দিলে । লাহে লাহে অথচ দৃঢ় মাতেৰে মায়ে মোক ক'লে - 'বিশু, মানুহ অকল এজনৰ বাবেই জীয়াই নাথাকে । কোনোবাই কাৰোবাক ঠগিব পাৰে , প্ৰৱঞ্চনা কৰিব পাৰে, কিন্তু সমস্ত সত্ত্বা, মানৱীয় সত্ত্বাক মোহাৰি থৈ যাব নোৱাৰে ।' মই উঠি গৈ মুখ হাত ধুই আহিলোঁ । মনটো আগতকৈ ফৰকাল লাগিছে । মনতে মিলটনে লিখা কবিতাৰ শাৰীটো আওৰালোঁ -

"The mind is its own place, and in itself
Can make a Heaven of Hell, a Hell of Heav'n.'

মাৰ মুখলৈ চালোঁ । 'All is not lost' । মাৰ দৃঢ়তাই মোক দৃঢ় কৰিব । ☆

---

মিছাকৈ দোষ দি চিঞৰ-বাখৰ কৰোতাসকলক ক্ষমা খোজাৰ সৰ্বোত্তম পন্থা হৈছে নিৰৱতা আৰু সহিষ্ণুতা। অসৎ গালিৰ উত্তৰ সৎ কৰ্মৰে দিব পৰাটোহে আচল কাম ।

*- জন মিল্টন*

---

গল্প

# এখন নীলা আকাশৰ তলত

❑ মঃ চহিদুৰ ৰহমান

এম, এ, পৰীক্ষা দি ঘৰলৈ অহা দুমাহমানেই হ'ল। দিনবোৰ এতিয়াহে ৰৰ নাযায় -নুপুৰায় যেন লাগিবলৈ লৈছে। অথচ পৰীক্ষা শেষ হোৱালৈকে এইবোৰ ভাব মনলৈ মুঠেও অহা নাছিল। হোষ্টেলৰ চাৰিবেৰৰ মাজৰ পৃথিৱীখনৰ মাদকতাখিনি মনৰ মাজৰপৰা এতিয়াও আঁতৰি যোৱাই নাই। দিনবোৰ সেই কাৰণেই বেছি আমনিদায়ক হৈ উঠিছে নেকি! লগৰ মানসী, অঞ্জলীহঁতৰপৰা চিঠি-পত্ৰ এতিয়ালৈকে নিয়মীয়াকৈয়ে পাই আছোঁ। সিহঁতে কিন্তু চিঠিত এইবোৰ কথা লিখা নাই একো। বোধকৰোঁ মোৰ নিচিনাকৈ চুড়ান্ত গতানুগতিকতাৰ মাজত থাকিব লগা হোৱা নাই সিহঁত। অৱশ্যে ঘৰুৱা পৰিৱেশ, চিন্তাধাৰাৰ নিবিখ সকলোৰে একে নিশ্চয় নহয়। মাজে মাজে হিংসা লাগে সিহঁতবোৰলৈ। দৰ্মহা নাপালেও ক'ৰবাত কিবা কৈ মূৰটো গুজি থাকিবলৈ পোৱা হ'লে ----! এই অস্বস্তিকৰ, একঘেয়ামী দিন বোৰৰপৰা অলপ মুক্তি পালোহেঁতেন। মানুহক ক'বলৈও হ'লহেঁতেন। ভাত বান্ধি, চুৰেটোৰ গুঁঠি বা গান শুনি কিমান আৰু সময় কটাম ?

দাদা চাকৰিলৈ ওলাই যায় সোনকালেই। বাগানৰ চাকৰি, ছুটীও আনবোৰ চাকৰিতকৈ কমকৈ পায়। মা ঢুকুৱাৰ পিছত গাৱঁৰ ঘৰৰ মাটি-বাৰীখিনি ববদেউতাৰ হাতত চমজাই দি দাদাই চাকৰি কৰা সৰু নগৰখনলৈ দেউতাও গুচি আহিল। দেউতা অধিকাংশ সময় কিতাপ-পত্ৰৰ মাজতে ডুব গৈ থাকে। ঘৰখনৰ উকঙা উকঙা লাগে। দেউতাৰ লগত দাদাৰ বিয়া সম্পৰ্কে কেইবাদিনো পাতিছো। দাদাই আকৌ নামানে। বিয়াৰ কথা ক'লে কয় -- তোৰ বিয়া পাতি হে মই পাতিম। তয়ে এজনী ঠিক কৰি দিব লাগিব।'

'অ', কাজিয়া কৰিম বুলি ভয় কৰিছ হ'বলা। মই পিছে তেনে ননদ হ'ব নোৱাৰিম দেই। নবৌজনীৰপৰা সিকি বুজি লৈহে এঘৰলৈ ওলাই যায়, তাৰ আগতে নগৈছো।' দেউতাই শুনি থাকে; মনে মনে, একো নকয়।

মোৰ বিয়াৰ কথা দেউতাহঁতে এতিয়ালৈকে একো পতা শুনা নাই। তথাপি মাজে মাজে ভাব হয় মোক লৈ দেউতাহঁতো বাৰু চিন্তাতহে পৰিছে নেকি ? মোৰ মনত কিন্তু সেইবোৰ ভাব এতিয়ালৈকে একো অহাই নাই। কোনে জানো কৈছিল - বিবাহ হৈছে এটা সঁজাৰ দৰে। বাহিৰত থকাসকলে ইয়াত সোমাবলৈ তৎ নাইকিয়া কৰে আৰু এবাৰ সোমোৱাৰ পিছত ওলাবলৈ বাট বিচাৰি মূৰ খুন্দিয়াই মৰে। এইবোৰ অৱশ্যে অইনে কোৱা কথাহে - সঁচা-মিছা কোনো দিন ভাবি চোৱা নাই - প্ৰয়োজনো বোধ কৰা নাই।

দুপৰীয়া ভাতকেইটা খোৱাৰ পিছত টোপনিৰ আবেগ এটাই আমনি কৰিছিলহি। টেপটোত লতা মঙ্গেচকাৰৰ গীতৰ কেছেট এটা ভৰাই বিছনাখনতে বাগৰ দিলোঁ। ভাঁহি আহিল দৰদী গায়িকা গৰাকীৰ সেই অপূৰ্ব কণ্ঠ - 'কবৰতে বদলতে বহে, চাৰে বাতো হম ----' সকলোখিনি উজাৰি গোৱা লতাৰ সেই বিশেষ গানটো জানো কিয় ইমান ভাল লাগে ক'ব নোৱাৰোঁ। মনৰ ভিতৰৰ আমনি আমনি ভাৱটো বহুখিনি আঁতৰি গৈছিল। ক'ব নোৱাৰাকৈয়ে হয়তো মনৰ ভিতৰতো গুণ গুণাবৰ চেষ্টা কৰিছিলোঁ।

খিৰিকিখনৰ পৰ্দাখন কোঁচাই দিলোঁ। ডিচেম্বৰৰ মিঠা ৰ'দ এচেৰেঙাই সম্ভাষণ জনাবলৈ যেন বৈ হে আছিল। আকাশৰ এটা অংশ চকুত ধৰা দিলেহি। কাষৰ মানুহখিনি মই তেনেকৈ কাকো চিনি নাপাও। বিভিন্ন ঠাইৰ পৰা উঠি আহি নতুনকৈ থাকিবলৈ আৰম্ভ কৰিছেহি। সাধাৰণতে লক্ষ্য কৰা নগৰমুখী প্ৰৱণতাৰপৰা এইখিনি মানুহো নিশ্চয় ব্যতিক্ৰম নহয়। মই অৱশ্যে চা-চিনাকি হ'বলৈ সুবিধাও পোৱা নাই।

কাষৰে এঘৰৰ ল'ৰা-ছোৱালী কেইটামানৰ চিঞৰ -বাখৰ কাণত পৰিলহি। চাই পঠিয়ালোঁ সিহঁতৰ ফালে। ১০টা মান ল'ৰা-ছোৱালী। ৰববৰ বল এটা আৰু বেট এচলাক লৈ কঢ়া আজোৰা চলিছে। বোধকৰোঁ কোনে বেট আগতে ল'ব সেই লৈয়ে কাজিয়া। সিহঁতৰ মাজৰে কিছু শকত-আৱত ল'ৰাটোৱে বাকীবোৰক ঠেলি আঁতবাবলৈ চেষ্টা কৰিছে, সৰ্বত্ৰ পৰিচিত 'ক্ৰিকেট জ্বৰে' তাৰ মানে ইহঁতকো কোবাইছিল।

কিমান সময় সিহঁতবোৰৰ হাই-কাজিয়া উপভোগ কৰি আছিলোঁ নাজানো। অপেক্ষাকৃত সৰু ঘৰ এটাৰ পৰা ভাঁহি অহা মিহি সুৰ এটাই মোক কিছু সচকিত কৰি তুলিলে। কোনোবাজনৰ দক্ষ হাতৰ চিনাকি পৰশত প্ৰাণ পাই উঠিছে সুৰটোৱে। ভায়েলিন বজাব মই নাজানো। আচলতে ভায়েলিনেই নহয়, সঙ্গীতৰ একোৱেই বজাব নাজানো। শিকিবলৈকে নহ'ল। পৰিবেশো নাপালোঁ। কিন্তু আন বিলাকৰ তুলনাত ভায়েলিন বজোৱা শুনিলে খুউব ভাল লাগে। ভায়েলিনত হেনো করুণ সুৰ হে অধিক মূৰ্ত্ত হৈ উঠে। কিন্তু মোৰ নিজৰ দেখোন তেনেকুৱা দুখজনক অতীত বা আন 'নষ্টেলজিয়া' ধৰণৰ একো নাই আৰু বজোৱাজনেও নিশ্চয় মনৰ দুখত নবজায়! তেনেহ'লে ----- ?

'ভাইটি, চাও এইফালে আহাচোন' বিচনাৰপৰা উঠি কেতিয়ানো বাহিৰত থিয় দিছিলো নাজানো। ভায়েলিনৰ সৰু সুৰটো অধিক স্পষ্ট হৈ উঠিছিল। ল'ৰা এটা পাৰ হৈ যাব খোজা দেখি মাতি আনিলো। 'কি নাম তোমাৰ ?' সংকোচ ভাব আতৰাই সুধি পেলালো ল'ৰাটোক।

'কিৰণ' যথেষ্ট সপ্ৰতিভভাৱেই আহিল। 'কিৰণ টো বাৰু বুজিলো কি লিখা মানে মা-মহলা লগত কিবা আছেনে নাই ?' ফটফটীয়া স্বভাৱৰ ল'ৰাটোৱে লগত কিছু ধেমালি কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।

'কিৰণ হাজৰিকা ' নাই, উত্তৰত কোনো জড়তা নাই। 'সেয়া কোনে বজাইছে তুমি জানানেকি ?'

'অ' সেইয়া মোৰ বাইদেউ, সদায়েই বজাই।'

'কি নাম তোমাৰ বাইদেউৰ ?'



'উৰ্মিলা, উৰ্মিলা হাজৰিকা'

'ঘৰত তোমালোকৰ কোন কোন আছে ?'

'মা, বাইদেউ, দাদা আৰু মই।' মন কৰিলোঁ, উত্তৰটো দিওঁতে কিৰণ কিছু আনমনা হৈ পৰিছে। কিয় এনে হ'ল একো বুজি নাপালো।

'মা এতিয়া আছেনে ঘৰত ?'

'এই কিৰণ' খেলি থকা জুমটোৰ মাজৰপৰা কোনোবা এটাই চিঞৰিলে। ল'ৰাটো চঞ্চল হৈ উঠিল 'মা এতিয়া নাই, সৌ যে দেখিছে অফিছটো, তাতে কাম কৰে। মই যাও' অধিক সোধাৰ সুযোগ নিদি কিৰণ দৌৰ মাৰিলে। অৱশ্যে ইয়াতকৈ বেছি কিবা তাক সুধিও লাভ নহ'ব।

ভায়েলিনৰপৰা সুৰৰ নিজৰা বৈয়েই আছিল। এখোজ দুখোজ কৈ গৈ মানুহ ঘৰৰ বাৰাণ্ডাত থিয় দিলোঁগৈ। আগফালৰ কোঠাটোতে কাপোৰ এখনৰ ওপৰত বহি কিৰণে কোৱা উৰ্মিলা নামৰ প্ৰায় মোৰে সমবয়সীয়া মৰমলগা ছোৱালীজনীয়ে একান্ত মনে ৰাগ তুলিছে। মাত লগাই দিম নেকি ? যদি আমনি পায় ? মনে মনে উভতি আহিবলৈও কিছু সংকোচ বোধ কৰিলোঁ।

অস্বস্তিকৰ অৱস্থাটোৰপৰা উদ্ধাৰ কৰিলে ছোৱালীজনীয়েই। এটা স্মিত হাঁহিৰে সম্ভাষণ জনালে মোক। উপযাচিয়েই চিনাকি দিলো। ভাল লাগিল ছোৱালীজনী। ভৱাতকৈ বেছি ভদ্ৰ, অমায়িক। সাধাৰণ কথা বতৰাৰ পিছতে সেইদিনালৈ বিদায় ল'লো। ছোৱালীজনীৰ কথা-বতৰাত এক অদ্ভুত আকৰ্ষণ আছিল। লাহে লাহে উৰ্মিলাৰ লগত মোৰ অন্তৰঙ্গতা বাঢ়ি আহিল। সপ্তাহত দুই-তিনিদিন তাইঁৰ ওচৰলৈ যোৱাটো দৈনন্দিন কামৰ ভিতৰতে পৰিল।

'ইমান করুণ সুৰ যে বজোৱা, ভায়েলিনত আন সুৰ তুলিব নোৱাৰিনেকি ?' এদিন পোনপটীয়াকৈ সুধি পেলালো উৰ্মিলাক। কিছুপৰ একো নামাতিলে তাই।'

তুমি কিয় সুধিছা মই জানো। করুণ সুৰ শুনি ভাল নালাগে নহয় জানো? নালাগিবই। কাৰুণ্যতাকনো কোনে আকোৱালী ল'বলৈ যাব। আচলতে কি জানা জীৱনৰ সুখানুভূতিক ভোগ নকৰিলেও কল্পনা কৰা যায়, কিন্তু ইয়াৰ বিপৰীত দিশটোক উপলব্ধি নকৰিলে অনুভৱো কৰা নাযায়। জোনাকৰ স্নিগ্ধতাত মানুহে পাহৰি যায় যে জোনবাইৰ আন এটা অংশও আছে।'

'মই একো বুজা নাই, অলপ ভাঙি কবা নেকি ?' মনৰ অপাৰগতাক স্বীকাৰ নকৰি উপায়ো নাছিল।

কিছুমান কথা কিতাপত লিখি ভাল, বাস্তৱত বিচাৰি পোৱা নাযায়। জীৱনৰ অভিধানখনে নিয়ম নাজানে, ব্যাকৰণ নামানে। কল্পনাৰে লিখিবহে পাৰি, জীৱন নচলে।' একেই শীতল কণ্ঠৰে কৈ গৈছিল উৰ্মিলাই।

'বেয়া নাপাবা, তোমাক দুখ দিলো, আহো দিয়া, সময়ো হ'ল যথেষ্ট।'

'সেয়া তুমিহে বেয়া পালা, বহাচোন, গুচি গ'লেহে বেয়া পাম মই।' হাতখনত ধৰি পুনৰ জোৰ কৰাত বহি থাকিলো। লাহে লাহে উৰ্মিলাই কৈ গ'ল সিহঁতৰ পৰিয়ালটোৰ সকলোবোৰ কথাক কৈ গ'ল জামুগুৰিত থকা সিহঁতৰ পুৰণা ঘৰৰ কথা, শাকতলি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দেউতাকৰ কথা। সংগীতৰ জগতখনত তাইক পৰিচয় কৰাই দিবলৈ দেউতাকে চলোৱা প্ৰচেষ্টাৰ কথা। কৈ গ'ল ব্লাড কেঞ্চাৰত অকালতে মৃত্যু বৰণ কৰা দেউতাকৰ চিকিৎসাৰ বাবেই ঘৰৰ সমুদায় বিক্ৰি কৰিব লগা হোৱাৰ কথা। আৰু শেষত ভাগ্যৰ অন্বেষণত আহি এই ঠাইত থাকিব লগা হোৱা, উগ্ৰপন্থী সংগঠনত গৈ একমাত্ৰ ককায়েক আজিলৈকে ঘূৰি নহাৰ কথা, সকলোবোৰেই কৈ গ'ল মোৰ আগত একেই নিৰুদ্বেগচিৰ্ত্তে। ওচৰৰ মাৰোৱাৰী ফাৰ্মখনত মাকে কাম কৰি পোৱা সামান্য দৰ্মহা আৰু তাইৰ টিউচনৰ পইচাৰ লগতে সবল ব্যক্তিত্ব, এয়াকে সম্বল কৰি তাই যুঁজিবলৈ সিকিছে জীৱনৰ লগত। বহুখিনি হেৰুৱাৰ পাছতো তাই কিন্তু ভাগি পৰা নাই। দেউতাকৰ আগ্ৰহৰ কথা মনত ৰাখিয়েই ভায়েলিনখন তাই এৰি দিয়া নাই।

গধূৰ মন এটাৰে সেইদিনা বিদায় লৈছিলো উৰ্মিলাৰপৰা। সঁচাকৈয়ে শ্ৰদ্ধা কৰিবলগীয়া ছোৱালী। ছোৱালী মানুহৰো ইমান আত্মবিশ্বাস থাকিব পাৰে, তাইক লগ পোৱাৰ আগলৈকে বুজাই নাছিলো। কেইবাদিনো মাতিছো যদিও উৰ্মিলাক আমাৰ ঘৰলৈ এদিনো আনিব পৰা নাই। কিবা এটা অজুহাতত তাই নাহে। এসপ্তাহমান ময়ো নোযোৱাকৈ আছিলো। এদিন কিৰণক পঠাই মতাই নিলেহি। কোনোবা অনুষ্ঠান এটাই সাংস্কৃতিক সন্ধ্যাৰ আয়োজন কৰিছে। উৰ্মিলায়ো অংশ ল'ব তাত। ভায়োলিন বজাব তাই। আকৌ সেই করুণ সুৰেৰেই বজাব নেকি বাৰু ?

অনুষ্ঠানটোলৈ যাবৰ কাৰণে দাদাক যেনে-তেনে মান্তি কৰালোঁ। আচলতে মোৰ মনত উৰ্মিলাক নবৌ হিচাবে পোৱাৰ এক প্ৰবল ইচ্ছাই মূৰ দাঙি উঠিছিল। ভাবিলোঁ দাদাক এইটো সুবিধাতে উৰ্মিলাক দেখুৱাম, চিনাকি কৰি দিম। দাদাই যদি না নকৰে, সঁচাকৈয়ে কিমান ভাল লাগিব। বেছ মিলিব সিহঁত দুয়োটা। কিন্তু উৰ্মিলা তাই ইচ্ছা নকৰিব পাৰে নেকি ----তেতিয়া দাদাই মোক গালি নাপাৰিব জানো --- । কিন্তু তাই কোৱামতে ঘৰখনৰ সামান্য দায়িত্ব ল'ব পৰা কোনোবা এজন উপযুক্ত সংগী পালে তাইৰ একো আপত্তি নাই।

ভালেই হৈছিল অনুষ্ঠানটো। উৰ্মিলাই মই ভবাতকৈয়ো বেছি ভালকৈহে অনুষ্ঠান পৰিবেশন কৰিলে। সুযোগ বুজি দাদাক চিনাকি কৰাই দিলোঁ। মন কৰিলো উৰ্মিলাৰ প্ৰগ্ৰেম চাই দাদায়ো ভাল পাইছে।

ঘূৰি আহোঁতে যথেষ্ট সাহস গোটায়েই দাদাৰ আগত মোৰ ইচ্ছাৰ কথা ব্যক্ত কৰিলো -' উৰ্মিলাক যদি নবৌ কৰি অনাৰ ব্যৱস্থা কৰোঁ, তোৰ আপত্তি থাকিব নেকি ?

'অ' সেইকাৰণেহে মোক হ'বলা জোৰ কৰি আছিলি, মোৰ কাৰণে ইমান চিন্তা কৰণে তই ?'

বিদ্ৰূপখিনি হজম নকৰি উপায় নাছিল। ইয়াৰ পিছত ঘৰ আহি পোৱালৈকে একো নামাতিলে দাদাই।

ৰাতিপুৱা কামলৈ যোৱাৰ আগে আগে দাদা মোৰ কমত সোমালহি। 'এই তই যে কৈছিলি ছোৱালীজনীৰ কথা মই দেউতাৰ সৈতেও পাতিলো বুজিছ। এতিয়া তই তাইক সুধিবি তাইৰ যদি আপত্তি নাথাকে, তেনেহ'লে আগবাঢ়িব পাৰি।'

মনৰ আনন্দত উৰুলিকৃত হৈ উঠিলো। আনন্দখিনি একেলগে উপভোগ কৰো বুলি একেলৰে উৰ্মিলাহঁতৰ পদূলি মুখ পালোগৈ। আকাশখন সঁচাকৈয়ে গভীৰ নীলা যেন লাগিছিল।

❖❖

# যাত্ৰা

❑ দীপক বৰা
স্নাতক প্ৰথম বৰ্ষ

ৰঙা সূৰ্যটো পুৱাৰ সেওঁতা ফালি ওলাই আহিছে অতি সন্তৰ্পণে। ৰাতিপুৱাৰ বিচিত্ৰ এই পৰিৱেশটো সি খুব ভাল পায়। শৈশৱৰপৰাই তাক এনেকুৱা মুহূৰ্তবোৰে নিবিড়ভাৱেই আকৰ্ষিত কৰি আহিছে।

আজি বহুত দিন হ'ল সি তাৰ পঢ়া কিতাপৰ টেবুলখনৰ ওচৰলৈ নোযোৱা। কিবা এক অহেতুক চিন্তাই এই কেইদিন তাৰ মনটোক ভাৱাক্ৰান্ত কৰি ৰাখিছে। আচলতে সি নিৰলে নিজকে অকলশৰে পাবলৈ আশা কৰিছে। আজৰিৰ সময়বোৰত সি নিজৰ মুখামুখি হ'বলৈ বিচাৰে।

পৃথিৱীৰ সমস্ত কিতাপবোৰ পঢ়াৰ তাৰ প্ৰৱল ইচ্ছা। সৰুতে পঢ়া এটা কবিতাই তাক আজিও প্ৰেৰণা দি থাকে। কবিতাটো সি মনতে গুণগুণালে

নোৱাৰো কথাটি হেৰা বেয়া কথা বৰ ...'

... একেবাৰে নোৱাৰিলে এশবাৰে কৰা।'

এই কবিতাটো সৰু হৈ থাকোতে সি ঘৰৰ আগফালৰ পিৰালিত বহি কাণ তাল মাৰি চিঞৰি চিঞৰি পঢ়িছিল। তাঁৰ ক্ষুদ্ৰ কলিজাটোৰ হৃদস্পন্দন কেতিয়াবা বন্ধ হৈ যাব খোজে। কিতাপৰ গভীৰ জগতখনত সি প্ৰৱেশ কৰা নাই যদিও তাৰ কিছু সোৱাদ লভিছে।

কিতাপৰ প্ৰসঙ্গৰ পৰা আঁতৰি আহি সি তাৰ লগৰ বন্ধু কেইজনমানৰ সৈতে সন্ধ্যাপৰত গাঁৱৰ দলংগুৰিৰ পাৰত কিছুসময় বহে। দলংগুৰিৰ কাষত বহি প্ৰত্যেকেই জীৱনৰ সোণালী ভৱিষ্যতৰ স্বপ্ন দেখে। সিহঁতৰ আলোচনাবিলাকত বৰ্তমান সমাজ ব্যৱস্থাকে আদি কৰি ৰাজনীতি, দৰ্শন, সাহিত্য, জীৱন সম্বন্ধীয় তথা প্ৰয়োজনীয় সকলোবোৰ বিষয়েই স্থান পায়। এসময়ত তাৰ বন্ধুহঁতৰ লগত কথা-বতৰা সামৰি আটায়ে ঘৰাঘৰি যায়। ঘৰত সোমাই মাকৰ লগত সি কিছু সময় কথা পাতে। দেউতাকৰ লগতো কথা-বাৰ্তা হয় যদিও প্ৰায় কম হয়। সঁচা কথা ক'বলৈ গ'লে সি দেউতাকৰ লগত যিবোৰ বিষয়ৰ কথা পাতে সেইবোৰ অতিশয় গহীন বিধৰ। এটি শিশুৰ দৰেই সি শুনি যায় দেউতাকৰ অতীতৰ সোণালী কথাবোৰ। দুৰ্লভ মণি-মুকুটাৰ দৰে সঞ্চিত কৰি ৰখা স্মৃতিৰ জ্ঞান ভাণ্ডাৰৰ পৰা দেউতাকে নিজৰ পুতেকক কথাবোৰ কৈ যায়। কি যে শিহৰণ ৰোমাঞ্চ আনন্দৰে ভৰপুৰ। দেউতাকে তাক নুবুজা কথাবোৰ বুজাই দিয়ে। সি নিৰৱে শুনি যায়। তাৰ দেউতাকে হেনো পাঁচ-ছয়মাইল বাট খোজ কাঢ়িয়ে স্কুললৈ গৈছিল। ৰাস্তা-পদূলিবোৰ হাবি-জংঘলেৰে ভৰা। আজিৰ যুৱক-যুৱতীয়ে চাইকেল, বাইক নহ'লে স্কুল-কলেজলৈ নাযায়েই। তাহানিৰ দেউতাকৰ দিনবোৰ আছিল অতি বিচিত্ৰময় দুৰ্গম, কষ্টকৰ যাত্ৰা। অৱশ্যে এইটো সত্য যে সেই সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই চৰম উন্নতি সাধন কৰিব পৰা নাছিল। তাৰ দেউতাকে চকুৰ প্ৰচাৰতে দেখিবলৈ পাইছে এখন সম্পূৰ্ণ বিপৰীত জগত। বিজ্ঞানে যে কিমান সুবিধা কৰি দিছে নতুন প্ৰজন্মক!

বিপুল উত্তেজনাত সি বুজাব নোৱৰা আনন্দ অনুভৱ কৰে হৃদয়ত দেউতাকৰ মুখত কোৱা কথাবোৰ শুনি। ... কল্পনাতে সিও কেতিয়াবা সেই জগতত বিচৰণ কৰে।

এই সেউজীয়া পৃথিৱীখনক সি প্ৰাণ ভৰি উপভোগ কৰিব বিচাৰে।

প্ৰকৃতিৰ সৌন্দৰ্য্যময় জগতখন উপভোগ কৰি কৰি সি কেতিয়াবা উন্মাদ হৈ পৰে। আহ কি সুন্দৰ? এনে মনোমোহা পৰিৱেশ কিমানে বাৰু মোৰ দৰে উপভোগ কৰিছে। তাৰ নিজৰ মনৰ মাজতে কেতিয়াবা খেলি-মেলি লাগি যায় সিহঁতৰ ঘৰৰপৰা কেইফাৰ্লং মানৰ দূৰতেই পথাৰখন অৱস্থিত। আহিন কাতিমহীয়া পথাৰখনে কিযে সেউজীয়া ৰূপ ধাৰণ কৰে। সেউজীয়া মুগ্ধময় পথাৰখন চাই চাই সি তাৰ মনৰ মাজতে কবিতা লিখি পেলালে। 'মোকো সেউজ কৰা হে পথাৰ"

বাস্তৱলৈ ঘূৰি আহি দেখা পায় এখন জৰাজীৰ্ণ গাঁৱৰ হতাশাৰ ছবি। কিমান আশা বুকুত বান্ধিলৈ জীয়াই আছে তাহাঁতৰ গাঁৱৰ মানুহবোৰ। গাঁৱৰ মানুহবোৰে আজি পৰিবৰ্তন বিচাৰে। যি পৰিৱৰ্তনে গাঁৱৰ সহজ-সৰল মানুহখিনিক দুবেলা দুসাজ খাবপৰাকৈ অৰ্থনৈতিকভাৱে সবল কৰে। তাৰদৰে সাধাৰণ ল'ৰা এটাই গাঁৱৰ উন্নতিৰ হকে বা কি কাম কৰিব? সি নিজকে নিজকে মাজে মাজে প্ৰশ্ন কৰে। সি নিজকে বুজনিও দিয়ে। প্ৰত্যেক মানুহে নৈতিকতাৰ লগতে আৰ্থিক অৱস্থাৰো উন্নতি কৰিবলৈ যত্নপৰ হোৱা উচিত।

আলোকজ্যোতি বৰুৱা তাৰ সম্পূৰ্ণ নাম। কথা-বতৰা খুব কমকৈ কৈ ভাল পোৱা এই ল'ৰাজনে প্ৰাত্যহ্যিক জীৱনত তাৰ সংস্পৰ্শলৈ কোনো মানুহকে আহিব দিব নিবিচাৰে। অৱশ্যে তাৰ কাষলৈ মানুহক আহিব নিদিলেও মনে মনে আশা কৰে কিছুমান সৎ আদৰ্শবাদী মানুহৰ সন্ধানত। কলেজত তাৰ সঙ্গ



যথেষ্ট। কিন্তু সি নিচেই ওচৰৰ পৰা দুজনমান বন্ধুক্হে ঘনিষ্ঠভাৱে পাব বিচাৰে। বান্ধৱীও দুজনীমান তাৰ নথকা নহয়। সিহঁতৰ লগত আলোকে হাঁহি-ধেমালিৰে কলেজত থকা অৱস্থাত সময়বোৰ অতিবাহিতকৰে।

উচ্চতৰ মাধ্যমিক পৰীক্ষাত সি ভাল ফলাফল দেখুৱাবলৈ সমৰ্থ নহ'ল। কোনোমতে তৃতীয় বিভাগতহে উত্তীৰ্ণ হৈ স্থানীয় কলেজখনতে অসমীয়াত অনাৰ্চ লৈ বি, এ, পঢ়িবলৈ বুলি ঠিৰাং কৰিলে। সি আশা ৰাখিছে বি, এ,টো ভালদৰে পাছ কৰিব পাৰিলে অদূৰ ভৱিষ্যতে ইউনিভাৰচিতিত পঢ়িব। যৌৱনৰ সপোন তথা কাৰেংঘৰ স্বৰূপ কলেজত পঢ়িবলৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মনত অসীম ইচ্ছা। মনত ভৱিষ্যতৰ অলেখ আশা আৰু সপোন বুকুত বান্ধি লৈ অহা সদ্য যৌৱনপ্ৰাপ্ত কিশোৰ-কিশোৰীহঁতে সন্মুখীন হৈছেহি ৰেগিঙৰ। আলোকৰো প্ৰথম অৱস্থাত এনে হৈছিল।

গতানুগতিক ভাৱে সি কলেজলৈ অহা-যোৱা ঘৰৰপৰাই কৰে। প্ৰতিটো ক্লাছেই গভীৰ মনোযোগ দি শুনি যায়। কেতিয়াবা ক্লাছ অফ থাকিলে লগৰ দুই-এজন বন্ধুক লৈ লাইব্ৰেৰীলৈ যায়।

কলেজলৈ সদায় গৈ থকাৰদৰে এদিন হঠাৎ এটা ঘটনা ঘটিল্ল তাৰ জীৱনত। কলেজত গৈ পাইছেহে মাত্ৰ এনেতে ক'ৰবাৰ পৰা তিনিজনীমান ছোৱালীক দেখি সি থমকি ৰ'ল। তাৰে দুজনীক ভালদৰে চিনি পায়। মাত্ৰ সিহঁতৰ লগৰ সিগৰাকীকহে চিনি নাপায়। ছোৱালীজনীক প্ৰথম দেখিয়েই সি মনত কৌতুহল অনুভৱ কৰিলে। কিন্তু সেই অচিনাকি যেন লগা ছোৱালীজনীলৈ তাৰ মনত প্ৰেম ভাৱ জন্মিল। লগৰ বন্ধুহঁতক সুধি গম পালে তাইৰ নাম নিৰুপমা সন্দিকৈ। তাই ক'ব নোৱাৰাকৈ সি তাইক ভাল পাই পেলালে। প্ৰথম দৰ্শনতে চাৰিচকুৰ মিলনত সি আৱিস্কাৰ কৰিছিল জীৱনৰ ৰঙীণ, বিচিত্ৰ আহ্বান ...।

নিৰুপমায়ো সদায়ে তাক ক্লাছত মিচিকিয়া হাঁহি উপহাৰ দিয়ে। সি সহাঁৰি জনায়; লাজলাজ মনোভাৱেৰে। প্ৰেমৰ সংস্পৰ্শ নোপোৱা আলোকে এতিয়া অদ্ভুত প্ৰেৰণা লভিছে সেই সৰলমনা নিৰুপমাক দেখি। মাজে মাজে কেতিয়াবা দুভাগ ৰাতি সি কবিতা লিখে, সেই অপৰূপ সুন্দৰী গাভৰুজনীক কেন্দ্ৰ কৰি। সেই ঠাণ্ডা অমায়িক যেন লগা ছোৱালীজনীয়ে তাক ধৈৰ্য্যশীল, আত্মবিশ্বাসী হ'বলৈ উৎসাহ দিছে। এনেভাব সি মনতে কল্পনা কৰি লয়।

লাহে লাহে সিহঁতৰ প্ৰেম প্ৰষ্ফু তিত হৈছিল। সদ্য প্ৰফুল্লিত, স্নিগ্ধ মৰম লগা মিঠা বৰণীয়া নিৰুপমাই তাক দৃঢ় প্ৰত্যয় দিছে জীৱনটো গঢ়িবলৈ অজস্ৰ সমস্যাৰ সৈতে যুঁজ দি অহা আলোকৰ কাষত আছে নিৰুপমা নামৰ সদা হাস্যময়ী পৰীজনী।

সময়বোৰ পাৰ হৈ গৈছিল দ্ৰুত গতিত। আলোকৰ জীৱনলৈ পৰিবৰ্তন আহিছিল। সি আগতকৈ যুক্তিবাদী সৰলমনা হ'বলৈ প্ৰয়াস কৰিছিল। পঢ়াৰ গতি আগতকৈ তীব্ৰ কৰি দিছিল প্ৰেমৰ প্ৰৱল ঢৌৱে। প্ৰেমে আলোকৰ কোনো বিনাশ বা ধ্বংস কৰা নাছিল তাৰ পৰিবৰ্তে সফলতাৰ এটা উৎসহে যেন উজ্জ্বল জ্যোতিষ্কৰ দৰে ওলাই আহিছিল, ডাৱৰ ফালি।

আজি বহুতদিন হ'ল আলোকহঁতৰ কলেজ বন্ধ হোৱা। পূজা বন্ধ হ'লেই সি আশা কৰি থৈছিল নিৰুপমাহঁতৰ ঘৰলৈ যোৱাৰ কথা। নিৰুপমায়ো তাক বহুতদিনৰে পৰাই মাতি আছিল। কিন্তু সি সময় উলিয়াব পৰা নাছিল। বিশেষ কৈ তাইৰ মাক-দেউতাকে আলোকক লগ পাবলৈ বৰকৈ কামনা কৰিছিল। অৱশেষত সেই দিনটো আহিল। নিৰুপমাৰ মাক-দেউতাকৰ ব্যৱহাৰত পালে অগাধ মৰম আৰু পুত্ৰ সুলভ স্নেহ। তাক ভালদৰে পঢ়া-শুনা কৰিবলৈ পৰামৰ্শ দিলে আৰু মাজে মাজে সিহঁতৰ ঘৰলৈ আহি থাকিবলৈ ক'লে।

নিৰুপমাৰ ঘৰৰপৰা বিদায় লৈ আহি আলোক ঘৰত প্ৰৱেশ কৰিলে। তাৰ মনত পৰিল অহা সোমবাৰে দুই নৱেম্বৰৰপৰা কলেজ খুলিব। নিৰুপমাই তাক কৈ থৈছিল তুমি সোনকালে কলেজলৈ আহিবা।

যথাসময়ত আলোক গৈ কলেজত উপস্থিত হ'ল। আলোকক দেখিয়েই নিৰুপমাই লগৰ বান্ধৱীহঁতৰ ওচৰৰ পৰা আঁতৰি আহি তাক মাত লগালে। তোমাক যে সোনকালে আহিবলৈ কৈছিলোঁ তাৰ কাৰণটো জানানে? আজি আমি তুমি আৰু মই আবেলিলৈ আমাৰ মাহীদেউহঁতৰ ঘৰলৈ ফুৰিবলৈ যাম।' আলোকে মাথোঁ মিচিকিয়া হাঁহিৰে যাম বুলি লাহেকৈ ক'লে। লগতে সি তাইক এখন নতুন কবিতা সংকলন আৰু পত্ৰ হাতত গুজি দিলে। পৰম আনন্দৰে তাৰ কাষৰ পৰা নিৰুপমা আঁতৰি গ'ল।

পৰীক্ষাৰ সময়বোৰ ক্ৰমান্বয়ে আহি এটাৰ পিছত এটাকৈ বিদায় ল'বলৈ ধৰিলে। যথাসময়ত বি, এ, ফাইনেল পৰীক্ষা আৰম্ভ হ'ল। এদিন খবৰ ওলাল সিহঁত দুয়োটাই দ্বিতীয় শ্ৰেণী পাই উত্তীৰ্ণ হৈছে। এতিয়া সিহঁতে ইউনিভাৰচিতিত পঢ়িবলৈ ঘৰত আলোচনা কৰিছে।

নিৰুপমাৰ মাক-দেউতাকে আলোকৰ লগতে একেলগে একেখন বিশ্ববিদ্যালয়তে নিৰুপমাক পঢ়িবলৈ অনুমতি দিলে। নতুন দিনৰ উন্মোচন কৰিবলৈ সি গভীৰভাৱে অপেক্ষা কৰিছে। মনত অনাবিল আনন্দ, প্ৰেৰণা আৰু দৃঢ় মনোবল লৈ সি আশাৰে বাট চাইছে। খুব সোনকালেই দুয়ো যাত্ৰা কৰিব দিগন্ত প্ৰসাৰিত মনোৰম বিশ্ববিদ্যালয়খনলৈ। যাত্ৰা কৰিব মনৰ সপোনবোৰক বাস্তৱত ৰূপায়িত কৰিবলৈ। নিৰুপমাৰ মানত আলোক তাইৰ friend, philosopher and guide হৈ পৰিল।

বহুদিনৰ মূৰত পঢ়া টেবুলখনত বহি লৈ সি নিজকে কোৱাৰদৰে কৈ উঠিল 'সমাজত প্ৰতিষ্ঠিত হ'বলৈকে নিৰুপমা আৰু মোক এক সফল যাত্ৰাৰ আৱশ্যক।' এই যাত্ৰাৰ পাথেয় হ'ব আমাৰ বিশ্বাস, প্ৰজ্ঞা আৰু মৰম। ✚

# ৰাজপথত এদিন

❑ মৃদুপৱন বুঢ়াগোহাঁই
স্নাতক প্ৰথম বৰ্ষ

ব্যস্ত ৰাজপথ । মানুহবোৰ আহিছে আৰু গৈছে । কোন ক'লৈ আহিছে, কোনেই বা ক'লৈ গৈছে কাৰো হিচাপ নাই, মাথোঁ ৰাস্তাৰ ধূলিবোৰ অহা-যোৱাৰ হিচাপ ৰাখি উৰি গৈছে । কোনেও কাৰো বিষয়ে সোধাৰ একো প্ৰয়োজনবোধ কৰা নাই। মাথোঁ অনন্ত, ছেদহীন যাত্ৰা ৰাস্তাৰ ওপৰেৰে, পথচাৰীসকলৰ । ৰাজপথে কাকো বাধা নিদিয়ে, দুখ নকৰে, নকৰে কোনো অভিমানো । সকলো লোকৰে ইয়াত বিচৰণ । ভিক্ষাৰীজনৰপৰা বীৰদৰ্পে আগবাঢ়ি যোৱা মন্ত্ৰীৰ গাড়ীখনলৈকে, পেলনীয়া, আৱৰ্জনা, লেতেৰা শেঙুনকা ল'ৰাকিটাৰপৰা ডাষ্টবিনৰ অখাদ্য খাই দোকানে দোকানে ঘুৰা ছেৰেলা, লেঙেৰা, ফাপৰে খোৱা কুকুৰকিটালৈকে আটাইৰে অবাধ বিচৰণ ।

এৰা, ময়ো আজি অৱসৰৰ মুহূৰ্তবোৰ কটাও বুলি ওলাই আহিছোঁ। মোৰ গাৰ কাষেদি কলেজীয়া গাভৰু দুজনী পাৰ হৈ গ'ল। সিহঁতে পৰিধান কৰিছে আধুনিক সাজপাৰ । দেহৰ নিম্নাংশ প্ৰয়োজনত কৈ অধিক অনাবৃত কৰি মুখত হাঁহি ফুটাই লয়লাস ভংগীৰে এনেদৰে খোজকাঢ়িছে যেন সিহঁতকৈ সুন্দৰী কোনো নাই; দুটামান পিলিঙা ডেকাই ওচৰৰ পাণ দোকানৰপৰা সুহুৰি মাৰিলে । দুটামান অশালীন অশ্ৰাব্য শব্দ সিহঁতৰ মুখবোৰৰপৰা নিগৰিত হৈ ওলাল। শুনি মোৰ কাণখন গৰম হৈ গ'ল। সিহঁতৰো মুখবোৰ নিৰ্বিকাৰ, যেন একোৱেই হোৱা নাই।

সৌগৰাকী দেখোন মিছেছ শইকীয়ানী কিবা নাৰী মুক্তি ফৌজৰ সভানেত্ৰী । নাৰী স্বাধীনতাৰ বাবে ওলাই আহিছে সমাজলৈ, তাৰে আলমত মেলে-মিটিঙে তেওঁৰ দৰ্শন পোৱা হয়। ঘৰত তেওঁ এৰি আহিছে গিৰিয়েক আৰু সন্তান দুটা । যাৰ প্ৰতি তেওঁৰ কোনো ন্যস্ত দায়িত্ব নাই । কাৰণ তেওঁ সভানেত্ৰী, তেওঁ নাৰীৰহে আন্দোলন কৰিছে পুৰুষৰ স্বাধীনতা খৰ্ব হ'লে তেওঁৰ কি আহে যায় আৰু অলপ আগবাঢ়ি গ'লোঁ । 'নয়না' চিনেমা হ'ল পালোহি । দৰ্শকৰ ভিৰ কিবা হিন্দী চিনেমা এখন দিছে । ওচৰৰ পোষ্টাৰত নায়কে পিষ্টলৰ ট্ৰিগাৰ টিপিছে, আৰু নায়ক-নায়িকাৰ এটি নৃত্যৰ দৃশ্য তাৰ তলতে দেখুওৱা হৈছে । পিষ্টল, মাৰপিট, নায়ক-নায়িকাৰ অশোভন নৃত্য চাবলৈকে ইমান দৰ্শক হৈছে যে ভাবিবলৈ টান হয় যে সেই একে ভাষাৰে এখন অৰ্থবহ 'কলা' ধৰ্মী ছবি চাবলৈ ইমান দৰ্শক নহয় । দুটামানে টিকেট ব্লেক কৰিছে । তাৰ বাবে চোলা খুলি লৈ দুটামানে অসভ্য মাত মাতি কেইটামানক গতিয়াই আগলৈ গৈ কাউন্টাৰত হাত সুমুৱাইছে । কাৰো আপত্তি নাই । তাৰ পৰা চকু ঘূৰাই আনি অলপ আগলৈ গ'লোঁ , সৌবোৰ ৰিক্সাৱালাৰ ঘৰ । দুৱাৰ মুখত হাড় ওলোৱা পুষ্টিহীনতাত ভোগা সেইবোৰ সিহঁতৰেই সন্তান । ৰিক্সাচালকসকলে শৰীৰৰ সমস্ত শক্তিৰে পেডেল মাৰে, দুটকামান বেছিকৈ পোৱাৰ আশাত, গধূলি সিহঁত ভাগৰে-জোগৰে আহে হাতত চাউলৰ একোটা টোপোলা লৈ । সকলো দুখ-কষ্ট পাহৰি সিহঁতে শান্তিৰে এঘুমুটি মাৰে ৰুগীয়া পত্নীৰ সৈতে লীন গৈ একীভূত হৈ । তাৰ ফলত ৰাস্তাত থিয় হয়হি কিছুমান অবাঞ্চিত অতিথিৰ । অলপ ডাঙৰ হৈ এই অবাঞ্চিত সকলে ক্ষুধাৰ তাড়নাত যিকোনো এটা নিকৃষ্টতম বৃত্তি গ্ৰহণ কৰে, সেয়া চোৰ বা পকেট মাৰেই নহওক কিয় ?

দূৰত সেইটো বাছ ষ্টেচন । যাত্ৰীসকল অপেক্ষাৰত, নিৰ্দিষ্ট বাছলৈ, সকলো ব্যস্ত কোনোবা ক'ৰবালৈ যাবলৈ কোনোবা ঘৰলৈ উভতিবলৈ, পকেটমাৰ ব্যস্ত পকেট মাৰিবলৈ। সেইটো ট্ৰেফিক পইণ্ট । ট্ৰেফিকজনে গাড়ীবোৰ ৰখাই থৈছে। আৰু গাড়ীৰপৰা একো একোটা অংকৰ বিনিময়ত যাবলৈ দিছে। ইয়াৰে তেওঁ পত্নীৰ চাহিদা পূৰণ কৰিব । বিনিময়ত কিছুদিন ভাতকিটা সুখেৰে খাবপৰা হ'ব । অন্ততঃ কাণ ঘোলা কৰা বকনি কিছুদিনৰ বাবে বন্ধ হ'ব । তাৰপৰা আন এটা ৰাস্তাত মই সোমাই দিলোঁ । দূৰত এটা জনস্ৰোত দেখিলোঁ ক্ৰমে, সিহঁত মোৰ ওচৰ চাপি আহিল । এয়া কিবা এটা প্ৰতিবাদী কাৰ্যসূচী । সিহঁতৰ উতপ্ত শ্লোগানেৰে মোহিত হৈ একো নজনাকৈ এনেয়ে কিছুমান যোগ দিছে সেই মিছিলত । ইয়াত নেতা কিজনৰ বাদে কোনেও একো মুনাফা আদায় কৰিব নোৱাৰে । এই ঘটনাবোৰ দুদিনমান পিছতে মানুহে পাহৰি পেলাব । আকৌ দুদিনৰ পিছত নতুন নেতা হ'ব । সিহঁতেও আন প্ৰতিবাদী পদক্ষেপ ল'ব । নিজৰ উদৰ পূৰ হ'লে মূৰ পুলোকা দিব ।

সিহঁতৰপৰা আঁতৰি আহিবলৈ মই আন এটা ৰাস্তাত সোমালোঁ । আৰে এইটো চোন নৰকৰ পথ, দিন দুপৰত ইয়াত কোনো মানুহ নোসোমায় । মই কোনোবাই দেখে বুলি খৰধৰকৈ ওলাই আহিলোঁ । পাছলৈ উলটি চালো নৰকবাসী ছোৱালীবোৰে তধা লাগি চাই আছে, মুখৰ চিকাৰ সাৰি যোৱাত বেজাৰ পাইছে, সিহঁত সাজি-কাচি ৰৈ আছে নিজৰ সৰ্বস্ব সম্পদ বিক্ৰীবলৈ, অথচ যাৰ দাম অতি সামান্য । তাকে বিক্ৰী কৰি সিহঁতে জীৱিকা নিৰ্বাহ কৰিছে । মই আহি দৈনিক বজাৰ পালোহি । তাত এটা চাৰি আলি আছে । তাত ট্ৰেফিক পইণ্ট নাই । হঠাৎ জোৰেৰে অহা এখন ট্ৰাকে এজন বৃদ্ধ চাইকেল আৰোহীক পেলাই থৈ জোৰেৰে গুচি গ'ল । সকলো মানুহে ৰূপালী পৰ্দাৰ এটি দৃশ্য উপভোগ কৰাৰ দৰে চাই ৰ'ল, ট্ৰাক ড্ৰাইভাৰজনক ধৰিবলৈ বা আলিৰ ওপৰত তেজেৰে তুমৰুলি হৈ থকা মানুহজনৰ পানী পানী বুলি মতা অস্পষ্ট কথাষাৰলৈ কোনেও কানসাৰ নিদিলে।

দুৰ্ঘটনাৰ খবৰ শুনি মানুহৰ জুম বান্ধিল। আটায়ে মানুহটোক ঘেৰি লৈ চাবলৈ ধৰিলে । কোনোবাই ট্ৰাক ড্ৰাইভাৰক সুধিলে, কোনোবাই এই মানুহজনক দোষ দিলে, কিন্তু কোনেও মানুহজনক মেডিকেললৈ নিয়াৰ কথা চিন্তা নকৰিলে। এনে সময়ত মানুহজনে কেঁকাই-গেথাই শেষ নিশ্বাস ত্যাগ কৰিলে । পুলিচ অহা শুনি সকলো মানুহে মৃতদেহটোক অকলে এৰি থৈ দিহা দিহি গ'ল ।

ৰাজপথে মানুহক আশ্ৰয় দিয়ে, জীৱনৰ গতি দিয়ে, জীৱিকা দিয়ে, সমতা দিয়ে। সেই ৰাজপথে মানুহৰ জীৱনলৈ অন্ধকাৰো নমাই আনে । মইও অৱশেষত তাৰ পৰা গুছি আহিলোঁ । আমি সকলো মানুহেই পৰিপাৰ্শ্বিক অৱস্থাৰ লগত অভ্যস্ত হৈ গৈছোঁ, যন্ত্ৰৰদৰে আমাৰ জীৱন । সেই মৃত মানুহজন মইও হ'ব পাৰিলোহেঁতেন । মানুহৰ জীৱনৰ কোনো মূল্য নাই যিদৰে যৌৱনৰ দাম নিচেই কম, জীৱন তাতকৈও মূল্যহীন । আন একো কৰিব নোৱাৰিলেও সেই মানুহজনৰ মুখত এটুপি পানী দিব পৰা মোৰ সামৰ্থ্য আছিল । কিন্তু তাকো মই নকৰিলোঁ । কিয় ?

কিছু সময়ৰ বাবে অনুশোচনাত মই দগ্ধ হলোঁ । ৰাস্তাটো পাৰ হ'ব খুজিলোঁ- । দুয়োফালৰপৰা গাড়ী আহি আছে । খৰখোজেৰে ৰাস্তাটো পাৰ হৈ সিপাৰৰ ফুটপাথত উঠিলোহি । ইতিমধ্যে মই মনটোক বুজাই বঢ়াই শান্ত কৰিছোঁ । আমি প্ৰত্যেকেই একোজন অমানুহ হৈ পৰিছোঁ । অমানুহ ! আধুনিক সভ্যতাৰ শেহতীয়া অৱদান এই দয়ামায়াহীন পৃথিৱীৰ সকলো ৰাজপথত মই বিচৰণ কৰিছোঁ । ✚

মানুহৰ আটাইতকৈ মহত্বপূৰ্ণ অভিজ্ঞতাবোৰ বিজ্ঞানৰ সহায়েৰে কেতিয়াও ব্যাখ্যা কৰিব নোৱাৰি। সৎ আৰু অসৎ প্ৰেম, কৰুণা, আনন্দৰ উল্লাস, ট্ৰেজেদি, ৰসবোধ, বিশ্বাস, মৰ্যাদা, অপমান - এইবোৰৰ কোনোটোৱে সম্পূৰ্ণ অৰ্থ প্ৰকাস কৰিব পৰা বৈজ্ঞানিক ব্যাখ্যা থকা সম্ভৱ নহয় ।

*- ভিক্টৰ ওৱেইছকপ্ফ*

# ধুমুহাৰ শেষত

❑ ৰুমী গগৈ
উঃ মাঃ প্ৰথম বাৰ্ষিক

দেৱজিতৰ চাকৰিটো তথাকথিত ডাঙৰ চাকৰি নহয় । এল, পি, স্কুলৰ শিক্ষকৰ চাকৰিৰে তাৰ পত্নী আৰু ল'ৰা তিনিটাকে লৈ গঠিত সংসাৰখন টুকটাক্কৈ চলি যায় । তেওঁৰ পৈত্তিক সম্পত্তি ঘৰৰ ভেটিটোৰ বাহিৰে আৰু মাটি সম্পত্তি নাছিল । সেই কাৰণে তেওঁৰ চাকৰিটোৰ টকাৰে পৰিয়ালটো চলাবলৈ অসুবিধা হোৱাত আজৰি সময় উলিয়াই গাৱঁৰ দুই-চাৰিটা ল'ৰা টিউচন কৰিছিল । তেওঁ মাহিলি প্ৰায় পাঁচশমান টকা পায় । তেওঁৰ পত্নী জেতুকী আৰু বাকী তিনিটা ল'ৰা ক্ৰমে অকণ, তুলন আৰু জিতু আদিক ভালমতে ধনী মধ্যবিত্ত শ্ৰেণী লোকৰ দৰে খুৱাব-পিন্ধাব নোৱাৰিছিল । যদিও যেনে তেনে সৰল জীৱন যাপন কৰিবলৈ সম্ভৱ হৈছিল । তেওঁৰ ডাঙৰটো ল'ৰা অকণ বি, এচ, চি, প্ৰথম বাৰ্ষিকত নাম লগায়। মাজু ল'ৰা তুলনে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছে আৰু সৰু ল'ৰা জিতুৱে পঢ়িছে অষ্টম শ্ৰেণীত। তেওঁৰ সৰু পুতেক জিতু সৰুৰেপৰা পঢ়া-শুনাত ভাল আছিল আৰু ফুটবল খেলি বৰ ভাল পাইছিল । স্কুলত বছৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ পাইছিল । এনেদৰে সৰল জীৱন যাপন কৰি থকা দেৱজিতৰ ঘৰখনলৈ এদিন অকস্মাৎ ধুমুহা এছাটি অহাত তেওঁলোকৰ সুখৰ জীৱনলৈ সংঘাত আহি পৰে ।

যিটো ধুমুহাই নেকি তেওঁৰ সৰু পুতেক জিতুৰ জীৱন অন্ধকাৰাচ্ছন্ন কৰি পেলাই তাৰ ভৱিষ্যত সোণালী সপোনবোৰ দিঠকত পৰিণত হোৱাৰ বাধাৰ সৃষ্টি কৰিলে । জিতুৰ জীৱন সংঘাতৰ ঘটনা বৰ্ণনা কৰাটো সহজ নহয় তথাপি মই জনা নজনাৰ মাজেৰে অলপ উল্লেখ কৰিছোঁ । এদিন সি আবেলি সময়ত ফুটবল খেল খেলি আছিল । গধূলি সময়ত ভৰি হাত ধুই ভাত পানী খাই যেতিয়া বিনোদ শুবলৈ যায় তেতিয়া তাৰ বাঁও ভৰিটো বিষাবলৈ আৰম্ভ কৰে । মাকক কয় যে মা মোৰ বাঁও ভৰিটো বিষাইছে, মাকে তেতিয়া কৈছিল, 'সৰু বাপু তুমি আবেলি পৰত খেল খেলি থাকোতে কচকা খালা কিজানি । ভাল হ'ব, এতিয়া শুই থাকা ।' কিন্তু জিতুৰ সেই ভৰি বিষ মাকে কামনা কৰাৰ দৰে ভাল হৈ নুঠিল। ভৰিটোত অলপ অলপ বিষ আছিল যদিও বিদ্যালয়লৈ গৈছিল । এদিন ভৰিৰ বিষত ৰ'ব নোৱাৰি প্ৰধান শিক্ষকৰ ওচৰত ছুটীৰ আবেদন জনাই সি ঘৰলৈ গুচি আহে আৰু চিএঁৰি চিএঁৰি মাকক ক'লে, 'মা মোৰ ভৰিটো দেখোন বৰ বেছিকৈ বিষাইছে । মা, মই মৰি যাম এতিয়া । তোমালোকে মোৰ কিবা এটা ব্যৱস্থা কৰা । মই বৰ কষ্ট পাইছোঁ ।' দেউতাক সেই সময়ত বিদ্যালয়ৰ পৰা অহা নাছিল । মাকে একো উপায় নাপাই ভৰিটো জুইত গৰম সেক দি আছিল। অলপ সময় পিছত দেউতাক ঘৰত আহি সোমাই আৰু সৰু পুতেকক কান্দি থকা দেখি কয় জিতু তোৰ কি হৈছে তই যে কান্দি আছ। আজি স্কুলত বাৰু কাৰবাৰ লগত কাজিয়া কৰিছিলি নেকি ? দেউতা মই কাজিয়া কৰা নাই; মোৰ বাওঁ ভৰিটোৰ ভিতৰত দেখোন খুব বিষাইছে । মই বিষ সহ্য কৰিব পৰা নাই । দেউতাকে তেতিয়া ভালদৰে কৈ মেলি চিকিৎসালয়লৈ নিয়াৰ কথা চিন্তা কৰিলে । ভাল চিকিৎসালয়ত দেখুৱাবলৈও বহুত অৰ্থৰ প্ৰয়োজন । মাহটোৰ শেষ অৱস্থাত দৰমহা হ'বলৈ আৰু দহদিনমান বাকী কিন্তু দৰমহা হ'বলৈ ৰৈ থাকিব নোৱাৰি । সেই কাৰণে দেউতাকে গাৱঁত আৰ-তাৰ ওচৰত ১০০ টকা ৫০ টকাকৈ ধাৰ কৰি আনি কোনোমতে ১০০০ হেজাৰমান টকা যোগাৰ কৰি জিতুক মেডিকেললৈ লৈ যায় । কিন্তু জিতুৱে চিকিৎসালয়ত প্ৰায় ১ বছৰমান থাকিল । এদিন দেউতাকে তাক ঘৰলৈ লৈ আহে । জিতুৰ ভৰিৰ বেমাৰটো ভাল হ'ল যদিও ডাক্তৰে ভৰি এডোখৰ কাটি পেলালে। দেউতাকহঁতে জানে যদিও মাকক কোৱা নাছিল। যেতিয়া পুতেক আহিছে বুলি চাই পুতেকক কেৰেপা লৈ কোজ কাঢ়ি অহা দেখি মাক শোকত অচেতন হৈ ভাগি পৰে আৰু ককায়েকহঁতেও ভায়েকৰ তেনে অৱস্থা হোৱা দেখি হুৱাহুৰে কান্দিবলৈ ধৰে । জিতুৱে ককায়েকহঁতে কন্দা দেখি কয় ককাইদেউহঁত শোক কৰিব নালাগে এইটো মোৰ ভাগ্যৰ লিখন। মোৰ যি হ'ব লগা আছিল হ'ল। এতিয়া তোমালোকে শোক কৰি কি লাভ । যোৱা তোমালোকে তোমালোকৰ ভৱিষ্যত জীৱনটো উজ্জ্বল কৰা । আৰু মা-দেউতাহঁতৰ মনত দুখ নিদিবা । মই নোৱাৰিলে কি হ'ব । তোমালোক দুজনটো আছা। কিন্তু জিতু পঙ্গু হ'ল যদিও সি হাৰ মনাবিধৰ নাছিল । জীৱন যুদ্ধত নিজৰ অশেষ চেষ্টাৰ বলতে এদিন প্ৰৱেশিকা পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি অংক আৰু ইংৰাজীত লেটাৰ পাই সুখ্যাতিৰে পৰীক্ষা পাছ কৰে। যদিও সি পঙ্গু আছিল । গাৱঁৰে হাতদীঘল মানুহ ৰমেশ হাজৰিকাই স্থানীয় বিধায়কৰ লগত লাগি-ভাগি জিতুক স্কুল এখনত কেৰাণীৰ চাকৰিত সুমুৱাই দিলে । জিতুৱে আজি পৃথিৱীৰ সেউজ আনন্দ প্ৰাণ ভৰি উপভোগ কৰে । ☆



# প্ৰায়শ্চিত্ত

❑ চাৰু দত্ত
উঃ মাঃ দ্বিতীয় বৰ্ষ

ৰাতিপুৱা ভাইটিৰ চিএঁৰত সাৰ পাই চকুমেলি চাই দেখো ৰ'দ ওলাই মূৰৰ পোন পালেহি । মই ৰুমটোৰ খিৰিকিকেইখন খুলি হাতত ব্ৰাচদাল লৈ ওলাই আহিলোঁ । বাৰাণ্ডাৰ ইটো মূৰত থকা ৰুমটোত ভাইটি পঢ়ি আছে । তাৰো পৰীক্ষালৈ বেছি দিন নাই । মই মুখখন ধুই মায়ে দিয়া চাহকন খাই গা ধুবলৈ গ'লোঁ । মোৰ আকৌ সোনকালে গা ধোৱাৰ অভ্যাস আছে । গা ধুবলৈ যাওঁতে দেখিলোঁ ভন্টীয়ে ইতিমধ্যে গা ধুই কাপোৰকেইটা ধুই আছিল । তাকে দেখি মই ক'লোঁ -- 'ভন্টী, মোৰো চাৰ্ট এটা আৰু পেন্টটো লেতেৰা হৈ আছে, ধুই দিবিচোন ।'

ঃ 'তোৰ কাপোৰ ধুই দিলে মোক কি দিবি ক' ?' -- তাই তপৰাই মাত লগালে ।

ঃ যি দিব লাগে সকলো মই তোৰ বৰ বিয়াতে দিম ।' – মই তাইৰ চুলিত ধৰি ক'লোঁ ।

তাই লাজতে যা বুলি কৈ কাপোৰ ধোৱাত লাগিল । ময়ো গাটো ধুই মায়ে কি কৰিছে চাই একেবাৰে ৰুম পালোঁহি । ইতিমধ্যে ৮-৩০ হৈ গৈছিল । আজি আমাৰ কলেজ বন্ধ । সেয়ে মই বিছনাত শুই মোৰ কিতাপ এখন মেলি ল'লোঁ । এই কেইদিন মই কলেজলৈ নাই যোৱা। অ' এতিয়াহে মনত পৰিছে, আজি মই মৃদুলৰ ওচৰলৈ যাব লাগিব । এইকেইদিন কলেজত দিয়া নোটকেইটা আনিবলৈ । অ' আজি আকৌ বিভাসে পাৰ্টি এটা দিছে নহয়, তালৈকো মাতিছে । মৃদুল যাবনে নাযায় তাকো সুধি আহিব লাগিব ।

ঃ বাবা ভাত দিলোঁ । আহ, -- মাৰ মাতত লৰালৰিকৈ কিতাপখন সামৰি মজিয়ালৈ গ'লোঁ । ভাইটি-ভন্টী আৰু দেউতা ইতিমধ্যে খাই-বৈ নিজৰ নিজৰ কামলৈ ওলাই গৈছে । এতিয়া মাত্ৰ মই আৰু মা আছোঁ ।

ঃ বাবা আজি তই ক'ৰবালৈ যাবি নেকি ? -- ভাত খাই থকা মাজতে মায়ে সুধিলে ।

ঃ অ' কিয় ? -- মই ক'লোঁ ।

ঃ পেহীয়েৰৰ তাৰপৰা আহিব লাগিছিল । বহুদিন হ'ল তাইৰ একো খবৰ পোৱা নাই ।

ঃ মই মৃদুলৰ ওচৰৰপৰা আহিব লাগে । এইকেইদিন কলেজত দিয়া নোটকেইটা আনিবৰ বাবে । বেলেগ এদিন যাম । আজি নাযাওঁ ।

মোৰ কথাত মায়ে একো নামাতিলে । মই ভাতকেইটা খাই কাপোৰকেইটা সলাই বাইকখন লৈ ওলাই আহিলোঁ ।

মই মৃদুল, বিভাস আৰু প্ৰতিম, আমি কেইটা সৰুৰেপৰা একেলগে পঢ়া । বৰ্ত্তমান আমি এতিয়া বি, এ, দ্বিতীয় বাৰ্ষিকত । কিন্তু বিভাসহে বি, এ, প্ৰথম বৰ্ষলৈ অহাৰ পাছতেই কলেজ এৰিলে । কাৰণ সি পঢ়াত সিমান ভাল নহয় আৰু তাৰ পঢ়িবলৈ সিমান মন নাই । তাৰ ধাণ্ডা ছোৱালী জোকোৱাত, মদ খোৱা, দাদাগিৰি কৰাত । বন্ধু হিচাপে আমি তাক বুজাও, কিন্তু তাক এইবোৰ কথা বুজাই লাভ নাই । তাৰ বাবে জীয়াই থকা দিনকেইটা মাত্ৰ উপভোগ কৰা । প্ৰতিদিনে বাপেকৰ ওচৰলৈ তাৰ ৰিপৰ্ট যায় । সেয়ে বাপেকে তাৰ কামত অতীষ্ঠ হৈ তাক চাকৰিত সুমুৱাই দিছে । প্ৰথমে সি চাকৰিত নাযাওঁ বুলি কৈছিল, পাছত বাপেকে গালি পৰাতহে সি যাবলৈ বাধ্য হ'ল । সেয়ে সি হোটেলত পাৰ্টি দিছে ।

মৃদুলৰ ঘৰ পাই বাইকখন ৰখাই গেটখন খুলি সোমাই গ'লোঁ। মই বাহিৰৰ বেলটো বজালোঁ । অলপ দেৰিৰ পাছতে সি ওলাই আহিল। পিন্ধনত এৰ গামোচা এখন । গাত পানীৰ টোপাল বিৰিঙি আছে । সম্ভৱ এতিয়াহে গা ধুইছে । মোক দেখি সি ক'লে --

ঃ আৰে বিনয়, তই । ভিতৰলৈ আহ, কি আলহিৰ দৰে বাহিৰত ৰৈ আছ । মই তাৰ লগতে তাৰ ৰুম পালোহি । মই তাক সুধিলোঁ –

ঃ কি হ'ল গা ধোৱা ইমান দেৰি যে ?

ঃ এঃ নকবি আৰু কাম অলপ আছিল । সেয়ে ইমান দেৰি হ'ল । -- তাৰ কথাত মোৰ হাঁহি উঠি গ'ল । আচলতে সি শুই উঠা বেছি দেৰি হোৱা নাই । এইটো এটা মহা কানিয়া । তাতে আজি কলেজ বন্ধ পাইছে । সি মোক ৰুমতে এৰি থৈ ভিতৰলৈ গ'ল । হাতত চাহ দুকাপ লৈ অলপ দেৰিৰ পাছতে ওলাই আহিল । সি চাহ অনা দেখি মই সুধিলোঁ ।

ঃ চাহ তই যে আনিলি ঘৰত কোনো নাই নেকি ?

ঃ নাই সকলো নিজৰ নিজৰ কামলৈ গ'ল । বাৰু তোৰ যে এইকেইদিন কোনো খবৰ নাই, কলেজো নাই যোৱা, কিবা হৈছিল নেকি?

ঃ নাই একো হোৱা নাই । কাম এটাত এফালে যাব লগা হৈছিল, সেয়ে আহিবপৰা নাছিলোঁ । তই কলেজলৈ গৈ আছ নহয় ?

ঃ অ' কিয় ? কাৰোবাৰ খবৰ ক'ব লাগিব নেকি ?

ঃ নহয় অ' এইকেইদিন কলেজত দিয়া নোটকেইটা মই নিবলৈ আহিছোঁ ।

সি ৰ' বুলি কৈ তাৰ পঢ়া টেবুলৰপৰা নোটবুকখন উলিয়াই মোৰ হাতত দিলে । মই তাক সুধিলোঁ –

ঃ আজি বিভাসে পাৰ্টি দিছে নহয় । যাবিনে নাযাৱ ?

ঃ তই যাব যদি যাম । তই পিছে যাবি নাই ?

ঃ মই যামনে নাযাওঁ সেইতো মই সঠিককৈ ক'ব নোৱাৰোঁ । মই মা-দেউতাক সুধিব লাগিব ।

ঃ এইটো কথাৰ বাবে মা-দেউতাক সুধিব লাগে । তইটো এতিয়া সৰু হৈ থকা নাই ঘৰত সুধি ক'ৰবালৈ যাবলৈ ।

ঃ সৰু হৈ থকা নাই কি হ'ল । ঘৰখনৰতো একমাত্ৰ ডাঙৰ ল'ৰা মইয়ে । মইয়ে যদি মা-দেউতাৰ অবাধ্য হওঁ তেন্তে মোৰ পিছৰটোৱে মা-দেউতাক কি মানিব ।

ঃ মই সেইবোৰ নাজনোঁ, তই মাত্ৰ যেনেতেনে মাহঁতক পতাবি ।

ঃ বাৰু মই কিবা এটা কৰিম । তই যাব যদি ৬ বজাত আমাৰ ঘৰলৈ যাবি । তাৰপৰাই একেলগে যামগৈ ।

সি অ' বুলি ক'লে । মই তাৰ নোটবুকখন লৈ ওলাই আহিলোঁ । সিও মোৰ পাছে পাছে আহিল । মই বাইকখন ষ্টাৰ্ট দি ঘৰৰ অভিমুখে ৰাওনা হ'লোঁ । বাটত আহোঁতে প্ৰতিমক লগ পালোঁ । সি চাইকেল লৈ ক'ৰবাৰপৰা আহি আছিল । সি মোক দেখি চাইকেলখন ৰখালে । ময়ো বাইকখন ৰখাই ষ্টাৰ্ট বন্ধ নকৰাকৈয়ে তাক সুধিলোঁ --

ঃ তই ক'ৰপৰা আহিলি ?

ঃ কলেজৰপৰা আহিলোঁ । কলেজত ছাত্ৰ সন্থাৰ মিটিং এখন আছিল, সেয়ে ইমান দেৰি হ'ল । তই পাছে ক'ৰপৰা আহিলি ?

ঃ মৃদুলৰ ঘৰৰপৰা আহিলোঁ । এইকেইদিন কলেজত দিয়া নোটকেইটা আনিলোঁ আৰু বিভাসে দিয়া পাৰ্টিলৈ যাব নাযায় সুধি আহিলোঁ । তই পাছে পাৰ্টিলৈ যাবি নে নাযাৱ ?

ঃ তহঁতি যাব যদি যাম ।

ঃ তই যদি যাব তেন্তে মৃদুলে তয়ে একেলগে আমাৰ ঘৰলৈ যাবি তাৰপৰা আমি একেলগে যামগৈ । তাক আৰু কোনো কথা ক'বলৈ সুবিধা নিদি মই ঘৰমুৱা হ'লোঁ । কাৰণ আৰু অলপ দেৰি তাৰ লগত থকা হ'লে সি মিটিঙৰ কথা উলিয়ালেহেঁতেন । ঘৰ পাওঁগৈ মানে ঘড়ীত ৫ বাজিবৰ হ'ল । মই কাপোৰকেইটা সলাই টাৱেল এখন পিন্ধি গাটো ধুই ভন্টীক চাহ অকণমান দিবলৈ ক'লোঁ । অলপ দেৰিৰ পাছতে তাই চাহ লৈ সোমায় আহিল । মই তাইক মাক মাতি দিবৰ বাবে ক'লোঁ । খন্তেক পাছতে মা সোমায় আহি মোক সুধিলে --

ঃ কি হ'ল কিবা কথা আছিল নেকি ?

ঃ মা আজি বিভাসে হোটেলত পাৰ্টি দিছে, মোক যাবলৈ দিবানে ? মই অকলে নাযাওঁ মোৰ লগত প্ৰতিম আৰু মৃদুল যাব ।

ঃ মই নাজানোঁ । দেউতাৰক সুধিবি ।

ঃ মা তুমি সোধাচোন, মোৰ ভয় লাগে ।

ঃ ইমান ডাঙৰ হলি এতিয়াও ক'ৰবালৈ যাবলৈ মই সুধি দিব লাগে । বাৰু ৰ' । এই বুলি কৈ মা ওলাই গ'ল । অলপ দেৰি পাছতে সোমাই আহি ক'লে যাবলৈ কৈছে, কিন্তু সোনকালে আহিবলৈ কৈছে । এই বুলি কৈ মা পুনৰ ওলাই গ'ল । মোৰ মা-দেউতাৰ প্ৰতি শ্ৰদ্ধা ভাৱ জাগি উঠিল । তেওঁলোকে মোক ইমান ভাল পায়, ইমান বিশ্বাস কৰে । আজিলৈকে তেওঁলোকে মোক কোনো কথাতেই বাধা দিয়া নাই । পাৰিম জানো এই মৰমৰ প্ৰতিদান ৰূপে মই তেওঁলোকক কিবা দিব, পাৰিম জানো সদায় তেওঁলোকৰ বিশ্বাসপাত্ৰ হৈ থাকিব '। এইবোৰ ভাবি ভাবি কেতিয়ানো ৬ টা বাজিলে গমেই নাপাওঁ । ঘড়ীৰৰ ৬ বজাৰ সংকেতেতহে মোৰ সম্বিৎ ঘূৰি আহিল । মই বাহিৰলৈ চালোঁ সিহঁত দুটা আহি পদূলি মুৰত ৰৈ আছে । দুয়োটাই বাইক আনিছে । ময়ো লৰালৰিকৈ চাৰ্টটো পিন্ধি বাইকখন লৈ ওলাই আহিলোঁ । আমি হোটেল পাওঁগৈ মানে ৭ বাজিল । আমি হোটেলৰ কাষতে বাইককেইখন ৰখাই ভিতৰলৈ সোমাই গ'লোঁ । আমাক দেখি সি আগবাঢ়ি আহিল । আমি তাৰ আয়োজন দেখি আঁচৰিত হ'লোঁ । মাছ, মাংস, কণী, ৰুটি নানা ধৰণৰ বিস্কুটৰ কিমান আয়োজন । ৰঙা-নীলা লাইট । হিন্দী গানৰ লহৰে লহৰে জোৰ পাতি পাতি নাচি আছে । আমি এইবোৰৰপৰা ফালৰি কাটি আনি কিনাৰত থকা চকীত বহিলোঁ । আমি ইবিলাক বস্তু খোৱাৰ পাছত বিভাসে আমাৰ আগত বটল তিনিটা থলেহি । মৃদুল আৰু প্ৰতিমে বটলকেইটালৈ কেৰাহিকৈও নাচালে । বিভাসে সিহঁতক খাবলৈ টানি জোৰ কৰাত সিহঁতি ক'লে --

ঃ যদি তই আমাক বেছি জোৰ কৰ -- তেন্তে আমি তোৰ ওচৰৰপৰা এতিয়াই যামগৈ আৰু আমি পাহৰি যাম যে আমাৰ মাজত কেতিয়াবা বন্ধুত্ব আছিল ।

সিহঁতৰ কথা শুনি সি মোলৈ চালে । মোৰ তালৈ বেয়া লাগি গ'ল । মই তাক এপেগ বনাবৰ বাবে ক'লোঁ । মোৰ কথাও সিহঁতি আঁচৰিত হ'ল । মা-দেউতাক নোসোধাকৈ কলৈকো নোযোৱা ল'ৰাটোৱে আজি ইমান ডাঙৰ বেয়া কাম এটা কৰিবলৈ ওলাইছে । মোৰো মা-দেউতাৰ কথা মনত নপৰা নহয় । তথাপি বন্ধুত্বৰ কথা এটা আছে । সেয়ে প্ৰথম গিলাচটো লওঁতে মোৰ হাতখন কঁপিছিল । মই জানো এই কথা গম পালে মা-দেউতাই কিমান দুখ পাব । তথাপিতো মই সিহঁতৰ ইমান বাধা সত্বেও মই গিলাচত মুখ দিলোঁ আৰু কেতিয়াযে তিনিটা বটল খালোঁ গমেই নাপালোঁ । বিভাসৰ সিমান নিচা ধৰা নাই । মই প্ৰথম খোৱাটো; সেয়ে মোৰ বৰ নিচাই ধৰিছে । মোক মৃদুলহঁতে এৰি থৈ যাবলৈ লৈছিল । মই সিহঁতক ৰ'বলৈ কৈ বিভাসক মাত লগাই ওলাই আহিলোঁ । মই তেতিয়া বাইক চলাই যোৱা অৱস্থাত নাই । মোৰ লগতে সিহঁতিও খোজ কাঢ়ি আমাৰ ঘৰলৈকে আহিল । ঘৰৰ পদূলি মুৰ পাইয়ে মোক মাত নলগোৱাকৈ গুচি গ'ল । হয়তো মোৰ ওপৰত সিহঁতৰ খুউব খং উঠিছে । মই অহা গম পাই মা উঠি আহি মাত লগাই পুনৰ ভিতৰলৈ সোমাই গ'ল । ভালেই পালোঁ মই মায়ে অন্ততঃ মোৰ এই অৱস্থাটোৰ কথা নাজানিলে । মই বাইকখন নিৰ্দিষ্ট ঠাইত থৈ কাপোৰ নসলোৱাকৈয়ে বিছনাত পৰিলোহি ।

বিভাসে দিয়া পাৰ্টিটোত সেই বস্তুটো খাই তাৰ প্ৰতি মোৰ নিচা বহি গৈছিল । আজিকালি মই সুবিধা পালেই এই বস্তুটো খাওঁ । মা-দেউতাই প্ৰথমে এই কথা গম পোৱা নাছিল । কিন্তু যেতিয়াৰপৰা মই ঘৰত আনি খাবলৈ ল'লোঁ তেতিয়াহে তেওঁলোকে গম পালে তেওঁলোকৰ মৰমৰ পুত্ৰ কিহৰ ফালে গতি কৰিছে । তেওঁলোকে বিশ্বাস কৰিবপৰা নাছিল মই যে এদিন এইবিলাক বস্তু মুখত দিম বুলি । তেওঁলোকে মোক ভালদৰেও বুজালে বেয়াকৈও বুজালে, বহুত অনুৰোধ কৰিলে এই পথৰপৰা উলটি আহিবলৈ । কিন্তু তেতিয়া মোৰ সময় নাছিল তেওঁলোকৰ কথা শুনাৰ । তেতিয়া মই এখন নতুন কল্পনা ৰাজ্যত ঘূৰি ফুৰিছোঁ । এই কথাটোক লৈয়ে মোৰ মৃদুল আৰু প্ৰতিমৰ লগত কাজিয়া হ'ল । সিহঁতে মোক বহুত কৈছিল এই পথটো ত্যাগ কৰিবলৈ । সেইদিনা হয়তো সিহঁতে মোক ভালৰ বাবেই কৈছিল । মোৰ কিন্তু তেতিয়া ভাল-বেয়া বিচাৰ কৰা শক্তি নাছিল । আজিকালি মই মাহঁতৰ কোনো কথাই নুশুনো । আগতে মই প্ৰায় ভিতৰতে সোমায় থাকোঁ; কিন্তু আজিকালি মই বাহিৰত থাকিহে ভাল পাওঁ ।

এইকেইদিন মই মোৰ বুকুখনৰ ভিতৰত কিবা জ্বলা- পোৰা অনুভৱ কৰিছোঁ । উশাহ ল'লেও বুকুখন বৰ বিষায় । ইয়াৰ কাৰণটো কি তাক জানিবৰ বাবে মই কোনেও গম নোপোৱাকৈ ডাক্তৰৰ ওচৰলৈ গ'লোঁ । ডাক্তৰজন আমাৰ দেউতাৰ চিনাকি । ডাক্তৰে মোক পৰীক্ষা কৰা পাছত মোক ক'লে --

ঃ তোমাৰ দেউতাটো এজন ভাল নামী মানুহ আৰু তুমিনো কিহৰ দুখত এই কাম কৰিলা । ইমান সৰুতে নিজৰ জীৱনটো এনেদৰে ধ্বংস কৰিব নালাগিছিল তো[illegible]ৰ কেন্সাৰ হৈছে । চিন্তা নকৰিবা ভাল হ'ব । টকা অলপ খৰচ হ'ব । ভগৱানৰ ওপৰত বিশ্বাস ৰাখা । সকলো ঠিক হৈ যাব । এইবুলি কৈ তেওঁ আন এজন ৰোগীৰ ওচৰলৈ গ'ল । ডাক্তৰৰ মুখৰপৰা এই অভিশাপসূচক বাক্যটো শুনি মই চকুৰে অন্ধকাৰ দেখিলোঁ । মই এতিয়াহে বুজিলোঁ মই কি ডাঙৰ ভুল কৰিলোঁ । কিন্তু এতিয়া যে বহু দেৰি হৈ গ'ল । আজি মই কৌলৈকো নগৈ পোনে পোনে ঘৰ পালোঁহি । আজি মই সোনকালে অহা দেখি মা আঁচৰিত হ'ল যদিও একো নক'লে । মই ৰুমত সোমাই দৰ্জাখন মাৰি প্ৰথমে প্ৰথমে মৃদুল আৰু প্ৰতিমলৈ ক্ষমা বিচাৰি দুখন চিঠি লিখিলোঁ । অলপ দেৰি ৰৈ মালৈ এখন লিখিলোঁ --

মৰমৰ -- মা,

পত্ৰৰ দ্বাৰাই মোৰ শেষ মৰমকণ গ্ৰহণ কৰিবা । মা মই বহুত ভুল কৰিলোঁ মা । মা তোমালোকে মোক ইমান মৰম কৰিছিলা, বিশ্বাস কৰিছিলা । মই এই মৰম আৰু বিশ্বাসৰ প্ৰতিদান ৰূপে কি দিলোঁ । দিলো মাত্ৰ দুখ-যন্ত্ৰণা । মা মই যদি তোমালোকে কওঁতেই এই ৰাস্তাটোৰপৰা আঁতৰি আহিলোঁহেঁতেন, তেনেহ'লে কেতিয়াও মোৰ এনে নহ'লহেঁতেন । মই এতিয়া বুজিব পাৰিছোঁ মই কি ডাঙৰ ভুল কৰিলোঁ । কিন্তু এতিয়াতো মোৰ বহুত দেৰি হৈ গ'ল । এতিয়া মই এজন মৃত্যু পথৰ যাত্ৰী । তোমালোকক মুখেৰে জনোৱা সাহস মোৰ নাই, সেয়ে চিঠিৰে জনাইছোঁ, মোৰ কেন্সাৰ হৈছে । ডাক্তৰে কৈছে মোৰ ভাল হ'ব; কিন্তু টকা অলপ খৰচ হ'ব । মই তোমালোকক বহুত দুখ দিলোঁ আৰু দুখ দিয়া ইচ্ছা মোৰ নাই । মোৰ বহুত ভুল হৈ গ'ল । এই ভুলৰ প্ৰায়শ্চিত্ত এটা শব্দৰে কৰিব বিচাৰিছোঁ সেইটো হ'ল 'মৃত্যু' । দেউতাক মোক ক্ষমা কৰিবলৈ ক'বা । ভাইটি তই মোৰ দৰে নহ'বি । তই ভাল হ'বি । মা মোক ক্ষমা কৰি দিবা । মা তুমি পাহৰি যাবা তোমাৰ দুটি পুত্ৰ আছিল বুলি । বাৰু মা চিঠি সামৰিলোঁ । মোক ক্ষমা কৰিবা ।

ইতিত --

তোমাৰ পুত্ৰ

'বাবা'

মই চিঠিখন সামৰি গাৰু তলত থ'লোঁ । আজি ৰাতি মই সকলোৰে লগত একেলগে ভাত খালোঁ । বৰ ভাল লাগিল একেলগে খাই । সকলো ভাত খাই শোৱাৰ পাছত মই কোনেও গম নোপোৱাকৈ দৰ্জাখন খুলি ওলাই আহিলোঁ । দৰ্জাখন মাৰি গেটখন খুলি পদূলিত উঠিলোহি । পদূলিৰপৰা মই ঘৰটো এবাৰ হেঁপাহ পলুৱাই চাই ল'লোঁ । তেনেতে দূৰত মই নিশা ১০-৩০ বজাত অহা ৰেলখনৰ শব্দ শুনিলোঁ । ময়ো গেটখন বন্ধ কৰি ৰেলৰ লাইনটোৰ ফালে আগুৱাই গ'লোঁ । ❑

মানুহ সদায় নিজকে দেৱতাৰ শাৰীলৈ উন্নীত কৰিবলৈ চেষ্টা কৰা উচিত । মানুহ দেৱতা হোৱা অসম্ভৱ । কিন্তু এনে প্ৰচেষ্টাই অন্ততঃ তেওঁক পশুত্বৰপৰা আঁতৰত ৰাখিব ।

— হোমেন বৰগোহাঞি

# অপৰাজেয়

❑ মুনীন্দ্ৰ বুঢ়াগোহাঁই
উঃ মাঃ প্ৰথম বৰ্ষ

ইমান দূৰ যাত্ৰীবোৰ কঢ়িয়াই অনাৰ পাছত বাছখনো হয়তো ক্লান্ত হৈ পৰিছে । ক্লান্ত হৈ পৰিছিল বাছৰ অন্যান্য যাত্ৰীৰ লগতে মৃগেনো । একেবাহে গুৱাহাটীৰপৰা বহি আহিছে নগাঁৱলৈকে । ভাগৰ নালাগিবনো কাৰ ? অৱশ্যে গাড়ীখন জাগিৰোডত পোন্ধৰ মিনিটমান ৰৈছিল । সেই সুযোগতে বাছ যাত্ৰীবোৰ নামি চাহ-তাহ আদি খাই মনৰ ক্লান্তি আৰু অৱসাদ কমাইছিল । মৃগেন কিন্তু গাড়ীৰপৰা নামি যোৱা নাছিল । কাৰণ নামিলেও তাৰ চাহ খাবলৈ পইচাৰ অভাৱ । সি গাড়ীৰ ভিতৰত বহি থাকিয়েই খিৰিকিৰে বাহিৰৰ জগতখনৰ বিচিত্ৰতা উপভোগ কৰিছিল । পোন্ধৰ মিনিটৰ পাছত গাড়ী আকৌ চলিছিল, ক'তো নোৰোৱাকৈ একেবাহে নগাঁৱলৈকে । অৱশেষত গাড়ীখন আহি নগাঁৱৰ হোটেল এখনৰ সন্মুখত ৰ'লহি । নগাঁৱৰ যাত্ৰীসকল গাড়ীৰপৰা নামি পৰিল । মৃগেনো নামিল । কিছুমান যাত্ৰী গাড়ীৰ ভিতৰত বহিয়ে থাকিল । তেওঁলোক যাব ডিফুলৈ ।

ৰ'দজাক চোকা হৈ আহিছে । মৃগেন গাড়ীৰপৰা নামি তাৰ পেন্টৰ জেপত হাত ভৰাই পইচা কিমান আছে চালে । জেপত তাৰ কেৱল পাঁচ টকাহে আছেগৈ । সি এশ টকা লৈ ৰাজধানীলৈ গৈছিল । জেপটো সি আকৌ ভালদৰে খুচৰি খুচৰি চালে, নাই এই পাঁচ টকাৰ বাদে তাৰ জেপত আৰু এক পইচাও নাই । ধন ঘটিবলৈহে কষ্ট, খৰচ কৰিবলৈ বেছি সময় নালাগে । মাকে তালৈ বৰ আশাৰে বাট চাই আছে । বাৰীৰে ইটো-সিটো বস্তু বিক্ৰী সিহঁতৰ অভাৱৰ সংসাৰখন চলি আছে । মন্ত্ৰী বা দালালক ভেটি দিবলৈ তাৰ পইচা নাই । এটা চিনাকি সূত্ৰে চাকৰি এটা পাব বুলি সি বহুদিনৰপৰাই বাট চাই আছে ।

প্ৰখৰ ৰ'দৰ ঠাইত আকাশখনলৈ চপৰা চপৰে মেঘ নামি আহিছে । বৰষুণ আহিলে ভাল হয় । গৰম বহুত কমি যাব । অসহ্য লাগিছে । পেটত ভোকটোৱেও জাননী দি আছে । সি ৰাতিপুৱাতে শুকান ৰুটি আৰু একাপ চাহ খাইছিল । সি পাঁচটকীয়া নোটখনৰ ফালে আকৌ এবাৰ চালে । মনতে এটা হিচাপো কৰিলে । ইয়াৰপৰা ঘৰলৈ যাবলৈ বাছ ভাড়া লাগিব তিনি টকা ; তাৰ হাতত থাকিব দুটকা । নাই নোজোৰে, কোনোমতে খালি চাহ একাপ খাবলৈ জুৰিবহে । শৰীৰৰ ক্লান্তি ক্ৰমে ভৰিৰপৰা মূৰলৈকে নামি গৈছে । তাৰ নিজৰ শৰীৰৰ ভৰকে ব'ব নোৱৰা যেন লাগিছে ।

সি ঘৰলৈ যোৱা গাড়ীৰ টিকট কাউন্টাৰৰ সন্মুখত পুৰুষৰ শাৰীৰ ফালে শাৰী পাতিলেগৈ । টিকটটো কিনি সি গাড়ীৰ ফালে খোজ ল'লে । নিৰ্দিষ্ট গাড়ীখন বিচাৰি উলিয়াই সি চিত নম্বৰ বিচাৰিলে । একত্ৰিশ নম্বৰ চিটটোৱেই তাৰ ; কিন্তু সেই চিটটোত এগৰাকী বৃদ্ধা বহি আছে । সি মানুহগৰাকীৰ মুখলৈ চালে । মানুহগৰাকীয়ে বোধকৰো টিকট নাপালে । সি মানুহগৰাকীক তাৰ চিটৰপৰা উঠাই দিবলৈ মন নকৰিলে । কাৰণ মানুহগৰাকী তাৰ মাকৰ বয়সীয়াই, সি অনুমান কৰিলে । হঠাৎ তাৰ বিধবা মাকজনীলৈ মনত পৰিল । তাৰ মাকে চাগৈ তালৈ বৰ আশাৰে বাট চাই আছে । তাৰ বিধবা মাকজনীয়ে বাৰু সেই শিশুকালৰ পৰাই কম কষ্টখন কৰি আহিছেনে ? তথাপি তেওঁ কোনোদিন হতাশৰ ওমুনিয়াহ কঢ়া নাই । তেওঁ যেন জীৱন যুঁজৰ সৈনিক । তেওঁ দেখা আশাৰ সপোন পলমকৈ হ'লেও বাস্তৱত পৰিণত হ'ব বুলিয়েই তেওঁৰ বিশ্বাস । মৃগেনেও ভাবিছিল সি নিশ্চয় মাকৰ মুখত এদিন হাঁহি বিৰিঙাব ! কিন্তু দাতাই দিলেও যে বিধাতাই নিদিয়ে । মাকে তাক অনেক কষ্টৰ মাজেৰে বি, এ, লৈকে পঢ়ালে । সি পাছো কৰিলে সুখ্যাতিৰে । মাকৰ যে কিমান আনন্দ হৈছিল সেইদিনা আৰু চিন্তা নাই পুতেকে বি, এ, পাছ কৰিলে যেতিয়া চাকৰি এটা পাবই আৰু তেওঁৰো দুখ-কষ্টৰ নিৰাময় ঘটিব । সেয়ে মাকে সেইদিনাই গাঁথিৰ ধন খৰচ কৰি কল-মাহ আনি গোসাঁইৰ আগত শৰাই এখন আগবঢ়াইছিল । তেওঁ ভাবিছিল আগৰ দৰে তেওঁ আৰু এতিয়া আনৰ ঘৰত কাম কৰিব নালাগে । মৃগেনে চাকৰি কৰিব যেতিয়া তাৰ দৰমহাৰ টকাই মাক-পুতেকে দুয়োৰে চলি যাব ! মৃগেনেও ভাবিছিল তাৰ পৰীক্ষাৰ ফল যেতিয়া ভাল সি চাকৰি এটা নিশ্চয় পাব । কিন্তু পৰীক্ষাৰ ফল হ'লেই জানো চাকৰি পায় ? যদি সেয়ে হয় তেনেহ'লে সি আজি চাৰি বছৰে বহি থাকিব লগা হ'ল কিয় ? ছাত্ৰ হিচাপে চোকা বুলি তাৰ কলেজতেই নাম আছিল । তাৰ প্ৰবন্ধ দেশৰ বিভিন্ন কলেজৰ চেমিনাৰোৰত পাঠ হৈছিল । কলেজৰ সেই সুখ্যাতিৰ দিনবোৰৰ কথা ভাবিলেই এক পলকত তাৰ দুচকু ডোৰাল খাই আহে । আঃ কি দিন আছিল সেইবোৰ ? তেতিয়া বাৰু ইমান দিনলৈ এনেদৰে কাম বিচাৰি বহি থাকিব লাগিব বুলি সি ভাবিছিলনে ? চাকৰি পাবলৈ আৱশ্যক হোৱা হাতখন বেছি দূৰলৈ প্ৰসাৰিত কৰিব পৰাৰ যোগ্যতা তাৰ নাছিল বাবেই সি কিতাপৰ



বাহিৰে বেলেগৰ লগত তাৰ হৃদয়তা গঢ়ি তুলিব পৰা নাছিল । ভালদৰে পঢ়ি-শুনি ভাল ফলাফল এটা লৈ সোনকালে চাকৰি এটা ল'ব পৰাটোৱেই তাৰ সপোন আছিল ।

ঃ সপোন ?

ঃ এৰা সপোনেই হয় ।

এম, এ, পাছ কৰি ঘৰত বহি থকা বায়েকক সি পাছ কৰি আহিয়েই বিয়া দি উলিয়াই দিয়াৰ কথা । বাপেকে ইতিমধ্যে বহুকেইটা ভাল ঘৰৰপৰা অহা প্ৰস্তাৱ ওভোতাই পঠাইছিল ; ছোৱালীৰনো বয়স হৈছে কিমান ? আচলতে বয়স নোহোৱাৰ যুক্তিত বাপেকে প্ৰস্তাৱ অগ্ৰাহ্য কৰা নাছিল । ল'ৰা পাছ কৰি আহক তাক পাছত সকলো । কিন্তু সময়ত সেয়া নহ'ল । বাপেকো মৃত্যুৰ মুখত পৰিল । ঘৰৰ সন্মুখৰ মাটিখিনিত সুন্দৰকৈ সৰু ঘৰ এটা সাজিব ইত্যাদি ইত্যাদি ... । তাৰ অৱস্থা প্ৰতিজন ডেকাই দেখা এটা সাধাৰণ সপোন ।

বৰফ গলাৰ দৰে, আঙুলিৰ ফাকেৰে সময় সৰি পৰিল । আজি চাৰি বছৰ ধৰি অফিচৰ দুৱাৰে দুৱাৰে কামৰ সন্ধানত ঘূমুটিয়াই ফুৰিছে । সুন্দৰকৈ টেষ্টবোৰ দিয়াৰ পিছতো, ইন্টাৰভিউ দিয়াৰ পিছতো সি চাকৰি এটা নাপায় কিয় ? আচল ডিফেক্টনো ক'ত ? সেই তেতিয়াৰ পৰাই প্ৰতিটো ইন্টাৰভিউ দি উঠিয়েই পাম পাম বুলি আশা কৰি শেষলৈ বাছনিত উঠিব নোৱাৰাৰ হতাশাত সি এক প্ৰকাৰ ভাগিয়েই পৰিছে । চকুৰে-মুখে তাৰ এই হতাশাৰ ছবি স্পষ্ট, শুকান ওঁঠ-গাল, গাতত সোমোৱা চকু, ঠৰঙা গোফ আৰু চকুৰ গুৰিত ক'লা চিন । এসময়ৰ সুন্দৰ কলা চুলিখিনিয়ে এতিয়া যত্নৰ অভাৱত শুকাই মামৰৰ বৰণ লৈছে । লাহে লাহে তাৰ নিজৰ ওপৰতে বিশ্বাস কমি গ'ল । তাৰ চাকৰিলৈ বাট চাই থকা বায়েকে পিছত যোগ্যতাৰ ওপৰত কুঠাৰঘাট কৰি পি, ডব্লিউ, ডিৰ জেই এজনৰ লগত পলাই গৈছিল । আচলতে তেনেকৈ ঘৰৰপৰা ওলাই গৈ তাই ঘৰখনক ঠাই সাগৰত পৰাৰপৰা উদ্ধাৰহে কৰিলে ।

আঃ সময় যে কি দুঃসময় হৈ ধৰা দিছে তাৰ জীৱনত । তথাপি সি নিজে প্ৰবোধ দিয়ে । জীৱনক চিৰিয়াচলি লোৱা মানুহবোৰেই জীৱনত অসুখী হয় বেছি । সি ভাৱে এতিয়া ঘৰৰপৰা ওলাই যাওঁতে ঘৰ পোৱাৰ আগতেই গাড়ীয়ে খুন্দিয়াই তাৰ ভৰি এখন চিঙি পেলাব পাৰে । সুন্দৰ স্বাস্থ্যৰ মানুহ এজন ডেকাকালতেই লেঙেৰা হৈ গ'লোঁ বুলিয়েই আত্মহত্যা কৰিব নোৱাৰে । জীৱনৰ শেষ দিনটোলৈ হয়তো হাঁহি হাঁহিয়ে সি বাট চাব ।

আচলতে জীয়াই থকাটো এটা নিচা আৰু আটাইতকৈ মোহময়ী নিচা হ'ল জীৱনৰ প্ৰতি লালাসা । এই নিচাৰ বাবেই টো ফুটপাথৰ ওপৰতো বস্তা একোখন গাতলৈ পুহমহীয়া জাৰৰ দিনটো অঘৰীবোৰে পাৰ কৰি দিব পাৰে । তথাপি সিহঁতে জীয়াই থাকি ভাল পায় ।

গাড়ীখন হঠাৎ ৰৈ যোৱাত তাৰ তন্ময়তা ভাঙিল । তাৰ কাষতে বহি অহা মানুহগৰাকী কেতিয়া নামিল সি ক'বই নোৱাৰিলে । তাৰ মাকলৈ মনত পৰিল । মাকে ছাগৈ তাৰ মঙ্গলৰ বাবে গোসাঁই ঘৰত বহি প্ৰাৰ্থনা কৰিছে । মাকে তাৰ এটা সুখবৰৰ বাবে কিমানযে আশাৰে ৰৈ আছে । কথাষাৰ ভাবিলে তাৰ নিজকে নিজে অপৰাধী যেন লাগে । সি অন্তৰ্গামী সূৰ্য্যটোলৈ চালে । আৰু অলপ সময়ৰ পাছত চৌদিশে আন্ধাৰে আৱৰি ধৰিব । আকৌ আকাশত জোন ওলাব । ৰাতি পুৱাব, সন্ধিয়া অস্ত যোৱা সূৰ্যটো পুৱা আকৌ উদয় হ'ব । সি অনুভৱ কৰিলে কিবা প্ৰকাৰে হ'লেও তাৰ জীৱনটো অন্ধকাৰ ভেদি জোনৰ পোহৰ সৰকি আহিব ; এদিন সূৰ্য্যোদয় হ'ব । সেয়াই হয়তো পৃথিৱীৰ চিৰন্তন সত্য । সি যে কলা-বোবা-কণা বা খোৰা হৈ জন্ম নহ'ল । তাৰ ভিতৰৰ মানুহটোৱে কৈ উঠিল — 'তোমাৰ বহুত বল আছে, শৰীৰত শক্তি আছে, মনলৈ সাহস আনা, মনটোক দুৰ্বল কৰি নুতুলিবা । প্ৰকৃতি ইমান কৃপণ নহয় যে কমঠ মানুহবোৰ খাবলৈ নাপাই তিলে তিলে মৰিবলৈ দিব ।' সি পাৰিব, সি ভিতৰৰ মানুহটোক জগাই তুলিব । অজানিতে তাৰ মুখলৈ এটা সুঁহৰি ফুটি উঠিল । সুঁহৰিয়াই সুঁহৰিয়াই সি ঘৰলৈ খোজ ল'লে । ❑

> তুমি সাহসী হোৱা, কাৰোবাক হত্যা কৰিবলৈ নহয়, তুমি ঘিন কৰাজনক প্ৰেমেৰে আকোঁৱালি ল'বলৈহে। প্ৰেমে কাৰো মাজত বিভাজন নানে । বৰং ই ভগৱানৰ সৈতে আমাক সাঙোৰেহে ।
>
> — মাদাৰ টেৰেছা

রস ৰচনা

# তামুলি পেহাৰ কাহিনী

□ কুন্দন কপিল পাতৰ
উঃমাঃ ২য় বৰ্ষ

ইতিমধ্যে তামুলি পেহাৰ বিয়া পতাৰ দুটা বছৰ পাৰ হৈ গ'ল । এতিয়া তেওঁৰ মাথোঁ এটাই চিন্তা কেতিয়ানো ফুলপেহী বুঢ়ী হয় আৰু দাঁতকেইটা সৰে । প্ৰথমে সাক্ষাৎ লখিমী বুলিয়েই ভাৱিছিল যদিও পেহীজনী বোলে এতিয়া যখিনী বুলিয়ে অনুমান হয় । নিৰ্বাচনৰ আগমুহূৰ্ত্তত ৰাজনৈতিক নেতাবোৰৰ ভাৱমূৰ্ত্তি আৰু পাছৰ কাৰ্য্যকলাপৰ মাজৰ বিৰাট পাৰ্থক্যখিনিৰ লক্ষণ আমাৰ পেহীৰ মাজতো বোলে বিৰাজমান । পেহাৰ মূৰত পকা আৰু কেঁচা চুলিৰ মাজত পকা চুলিৰ সংখ্যা গৰিষ্ঠতা অধিক । গতিকে পকা চুলিকেইডাল উলিয়াবলৈ হ'লে পেহাৰ মস্তক প্ৰদেশত চুলি জাতিৰ কোনো অস্তিত্বই নাথাকিব । ইফালে এল. টি. টিৰ গুলীবৰ্ষণ ৰ দৰে ফুল পেহীৰ গালিবৰ্ষণত তামুলি পেহা অহৰহ গুলীবৃদ্ধহৈ পৰি যায় । পেহীৰ চিঞৰ-বাখৰৰ প্ৰকোপত ঘৰৰ চিমেণ্টৰ বেৰ বিলাকো মাটিত ঢলি পৰে । চিন্তাত পেহাৰ কপালত কেইবাখনো নদীৰ সৃষ্টি হয় ।

এদিন পেহাই বজাৰৰ পৰা শাৰী এখন কিনি আনিলে পেহীৰ বাবে । এই আকস্মিক উপহাৰ পাই পেহীয়ে যুদ্ধ বিৰতি ঘোষণা কৰেইবা । দোকানীয়ে ভালকৈ পেক কৰি দিয়া উপহাৰটো পত্নীলৈ আগবঢ়াই দি নিৰ্দিষ্ট দূৰত্বৰ পৰা পেহীৰ প্ৰতিক্ৰিয়ালৈ বাট চালে । কিন্তু ই কি '? পেহীয়ে দেখোন পেকেটতো খুলিয়েই সন্ত্ৰাসবাদীৰ ৰূপ ধাৰণ কৰিলে । বাচন-বৰ্তন নিক্ষেপ আদি বিচ্ছিন্নতাবাদী কাৰ্য্যকলাপৰ আভাস দিবলৈ ধৰিলে । পেহাৰ ঘৰখন যেন হঠাত কাশ্মীৰলৈ ৰূপান্তৰিত হ'ল ! দেখা গ'ল পেহীয়ে মিনিস্কাৰ্ট এটা জোকাৰি জোকাৰি পেহালৈ ড্ৰেগন দৃষ্টি নিক্ষেপ কৰিছে । এতিয়াহে পেহাৰ আচল কথাটো মনত পৰিল । শাৰীকিনা দোকানখনত তেওঁৰ ওচৰত এগৰাকী অত্যাধুনিক গাভৰুৱে কাপোৰ কিনিছিল আৰু ভুলতে তাই পেকেটটো পেহাই লৈ আহিল । পেহীয়ে কিন্তু তেওঁৰ কথা বিশ্বাস কৰিবলৈ টান পালে । পেহাই বোলে কোনোবা গাভৰুলৈহে সেইটো কিনি আনিছিল । অসাৱধান বশতঃ পেহীৰ হাতত পৰিল । পেহাই যিমানে বুজায় পেহীও সিমানে ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰে । বেঁচেৰা তামুলি পেহা ! এইটোতো এল. অ. চি কেলেঙ্কাৰিতকৈও অধিক গুৰুত্বপূৰ্ণ । গতিকে ইয়াৰ বাবে বিৰোধী পক্ষই সদন ত্যাগ কৰাৰ দৰে পেহীয়েও যদি ঘৰ ত্যাগ কৰে । এনেতে মিছেচ শইকীয়ানী আহিলতহে অলপ ঠাণ্ডা হ'ল । যেন শ্ৰীলংকালৈ ভাৰতীয় শান্তিৰক্ষা বাহিনীৰহে আগমন ঘটিল ।

পিছদিনা পেহাই দোকান খনলৈ গৈ পেকেটটো ওভটাই দিয়াৰ সময়ত এনে উগ্ৰমূৰ্ত্তি ধাৰণ কৰিছিল যে সেই মূৰ্ত্তি দেখা হ'লে স্বয়ং হীটলাৰেও ভয়ত কঁপিলহেঁতেন । পত্নীৰ যুক্তি তৰ্ককে সাৰোগত কৰি পেট্ৰল টেংকত পেট্ৰলৰ সলনি পানী ভৰোৱাৰ টেন-পাৰ্চেণ্ট সম্ভাৱনাক নেওচি তামুলি পেহাই স্কুটাৰ এখনকে কিনিলে । অন্ততঃ টকা ধাৰলৈ লোৱা মানুহকেইজনৰপৰা নহ'লেও পেহীৰ অতপালিৰপৰা চকু পচাৰতে আঁতৰিব পৰা ব্যৱস্থা এটাকে হ'ল ।

কেতিয়াবা পেহাৰ ঘৰলৈ বৰুৱানী আৰু শইকীয়ানী আহি ফুলপেহীৰ সৈতে ৰুদ্ধদ্বাৰ ত্ৰিপাক্ষিক আলোচনাত মিলিত হয় । তেওঁলোকে পেহীক উচতাই দিয়ে 'ফ্ৰীজ এটা লোৱা ; নাই কিয় ? ৰঙীন বিমট কণ্ট্ৰল লগোৱা টি.ভি. এটা এতিয়াই লৈ লোৱা পিছত দাম বাঢ়িব ।' আদি কৰি বিভিন্ন ধৰণৰ উচতনি । এন. ডি. এফ. বিএ বড়োলেণ্ড বিচৰাদি বৰুৱানীহঁতৰ উচতনিত ফুলপেহীয়ে ফ্ৰীজ, ৰঙীন টি.ভি বিচাৰে । গতিকে তামুলি পেহা আৰু আঞ্চলিক চৰকাৰৰ মাজত কোনো পাৰ্থক্যই নোহোৱা হৈছেগৈ । ঘৰখন সুন্দৰ কৰিবলৈ পেহীয়ে বেছ কিছু আঁচনি তৈয়াৰ কৰিছে , ঠিক যেন জৱাহৰ ৰোজগাৰ আঁচনি । ৰঙীন টি.ভি, এটা ল'বলৈ পেহীয়ে এই কেইদিন তামুলি পেহাৰ শুৱা-খোৱা নোহোৱা কৰিছে । টি.ভিত শচীন টেণ্ডুলকাৰ ক্ৰিকেটৰ দিনত বাৰে বাৰে ওলোৱাদি ফুলপেহীৰ ৰুদ্ৰমূৰ্ত্তি ঘনাই সপোনত দেখি পেহা চক খাই উঠে । মুঠতে পেহাৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে ।

সিদিনা আকৌ ওলালহি ফুলপেহীৰ দদায়কে-খুৰীয়েক লগতে পৰিয়াল পৰিকল্পনাক ইতিকিং কৰা এসোপামান ল'ৰা-ছোৱালী । দূৰৈৰপৰা চালে অনুমান হয়, শিক্ষক-শিক্ষয়িত্ৰীৰ লগত সেয়া কোনোবা স্কুলৰ ল'ৰা-ছোৱালীহে । পেহীৰ গা সোতৰখন-ওঠৰখন হ'ল । মাছ-মাংস কিবা এটাটো আনিবই লাগিব । তাতে জুই-চাই দাম । ইফালে এক্সট্ৰা প্লেয়াৰ, ৰেফাৰী লাইনচ মেন সৱকে ধৰি এটা ফুটবল টীমৰ সমান মানুহ । মনটো ফুটচাইৰ দৰে হ'লেও উপাই নাই । অৱশেষত যেনে-তেনে ৰৱালি এটা আনি পেহাই পিৰালি পোৱালেহি । এইদৰে পেহাৰ কেঁচাচুলি বংশ গণতন্ত্ৰৰ দৰে ধ্বংস হ'ল । কোনোমতে কলপ সানিহে টিকি আছে । কিন্তু এইদৰে আৰু পেহাই কিমান সহ্য কৰিব । আজি ইমান দিনে পেহীয়ে ৰাজত্ব কৰিলে । এইবাৰ পেহাৰ পাল । সিদিনা মৰসাহ কৰি দম এটা দিলে । দিলে মানে দিবলৈ নাপালেই পেহীয়ে ধৰ্মঘট আৰম্ভ কৰি অসম বন্ধ পালন কৰাদি পাক ঘৰ বন্ধ কৰি আমৰণ অনশন আৰম্ভ কৰি দিলে । পেহাৰ মনত এইবাৰ কিবা এটা কৰাৰ অদম্য সাহস জাগি উঠিল । লাঠি চাৰ্জ, কন্দুৱা গেছ, ব্লেংক ফায়াৰ এইবাৰ নিশ্চয় কিবা এটা ব্যৱহাৰ কৰিব । তাকে ভাৱি তেওঁও ঘৰত অনশন আৰম্ভ কৰিলে আৰু হোটেলত মনে মনে খাদ্য ভক্ষণ কৰিবলৈ ধৰিলে ।

আজি চাৰিদিন হ'ল । তামুলি পেহা আৰু ফুলপেহীৰ মাজত কথা-বাৰ্তা বন্ধ । ঠিক পানী যোগান আঁচনিৰ দৰে । নাখাই নবৈ পেহীৰ বিয়াগোম শৰীৰটো পাম যোৱা বেলুনৰ দৰে ক্ষীণাই আহিছে । আনফালে হোটেলত খাই খাই পেহাৰ পেটত বিধান সভাৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হৈছে । গতিকে বিদ্যুৎ পৰিষদৰ বিজুলী যোগানৰ দৰে শৌচাগাৰলৈ আহিছে আৰু গৈছে ।

অৱশেষত ছয়দিনৰ মূৰত আন্দোলন শেষ হ'ল । আমাৰ পেহা আৰু পেহীৰ বাবে এই ছয়দিন যেন ছয়বছৰীয়া আন্দোলনহে আছিল । আন্দোলনৰ শেষত এখন চুক্তি তৈয়াৰ কৰি দুয়োৱে তাত স্বাক্ষৰ কৰিলে আৰু দুয়োয়ে আখৰে আখৰে চুক্তি ৰূপায়ন কৰিবলৈ প্ৰতিশ্ৰুতি দিলে । অৱশ্যে চুক্তি ৰূপায়ণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰহেন ফুলপেহীৰ হাততে এৰিলে । ❖❖

# শিশুঃ বাল্যকালৰ সামাজিক বিকাশ

□ নলীন দিহিঙীয়া
স্নাতক ২য় বৰ্ষ

এটি শিশুৰ বাল্যকালৰ সামাজিক বিকাশৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমে ঘৰখন, তাৰ পাছত সমাজৰ বিষয়ে আলোচনাৰ প্ৰয়োজন ।

সামাজিক চেতনা বাল্যকালৰ এটা প্ৰধান বৈশিষ্ট্য । শিশুৰ সামাজিক চেতনাবোধ প্ৰথমতে ঘৰখনতে জাগ্ৰত হয় । তদুপৰি সামাজিক আচৰণো বাল্যকালতে গঢ়লৈ উঠে । বাল্যকালত, শিশুৰ যৌথ প্ৰবৃত্তিৰ বিকাশ সাধন হয় । এনে প্ৰবৃত্তিৰ বাবেই শিশু সমাজপ্ৰিয় হয় । লগৰ সমনীয়াৰ লগত খেলা-ধূলা কৰি বৰ আনন্দ পায় ।

যৌথ প্ৰবৃত্তিৰ প্ৰভাৱত শিশুৰ গোট বা দলীয় মনোভাৱ গঢ় লৈ উঠে, আৰু দলৰ প্ৰতি অনুগত্য প্ৰকাশ কৰে । শিশুৱে লগৰ সমনীয়াৰ লগত দল বান্ধি বিভিন্ন ধৰণৰ খেলা-ধূলা কৰে । দলবদ্ধভাৱে সংগঠনমূলক কামত সক্ৰিয় অংশগ্ৰহণ কৰে আৰু দলক নেতৃত্ব দিয়াৰ ক্ষমতাও অৰ্জন কৰে । শিশুৰ এই সময় ছোৱাকে দল গঠন কাল বুলি ক'ব পাৰি । এনে দলপ্ৰিয়তাৰ বাবেই শিশুসকলৰ মনত সামাজিক অনুশাসন আৰু ৰীতি-নীতিৰ প্ৰতি শ্ৰদ্ধা জন্মে । দলৰ প্ৰতিও আনুগত্য বেছিকৈ বাঢ়ে । দলৰ প্ৰতি এনে আনুগত্য থকাৰ বাবেই কেতিয়াবা শিশু পিতৃ-মাতৃৰ অবাধ্য হোৱাও দেখা যায়, বা গোটৰ সন্মান ৰক্ষাৰ বাবে প্ৰতিজন সদস্য জীৱন আহুতি পৰ্য্যন্ত দিবলৈও প্ৰতিজ্ঞাবদ্ধ হয় । আকৌ কিছুমান দলৰ প্ৰভাৱত ল'ৰা-ছোৱালী বিপথগামীও হোৱা দেখা যায় ।

শিশুৰ সামাজিক চেতনাবোধে শিশুৰ মনত নৈতিকতা বোধৰ সৃষ্টি কৰে । এই সময়ত শিশুৰ বিচাৰবোধ জাগ্ৰত হয় । অৰ্থাৎ শিশুৱে ভাল-বেয়া, ন্যায়-অন্যায় আদি উপলব্ধি কৰে । সঁচা কথা কোৱা, ডাঙৰক সন্মান কৰা ; ঈশ্বৰক বিশ্বাস কৰা আদি নৈতিক আচাৰণসমূহো এটি শিশুৱে সামাজিক পৰিৱেশৰপৰাই আয়ত্ত কৰে । মুঠৰ ওপৰত আমাৰ চাৰিওকাষৰ পৰিৱেশৰ লগতে ঘৰখনৰ সামাজিক পৰিৱেশতো শিশুৰ নৈতিক চেতনা জাগ্ৰত হয় । গতিকে, শিশুৰ সৰ্বাঙ্গীন বিকাশৰ বাবে এখন সুস্থিৰ, সৎ ঘৰৰ লগতে নিকা, সুস্থ সমাজ এখনৰো অতীৱ প্ৰয়োজন । ❖❖




## অতনু উমত

☐ লোহিত গগৈ

মানুহ, শব্দ, মাটি আৰু মেঘৰ মায়াত
কলমে কৰ্ষণ কৰে
হৃদয়ৰ উকা পথাৰ সিঁচি দিয়ে প্ৰেমৰ বীজ
ৰোপণ কৰে আশাৰ কঠীয়া ।

মাটিয়ে সাৱটি লয় মানুহ
মাটি মানুহৰ অন্তিম আশ্ৰয় ।

শব্দই সৃষ্টি কৰে মেঘৰ গৰ্জন
শব্দই সৃষ্টি কৰে উত্তাপ প্ৰশমিত কৰা
এজাক উত্তাল বৰষুণ
যি জীপাল কৰে মাটি
শুকান মাটি-সেউজী কৰি
সোণালী কৰি । ☐



## বিকল্প শূন্য

☐ বিনীতা দত্ত

বন্ধু, মহাভাৰত যদি পঢ়িছা
কৰ্ণৰ কথাও পাইছা চাগৈ !
'আপোন মাতৃ প্ৰতাৰিত'
'ঋষি সাপেৰে বিদ্ধ' কৰ্ণৰ কথা ?
দোষ কাক দিবা ?
নিয়তিক নে
আন কাৰোবাক .. ?
নিয়ৱসিক্ত দুবৰিডৰাত থিয় হৈ
কোমল ব'দচেৰেঙা
ময়ো আশা কৰিছিলোঁ
আন বহুতৰ দৰেই
কিন্তু বতৰটোচোন গোমা হৈয়েই থাকিল
কালিলৈ হয়তো ব'দ ওলাব
কিন্তু মোৰ হাতত জানো সময় থাকিব ???



## আশাৰ ছবি

☐ হেমপ্ৰকাশ মাউত
স্নাতক ২য় বৰ্ষ

অকস্মাৎ সাৰ পাই গ'লোঁ
কালি কইথৈ অহা
পথাৰখন মোৰ
ঠিকেই আছেতো
মোৰ পথাৰ- সেউজ পথাৰ
গুটি ধানৰ সোণালী পথাৰ
এহাল বলদ
এটা বঙা, এটা বগা
এচবিডাল দেখুৱালেই
খোজ লয়
মই পথাৰ চহাওঁ
গুটি সিচোঁ
ধান চপাওঁ
মুঠি মুঠি সোণগুটি
ভঁৰাল ওপচাই
মই আৰু বাপধনৰ মাক
পুৰা-গধূলিৰ দুসাজ ভাত
মিলিজুলি এখন ঘৰ
এখন সুখৰ সংসাৰৰ
ৰাতিৰ চালপীৰাত
নিজঞ্জাল সপোন । ❀



## বৰ্ষাৰ কবিতা

☐ নৰকান্ত দত্ত
স্নাতক ১ম বৰ্ষ

ওৰে ৰাতি বৰষুণজাকে
গান গাইছিল
পথাৰখন উন্মাদ হৈছিল ।
উদুলি মুদুলি
পথাৰ পুখুৰী ।
নাকত লাগিছে
কেঁচা মাটিৰ গোন্ধ ।
স্বপ্ন বিভোৰ
আকাশ বতাহ
নদী পুখুৰী
খাল-ডোঙ
মাটি
মোৰ ওঁঠত
হাজাৰ শব্দৰ
উকুমুকনি । ❀

# স্মৃতি

❑ নিতুল সন্দিকৈ
স্নাতক ৩য় বৰ্ষ

*(What peaceful hours I once enjoyed !*
*How sweets their memory still*
*But they have left an aching void*
*The world can never fill.)*

বুকুৰ মাজত কিহৰ ভিৰ
(ফেবফেৰীয়া চেঁচা বতাহজাকে
ওঁঠজোৰ কঁপাইছেহি)

পুৱাৰ নিয়ৰ গছকি
মই ওলালোঁ
স্মৃতিৰ সতে
এটা তীব্ৰ গোন্ধ
বুকুত কঢ়িয়াই লৈ ফুৰিছোঁ
অহৰহ তাৰ সুবাস লৈছোঁ ।

স্মৃতি মোৰ
ছয় ঋতুৰ ৰং
শীতৰ উমলগা ৰ'দ
শৰতৰ নিৰ্মল জোন
বহাগৰ প্ৰাণ উতলোৱা
কুলিৰ মাত
কেতেকীৰ কান্দোন । ❀



# মোৰ স্বদেশ

❑ মুনীন্দ্ৰ বুঢ়াগোহাঁই
উঃ মাঃ ১ ম বৰ্ষ

এখন নীলা আকাশ
বুকুত তেজাল বেলি
দুয়োহাত প্ৰসাৰিত কৰি
কামনা কৰোঁ মই
মোৰ স্বদেশ মহিমামণ্ডিত হওক
দশোদিশ সেউজী হৈ
প্ৰাচুৰ্য্যৰে ভৰি পৰক । ❀

# তেজেৰে লিখা ইতিহাস

❑ অঞ্জুমণি দেউৰী
স্নাতক ২য় বৰ্ষ

বতাহত ভাঁহি আহিছে
পোৰা মঙহৰ গোন্ধ
পঁচা মঙহৰ গোন্ধ
পুৰিছে
পচিছে কাৰ সপোন
মানৱীয়তা পুৰিছে
দয়া মৰম স্নেহ পুৰিছে
হত্যা কৰিছে চিৰন্তন প্ৰমূল্য
কাঢ়ি নিছে
যোৱনী দাৱনীৰ চকুৰ স্বপ্ন
গাভৰুৰ মুখৰ হাঁহি
শিশুৰ মুখৰ অস্ফুট শব্দ
তেজে লিখা ইতিহাস
অ' বন্ধু
জপাই থ'বি
নেমেলিবি
নপঢ়িবি । ❀



# বিষাদ ৰাগিনী

❑ ঘনশ্যাম সন্দিকৈ
স্নাতক ২য় বৰ্ষ

বিদায় বেলাৰ
এটি অনুভৱ
পাহি মেলি উঠিছে

জীৱন যৌৱনৰ সংজ্ঞা
তুমিয়েই শিকালা
উতলা ফাগুন
তুমিয়েই জগালা

এতিয়া সেয়া স্মৃতি
জীৱন এতিয়া
মুক - মৌন বিষাদৰ ৰাগিনী
আৰু যৌৱন
প্ৰেম, প্ৰতাৰণা
স্বপ্নভংগৰ দলিল ।

জীৱন সমুদ্ৰৰ মাজত মই
কৰ্কবকাৰ লাগিছোঁ
ঢৌৰ গৰ্জ্জনত
মই বাট হেৰুৱাইছোঁ
ঢৌৰে ঢৌৰে বগুৱা বাইছে
সেয়া বিষাদ ৰাগিনী
সখী শুনিছানে
সেয়া বিষাদ ৰাগিনী । ❀



# তিনিটা স্তৱক

❑ শিখামণি দত্ত
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

(১)
শান্তি
সি এতিয়া শুই আছে
শিতানত দুখৰ স্মৃতি
হৃদয়ত গুণগুণাই আছে
স্বদেশ প্ৰেম ।

(২)
অনুভৱ
বুকুৰ চ'ৰাঘৰত
সোমাবহি পুৱতি
হিয়াৰ হাঁচতিত বান্ধি থ'ম
নেমাৰিবি জপনা পদুলিৰ।

(৩)
সিদ্ধান্ত
শ্বহীদৰ কলিজাত
ধৰৱিয়াই লওঁ মোৰ কলম
প্ৰবাহিত হওক
বুকুৰে বুকুৰে
প্ৰেম ভালপোৱা
আৰু মানৱতা । ❀

# হে হেমচন্দ্ৰ তুমি অনন্য

▢ মৃদুপৱন বুঢ়াগোহাঁই

নিতাইপুখুৰীৰ উত্তৰদিশে জিলিকিছে
তোমাৰ উচ্চ শিৰ
আমাৰ দুচকুত অলেখ সপোন আঁকি
তুমি চিৰসুন্দৰ ।

যৌৱনৰ পৰশত কতজনে সাৰপাই
বিনিময় কৰে
হৃদয়ৰ বাৰ্তা
কেতিয়াবা ছিগাৰেটৰ ধোঁৱা হৈ পৰে জীৱন
জীৱন হৈ পৰে ৰঙীন
কেতিয়াবা কঙাল ।

আশা আৰু সপোনৰ মাজত বুৰ গৈ
বছৰি আহে ন ন মুখ
এই মাটি কৰ্ষণ কৰি
সিঁচি দিয়েহি
গুণ আৰু প্ৰতিভাৰ বীজ
আমি নাপাহৰোঁ তোমাৰ বুকুত মূৰ গুজি থকা
দিনবোৰ
তুমি অনন্য হে হেমচন্দ্ৰ । ❀



# এটি কবিতা

▢ মণিকা চাংমাই
উঃ মাঃ ১ম বৰ্ষ

হাঁহিৰ মাজত থাকিও
বিচাৰি ফুৰিছোঁ সুখ
ফুলনিতে থাকিও
খেপিয়াই ফুৰিছোঁ
এপাহ সতেজ ফুল
দিহিঙে-দিপাঙে মই অনাই-বনাই ফুৰিছোঁ
মই যেন
এটি চাতক চৰাই । ❀

# হৃদয়ৰ কবিতা

▢ ৰঞ্জিত ভৰালী
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

মোৰ কাষেদি গ'লে
তুমি গুণগুণাই যাবা
তাতেই ফুলিব এপাহি ফুল
এটি গীতেৰে
হৃদয় চুলে
আৰু ফুলিব
অলেখ ফুল
গোলাপ, তগৰ, মালতী, খৰিকাজাঁই
গুটিমালী, মাধৈমালতী ।
মন আকাশত
উজলিব এটি তৰা
মোৰ মন বাগিচাত
সুৰভি বিলাই
তুমি ফুলি ৰ'বা। ❀

# দুখ

▢ মুনীন্দ্ৰ টায়ে

মোৰ সুকোমল
হিয়াৰ মাজত
গোপনে পালন কৰিছোঁ
দুখ
মোৰ হাঁহিৰ আৱৰণে
তাক ঢাকি দিছোঁ
আলফুলে
বিনিদ্ৰ ৰজনী
মই পঢ়োঁ দুখৰ ইতিহাস
সংগোপনে
অকলে অকলে । ❀



# ফটা কাপোৰ পিন্ধা মানুহজন

▢ মানসপ্ৰতীম হাজৰিকা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

মানুহজনে ফটা কাপোৰ পিন্ধিছে ।
কান্ধত এটা মলিয়ন জোলোঙা
মুখখন শুকাই গৈছে -
তেওঁ বহুতদিন পেট ভৰাই
এসাঁজ খোৱা নাই ।

তেওঁ কিবা এটা বিচাৰিছে
যুঁজ দিছে
তেওঁ ভাগৰি পৰিছে
তেওঁৰ শৰীৰ দুৰ্বল হৈছে
মনবো জোৰ কমিছে ।

তথাপি সি যুঁজিছে
ফটা কাপোৰৰ আঁৰত
তাৰ মনটো ঐশ্বৰ্য্যশালী হৈ উঠিছে
সি নাহাৰে । ❀

# নাৰী

▢ কুন্দন কপিল পাতৰ
উঃ মাঃ ২য় বৰ্ষ

তোমাৰ প্ৰেমেৰে সঞ্জীৱিত হয়
প্ৰতিটো ৰাতি
পল অনুপল,
সৃষ্টিৰ অমৃত মদিৰা
তুমি ত্যাগৰ প্ৰতীক
সহিষ্ণুতাৰ প্ৰতীক
তুমি ধৈৰ্য্যৰ প্ৰতীক
তুমি প্ৰেৰণাৰ উৎস
শান্তিৰ অমিয়া ধাৰা
পংকিল সমাজৰ
যান্ত্ৰণাক্লিষ্ট প্ৰতিখন মুখে
তোমাৰ ছাঁয়াতে
জিৰণি লওক
তুমি স্পৰ্শ কৰা
তুমি ধুই নিয়া
দুখ, যন্ত্ৰণা আৰু হতাশা । ❀



# ৰক্তবীজ

▢ প্ৰণৱ কুমাৰ চাংমাই
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

পশ্চিমত কলীয়া ডাৱৰ
মূল্যহীন স্বপ্নৰ পৃথিৱীত
নিৰ্মেঘ আকাশ ক'ত

ক'ত শালীনতা
ক'ত সহজ দিনৰ সৰল কৃষ্টি
আহাৰ নিদ্ৰা তৃষ্ণা ক্ষুধা
ক'ত গ'ল
আত্মীয়তা সনা
নিজান ৰাতিপুৱা

ক্ৰমাগত গছৰ দৰে
দিনে দিনে
মুহূৰ্তে মুহূৰ্তে
অমানিশা নামিছে
ৰক্তবীজৰ দৰে
দুৰ্ভিক্ষ দুৰ্য্যোগ
দুহাত প্ৰসাৰিত কৰি
চেপিছে খুন্দিছে
আমি মানুহ
আমি বৰ্বৰ কৃষ্টি
কঢ়িয়াই লৈ ফুৰিছোঁ । ❀

# কবিতা

▢ পূৰবী বড়া
স্নাতক ২য় বৰ্ষ

কবিতাত প্ৰাণ পাই
জীৱনে
দুখ বেদনা
প্ৰেম বিৰহে
জীৱন কবিৰ আশ্ৰয়
কবিতাৰ আলম
প্ৰেম কবিতাৰ প্ৰেৰণা
বিৰহো কবিৰ প্ৰেৰণা
শব্দ কবিতাৰ স্পন্দন । ❀

# মোৰ মাতৃভূমি

□ নমিতা বড়া
স্নাতক ২য় বৰ্ষ

অসম আজি মৰিশালী হ'ল
চৌদিশে কেৱল হত্যা, লুণ্ঠন, অত্যাচাৰ ।
কোনোবা পিতৃহাৰা, কোনোবা ভাতৃহাৰা
কোনোবা বিধৱা, কোনোবা পুত্ৰহাৰা
ভায়ে ভায়ে কন্দল
চাৰিওফালে জ্বলিছে
হিংসাৰ দাবানল ।
জীৱশ্ৰেষ্ঠ মানুহ আজি
পশুতকৈও অধম ।
হে ঈশ্বৰ, মোৰ পঞ্চেন্দ্ৰীয়
বিকল কৰি দিয়া
মোক অচেতন কৰি তোলা
মোকো মৃত্যু দিয়া,
ত্ৰাস আৰু সংশয়ৰ মাজত
আমাৰ মৃত্যু হওক
আমাৰ হাড়ৰ ওপৰত
নতুন সভ্যতাৰ সূত্ৰপাত হওক । ✿



# অপ্ৰকাশ

□ দিপালী ফুকন
স্নাতক ১ম বৰ্ষ

বহাগ আহিল আৰু গ'ল
ফুল ফুলিল
সুবাস বিলাই নিৰৱে
মৰহি গ'ল

হাবি ফালি বিয়পিল
কুলিৰ সুৰদী মাত
বতাহত বিয়পিল
কেতেকীৰ কান্দোন
মই যে তাঁতৰপাটতে দিক্‌হাৰা হ'লোঁ
তাতঁজুতি বিছুচেৱা হ'ল
বিহুৱান যঁচাই নহ'ল ।✿

# মোৰ গাঁও

□ বৰ্ণালী বৰুৱা
স্নাতক ২য় বৰ্ষ

এয়া মোৰ মৰমী গাঁও
ধুলি ধুসৰিত
ধানে প্লাৱিত
এয়া মোৰ উকখা পঁজা
দুখ-সুখ স্নেহ দৰদ
হৃদয় কঁপোৱা হুমুনিয়াহ
নৈঃশব্দত বিলীন হয়
হা-হুতাশাৰ ঢৌ
আহে যায়
এইবোৰ উকখা চালৰ
আশাহত হৃদয়ৰ খবৰ
ইয়াত জীৱন ৰঙীন
ইয়াত জীৱন কঠিন
ইয়াত জীৱন
শ্ৰম আৰু স্বপ্নৰ
সমাহাৰ । ✿

# নৈৰ পাৰত এদিন

□ হিৰনৃজন টায়ে
স্নাতক ২য় বৰ্ষ

ঝাওধানবোৰ হালিছিল
অবুজ আবেগে
সিহঁতক উতলা কৰিছিল
বতাহত ভাঁহি আহিছিল
এটা মিঠা ঐনিতমৰ সুৰ
কোনোবা গাভৰুৱে হাঁহিছিল
ঠিক সৰিয়হ ফুলবোৰৰ দৰে
মোৰ বুকুত
আশাবোৰে
হেন্দোলনি তুলিছিল । ✿



# অসমী আই

□ সীমা দত্ত

অ' মোৰ অসমী আই
তোৰ তুলনা নাই
তোৰ মুখত আজি
ধুনীয়া হাঁহিটি কিয় বাৰু দেখা নাই
জাননে আই
তোৰ মাতত ফুলে সাৰ পাই
তোৰ মাতত নদী বৈ যায়
আকাশে-বতাহে তোৰ কাণে কাণে
কিনো বাৰু কৈ যায়
তোৰেই বাবে ধৰিছোঁ জনম
তোৰ বাবেই বৰি ল'ম মৰণ
তোৰ কোলাতে উমলি জামলি
তোকেই কৰিম পূজা
আই তোৰ বাবেই
ৰাখিছোঁ সজাই
মোৰ দুখীয়া পঁজা । ✿

# অসমীয়া

□ নলীন দিহিঙীয়া
স্নাতক ২য় বৰ্ষ

আই,
মই তোৰ বাবে
আছোঁ জীয়াই
তোৰ প্ৰেৰণাৰে
সেউজ সম্ভাৱনাৰে
লিখি যাম অমল কবিতা
যাৰ নাম থ'ম
অসমীয়া ।✿

# অসমী আই

□ জিমি সন্দিকৈ
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

অসমী অসমী অ' আই অসমী
তোৰ ৰূপৰ তুলনা নাই
তোৰ মাটিয়ে পলে পলে মোক
দিয়ে যে সোঁৱৰাই ।

তোৰ কোলাতে জনম লভিলে
মূলা কনকলতা আদি,
তোৰ কোলাতে চকু মুদিলে
তোক স্বাধীনতা দি ।

তোৰ বাবে এই কত শ্বহীদে
ত্যাগিলে নিজৰ প্ৰাণ
হাঁহি হাঁহি গৈ দেশৰ বাবে
জীৱন কৰিলে দান ।

আজি মই আই কৰিলোঁ পণ
তুলি লৈ তোৰ চৰণ ধূলি
তোৰ বাবে মোৰ এই জীৱন
দান কৰিম বুলি ।

✿



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ দাতা আউনীআটী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ 'হেমচন্দ্ৰ দেৱগোস্বামীদেৱ' আৰু যিসকলৰ আপ্ৰাণ প্ৰচেষ্টাত অঞ্চলটোত অনুষ্ঠানটিয়ে গঢ় লৈ উঠিল সেইসকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰিবলৈ সুবিধা দিয়া ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী সকলকো আন্তৰিক ধন্যবাদ জনাইছোঁ।

৯৮-৯৯ বৰ্ষত সমাজসেৱা বিভাগৰ সম্পাদকৰ দায়িত্ব বহন কৰাৰ পিছত ৯৯-২০০০ বৰ্ষৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মৰম আৰু শুভেচ্ছা শিৰত লৈ সাধাৰণ সম্পাদৰূপে নিৰ্বাচিত হোৱাৰ পিছত নিজকে গৌৰৱান্বিত বোধ কৰিছিলোঁ। দায়িত্বভাৰ লোৱাৰ পিছতেই শাশ্বত ভাৱেই কেতবোৰ ৰঙীন সপোন আগত ৰাখি প্ৰধানকৈ মহাবিদ্যলয়ৰ সুনাম, ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যাসমূহ দূৰীকৰণ আৰু তেওঁলোকৰ বৌদ্ধিক বিকাশৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ । কিন্তু অনেকবোৰ অসুবিধাৰ বাবে সকলো ক্ষেত্ৰতে সফল হ'ব নোৱাৰিলোঁ। প্ৰকৃততে মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সকলোবিলাক সমস্যা এবছৰৰ ভিতৰতে সমাধান কৰাটো সম্ভৱো নহয়। গতিকেই সদৌটিৰে ওচৰত মই প্ৰথমেই ক্ষমা ভিক্ষা মাগিছোঁ।

শিক্ষা হৈছে জাতিৰ মেৰুদণ্ড, উন্নতিৰ সোপান । শিক্ষা অবিহনে কোনো জাতিয়েই উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। শিক্ষাৰ উদ্দেশ্য হৈছে মানুহ সৃষ্টি । কিন্তু দেখা গৈছে এই উদ্দেশ্যৰপৰা যেন ই আঁতৰি গৈছে বহুদূৰ। নিয়মানুবৰ্তিতা, অধ্যয়নস্পৃহা, গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক, সততা ইত্যাদি শব্দবোৰ কিতাপৰ পাততহে ৰৈছেগৈ। অৱশ্যে চৌদিশৰ যি কলুষিত সামাজিক পৰিৱেশ সেয়া আঁতৰাব নোৱাৰিলে এই অৱস্থা নিশ্চয় চলিয়েই থাকিব । এই ক্ষেত্ৰত দায়িত্ব ল'ব লাগিব ছাত্ৰ-ছাত্ৰীসকলেই। মই আশা কৰিছোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আনুষ্ঠানিক শিক্ষাৰ অন্তত নিজকে একোজন সু-নাগৰিকৰূপে গঢ়ি তুলিব।

দায়িত্বকালৰ সময়ছোৱাত আমাৰ মুঠ ৮খন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈছিল। কাৰ্য্যকালৰ কামৰ সামান্য খতিয়ান এইখিনিতে দাঙি ধৰিছোঁ।

কাৰ্য্যকালৰ প্ৰাৰম্ভতে মহাবিদ্যালয়ৰ স্নাতক ২য় বৰ্ষৰ এজন ছাত্ৰৰ চিকিৎসাৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীকে ধৰি অধ্যক্ষৰপৰা অৰ্থসংগ্ৰহ কৰি সহায় আগবঢ়োৱা হয় ।

১০।১২।৯৯ তাৰিখে ছহিদ দিৱসৰ পাছতে ১৩।১২।৯৯ তাৰিখৰপৰা মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হয়। বিভিন্ন বিষয়ত প্ৰতিযোগীৰ অভাৱ দুখেৰে সৈতে লক্ষ্য কৰিছিলোঁ।

৯।২।২০০০ তাৰিখৰ বিগত বছৰবিলাকৰ দৰেই ছাত্ৰ একতা সভাৰ উদ্যোগত সৰস্বতী পূজা উলহ-মালহেৰে পালন কৰা হয়।

বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ বঁটা বিতৰণী অনুষ্ঠানটি ৩।১১।২০০০ তাৰিখে অনুষ্ঠিত হয়।

ছাত্ৰ একতা সভাৰ উদ্যোগত ১২।৮।২০০০ তাৰিখে এক গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত নৱাগত আদৰণী সভাখন অনুষ্ঠিত হয়। অনুষ্ঠানৰ উল্লেখনীয় দিশ আছিল বিশিষ্ট অতিথি ৰূপে চক্ৰ বিষয়া ধীৰেন হাজৰিকাদেৱৰ লগতে ভাৰতীয় প্ৰশাসনীক সেৱা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই অনা মৰাণ অঞ্চলৰ পংকজ হাজৰিকাৰ উপস্থিতি । তেখেতৰ কেঁচা অভিজ্ঞতাৰে পূৰ্ণ ভাষণে ছাত্ৰ-ছাত্ৰীক যথেষ্ট অনুপ্ৰাণিত কৰে।

সফলতাৰ দিশত কেইটিমান পলঃ

প্ৰতিটো শ্ৰেণীকোঠাত কমকৈ হ'লেও বিজুলী পাংখাৰ ব্যৱস্থা সম্পন্ন কৰা হ'ল।

২৩।১।২০০০ তাৰিখে ডিমৌ ৰাজহুৱা ভৱনত অনুষ্ঠিত 'নেতাজী সুভাষ চন্দ্ৰ বসু' বক্তৃতা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ শ্ৰীঘনশ্যাম সন্দিকৈয়ে প্ৰথম আৰু শ্ৰীমৃদুপৱন বুঢ়াগোঁহায়ে ৩য় স্থান অধিকাৰ কৰি গৌৰৱ কঢ়িয়াই আনে ।



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক ২য় খণ্ডৰ পৰীক্ষাত শিক্ষা বিভাগত প্ৰথম শ্ৰেণী লাভেৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা কৃতি ছাত্ৰী সুৰুয বৰাক ২২।১১।২০০০ তাৰিখে মহাবিদ্যলয়ত সম্বৰ্দ্ধনা জনোৱা হয়।

ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ মূল পথটো পূৰ্বতকৈ উন্নত কৰা হয় ।

ছাত্ৰ একতা সভাৰ নৱনিৰ্মিত জিৰণি চ'ৰাটোৰ কাম প্ৰায় ৯০ শতাংশ সম্পূৰ্ণ হৈ উঠিছে। লগতে আৰ চি চি আৰ্হিৰ গ্ৰন্থাগাৰটোৰ কাম পূৰ্ণ গতিত চলি আছে।

মহাবিদ্যালয়ৰ সন্মুখৰ পকীবেৰা আৰু আটকধুনীয়া গেটৰ ব্যৱস্থা সম্পূৰ্ণ হৈ উঠিছে।

ছাত্ৰী জিৰণি চ'ৰাটো উন্নত কৰাৰ লগতে একতা সভাৰ কাৰ্যালয়লৈ ১০খন প্লাষ্টিক চকী অনা হৈছে। অৱশ্যে ইয়াৰ লগতে এটা ষ্টীল আলমাৰী, ওৱাটাৰ ফিল্টাৰ আৰু এখন ডাঙৰ টেবুলৰ ব্যৱস্থা কৰিবৰ বাবে অনুৰোধ থাকিল।

কৃতজ্ঞতা জ্ঞাপনঃ

এবছৰীয়া কাৰ্য্যকালত মোক বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা শিক্ষাগুৰু, সুহৃদ, অগ্ৰজ, অনুজ বন্ধু-বান্ধৱী সদৌটিৰে ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। শ্ৰীযুত নোমল কোঁৱৰ চাৰ আৰু অধ্যক্ষ শইকীয়া চাৰৰ সহযোগিতা পাহৰিব নোৱাৰিম। স্থানৰ অভাৱত ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ নাম উল্লেখ কৰিব নোৱাৰি দুঃখিত ।

কাৰ্যকালত সহায়-সহযোগ কৰা শ্ৰীমন্ত এণ্টাৰপ্ৰাইজৰ ভাস্কৰদা আৰু বেটুপাতৰ বাবে ৰঞ্জিত গগৈক ধন্যবাদ জনাইছোঁ।

শেষত সকলোলৈকে নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰি জ্ঞাত-অজ্ঞাত ক্ৰুটীৰ বাবে ক্ষমা বিচাৰিছোঁ। মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰি প্ৰতিবেদন সমাৰিছোঁ ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ।
জয়তু ছাত্ৰ একতা সভা ।

মঃ চহিদুৰ ৰহমান
সাধাৰণ সম্পাদক



## সহঃসাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া ভাষা সংস্কৃতি আৰু জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে যিসকলে হাঁহি হাঁহি মৃত্যুক আঁকোৱালি ল'লে, সেই বীৰ শ্বহীদসকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ । দ্বিতীয়তে মহাবিদ্যালয়ৰ যিসকল শুভাকাংক্ষীয়ে মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ সেৱা আগবঢ়াবলৈ এইফেৰা সুবিধা দিলে সেইসকলৰ প্ৰতিও এই আপাহতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

দায়িত্বভাৰ গ্ৰহণৰ পাছত এবছৰীয়া কাৰ্য্যকালত মোৰ সীমিত সামৰ্থ্যৰে মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কিমানখিনি কৰিব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। মহাবিদ্যালয়ত নিয়মিত ৰূপত পালন কৰা মহাবিদ্যালয় সপ্তাহ, শ্ৰীশ্ৰীসৰস্বতী পূজা, নৱাগত আদৰণী সভা আদিত সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদক, সম্পাদিকাক সহায় কৰাৰ লগতে প্ৰতিটো অনুষ্ঠান সফল ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰিছিলোঁ।

ইয়াৰ উপৰি মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদকো চাকৰিসুত্ৰে কৰ্মক্ষেত্ৰলৈ যাবলগা হোৱাত খেল বিভাগৰ দায়িত্ব ২।৪।২০০০ তাৰিখে কাৰ্য্যকৰী সভাই এই অভাজনৰ ওপৰত অৰ্পণ কৰে।

মহাবিদ্যালয় সপ্তাহৰ অন্য খেল-ধেমালিৰ লগতে আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতাও অনুষ্ঠিত হয়। চূড়ান্ত বিজয়ী দলটি হ'ল উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক । আনহাতে ভলীবলত স্নাতক ২য় বৰ্ষৰ দলটো চূড়ান্ত বিজয়ী হয় ।

তাৰ পাছত মৰাণত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলেও যোগদান কৰে। প্ৰথমখন খেলত আমাৰ মহাবিদ্যালয়ে নাজিৰাৰ বিৰুদ্ধে ব্ৰাক অভাৰ পায়। ইয়াৰ পাছত দ্বিতীয়খন খেলত ২১।৯।২০০০ তাৰিখে মৰাণ কলেজৰ বিৰুদ্ধে ভাল খেলিও ০-২ গ'লত পৰাজিত হ'বলগা হয়। ইয়াৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ অভাৱকে জগৰীয়া কৰিব পাৰি।

মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে উৎসাহ তথা দিহা-পৰামৰ্শ দিয়া কলেজৰ অধ্যাপক, অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়া চাৰ আৰু কাৰ্যকৰী সভাপতি শ্ৰীযুত নোমল কোঁৱৰ চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ।
জয়তু ছাত্ৰ একতা সভা ।

**শ্ৰীবিতুল ভৰলুৱা**
সহকাৰী সাধাৰণ সম্পাদক আৰু
খেল বিভাগৰ সম্পাদক



## উপ-সভাপতিৰ প্ৰতিবেদন

যিসকলৰ আত্মত্যাগ, অক্লান্ত তথা ঐকান্তিক সাধনাই অসমীয়া জাতিক বিশ্বদৰবাৰত এক অনন্য ৰূপত তুলি ধৰিবলৈ সক্ষম হ'ল- সেইসকল বৰেণ্য, মহা আত্মালৈ প্ৰতিবেদনৰ প্ৰাৰম্ভতে শ্ৰদ্ধা নিবেদিছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জনাইছোঁ।

এবছৰীয়া কাৰ্যকালত উপ-সভাপতি হিচাবে যিকোনো কাৰ্যসূচীত সম্পূৰ্ণ আত্মনিয়োগ কৰিছিলোঁ । তথাপি সময়ৰ অভাৱতে সকলোখিনি কাৰ্য শেষ কৰিব নোৱাৰিলোঁ।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ সম্পৰ্কত এটা কথাই ক'ব লাগিব যে- যি অৱস্থাৰ বাবেই নহওক অনুষ্ঠানটিয়ে ইয়াৰ প্ৰত্যাশিত পৰিৱেশ হয়তো সম্পূৰ্ণৰূপে বাহাল ৰাখিবপৰা নাই । প্ৰকৃততে শৈক্ষিক পৰিৱেশ উন্নীত কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক সমন্বিতে এক উমৈহতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন । এই দিশত অধিক গুৰুত্ব দিয়াটো নিশ্চয় প্ৰয়োজনীয়। ব্যৱহাৰিক সমস্যা কিছুমানৰ কথাও আছে । ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত জিৰণি কোঠা, গ্ৰন্থাগাৰত পঢ়া-শুনা কৰিবৰ বাবে প্ৰয়োজনীয় স্থানৰ অভাৱ ইত্যাদিবোৰেও যথেষ্ট অসুবিধাৰহে সৃষ্টি কৰি আহিছে । মহাবিদ্যালয় কৰ্তৃপক্ষই এইবোৰ দিশত কিছু কাৰ্যকৰী ব্যৱস্থা লোৱাৰ লগতে ছাত্ৰ একতা সভাও সজাগ হোৱাটো মহাবিদ্যালয়খনৰ স্বাৰ্থতেই অতি প্ৰয়োজন।

প্ৰতিবেদনৰ প্ৰান্তত সকলোলৈকে শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছোঁ। অজানিতে কৰা ভুল-ত্ৰুটীৰ বাবে শুধৰণি বিচাৰিছোঁ। শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰিছোঁ ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ।
জয়তু ছাত্ৰ একতা সভা ।

**শ্ৰীপংকজ বৰা**
উপ-সভাপতি
১৯৯৯-২০০০ বৰ্ষ

# ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে নিজ দেশৰ অস্তিত্ব ৰক্ষাৰ হকে সুদূৰ কাৰ্গিল সীমান্তত প্ৰাণ বিসৰ্জন দিয়া বীৰ শ্বহীদসকললৈ অশ্ৰু-অঞ্জলি নিবেদিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯৯-২০০০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ দৰে গুৰুত্বপূৰ্ণ পদৰ দায়িত্ব লৈ কিমানদূৰ কাৰ্য সম্পাদনাত সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

